# হাহিৰ টোপোলা



প্ৰভাত শৈল (ডাইনাপালি)

# হাঁহিৰ টোপোলা



প্ৰভাত হালৈ
ডাইনাপালী (বিশ্বেশ্বৰ)

# হাঁহিৰ টোপোলা




*লিখক ঃ শ্ৰীপ্ৰভাত হালৈ (ডাইনাপালী)*
*দূৰভাষ ঃ ৯৮৬৪৮৫৬৪৪২/৯৩৬৫৪৫৪৬১৪*

| | | |
|---|---|---|
| প্ৰকাশক | ঃ | নিৰু হালৈ |
| গ্ৰন্থস্বত্ব | ঃ | লিখক |
| পৰিকল্পনা | ঃ | লিখক |
| ব্যৱস্থাপনা | ঃ | দেৱজিৎ হালৈ |
| প্ৰকাশ কাল | ঃ | ১৮ চেপ্তেম্বৰ, ২০২১ চন |
| মূল্য | ঃ | ১২০ টকা মাত্ৰ |



| | | |
|---|---|---|
| বেটুপাত পৰিকল্পনা | ঃ | ভাস্কৰ বৰুৱা |
| অক্ষৰ বিন্যাস/অংগসজ্জা | ঃ | ভাস্কৰ বৰুৱা |
| ছপা | ঃ | ফ্ৰেইণ্ডচ্ অফ্‌ছেট প্ৰেছ, বেলশৰ বজাৰ, নলবাৰী |



# উছৰ্গা

পৰম আৰাধ্য পিতৃদেৱ ঁবিষ্ণুৰাম হালৈ
(ডাইনাপালি)ৰ
স্মৃতিত ক্ষুদ্ৰ
কিতাপখনি অৰ্পণ কৰিলোঁ।

ইতি-
অভাজন
প্ৰভাত হালৈ, ডাইনাপালি

# অভিমত...

বিশিষ্ট লোক-সংস্কৃতিৰ সাধক প্ৰভাত হালৈৰ শেহতীয়া পুথি 'হাঁহিৰ টোপোলা'খন ব্যতিক্ৰমধৰ্মী পুথি। জীৱনৰ অধিককাল তেখেতে 'ওজাপালী' লোক-কৃষ্টিৰ সৈতে জড়িত হৈ আছে। অসমৰ লোক-পৰিৱেশ্য কলা ওজাপালীৰ নৃত্য-গীত অংশক বাদ দিলে বহু পৰিমানে ইয়াক নাটক যেন লাগে। ওজাপালীৰ নাট্যাংশত অতি গুৰুত্বপূৰ্ণ ভূমিকা লয় ডাইনাপালীয়ে। ডাইনাপালীজনক আধুনিক নাটকৰ কমেডিয়ান বুলি ক'ব পাৰি। লোকনাট্যৰ হাস্যৰস কথোপকথনৰ মাজেৰেহে প্ৰৱাহিত হয়। বিভিন্ন অংগী-ভংগী, খুহুতীয়া কথা, পেৰডি, বক্ৰোক্তি, ঠাট্টা-বিদ্ৰূপ আদিৰে ওজাপালীয়ে পৰিৱেশন কৰা আধ্যাত্মিক গীত পদৰ মাজতে ডাইনাপালীৰ নেতৃত্বত এক হাস্যমধুৰ পৰিৱেশৰ সৃষ্টি কৰা হয়। ডাইনাপালীজনৰ মাধ্যমেদি ওজাপালীয়ে অনুষ্ঠান পৰিৱেশন কৰি থকাৰ মাজতে আধুনীক গীত, নৃত্য, কথোপকথনৰ জৰিয়তে দৰ্শকক আনন্দ প্ৰদান কৰে। ডাইনাপালীয়ে ওজাই মূল আখ্যান গাই থাকোতে মাজতে ডাইনাপালীয়ে অপ্ৰাসঙ্গিক বা প্ৰাসঙ্গিকভাৱে কেতিয়াবা দিস্তান, ফকৰা-যোজনা বা সাঁথৰৰ অৱতাৰণা কৰি হাস্যৰসৰ সৃষ্টি কৰে।

প্ৰভাত হালৈয়ে বহু বছৰ ধৰি ডাইনাপালী হিচাপে ওজাপালী অনুষ্ঠান অসমৰ ভালেমান ঠাইত পৰিৱেশন কৰি আহিছে। জীৱনত দৰ্শকক হাস্যৰস প্ৰদান কৰিবলৈ তেখেতে যিবোৰ শব্দ, গীত-মাত, সংলাপ পৰিৱেশন কৰিছিল সেইবোৰ থুপাই লৈ 'হাঁহিৰ টোপোলা'খন লিখি উলিয়াইছে। তেখেতৰ এই প্ৰচেষ্টা অতি আদৰণীয় আৰু প্ৰশংসনীয় আৰু ব্যতিক্ৰমধৰ্মী। আশা কৰো পূৰ্বৰ গ্ৰন্থবোৰৰ নিচিনাকৈ এইখন গ্ৰন্থও পঢ়ুৱৈ সকলৰ মাজত সমাদৃত হ'ব।ঠ

(স্বাক্ষৰ)

কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক সদস্য

অসম সাহিত্য সভা

# লোকশিল্পী প্ৰভাত হালৈৰ
# 'হাঁহিৰ টোপোলা'লৈ অভিনন্দন

নলবাৰী জিলাৰ বেলশৰ নিবাসী প্ৰভাত হালৈ ডাঙৰীয়া অসমৰ লোক-সংস্কৃতিৰ ক্ষেত্ৰখনৰ এগৰাকী খ্যাতিমান লোকশিল্পী। শৈশৱ কালৰ পৰাই অসমৰ লোক পৰিৱেশ্য কলা ওজাপালী অনুষ্ঠানৰ প্ৰতি প্ৰভাত হালৈ আকৰ্ষিত হৈছিল। তেওঁৰ পিতৃ প্ৰয়াত বিষ্ণু ডাইনাপালী এগৰাকী নামজ্বলা ব্যক্তি আছিল। হয়তো পিতৃৰ এই অসাধাৰণ গুণে শৈশৱৰ পৰাই প্ৰভাত হালৈ ডাঙৰীয়াকো আকৰ্ষিত কৰিছিল। কালৰ গতিত প্ৰভাত হালৈয়ে নিজ নাম-যশেৰে অসমৰ লোক-সংস্কৃতিৰ ক্ষেত্ৰখনত নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ সমৰ্থ হ'ল। তেওঁ পিতৃৰ পদাংক অনুসৰণ কৰি কম দিনৰ ভিতৰতে ওজাপালী অনুষ্ঠানত ৰাইজক ধৰ্মীয় কাহিনীৰ সোৱাদ দিয়াৰ লগতে হাস্যৰস প্ৰদানেৰে নিজৰ তথা ওজাপালী দলটোৰ জনপ্ৰিয়তা সৰ্বত্ৰ অসমতে পৰিচিত কৰালে।

প্ৰভাত হালৈ এক অনন্য গুণৰ অধিকাৰী, সাধৰণতে লোক শিল্পীবোৰৰ লিখিত সাহিত্য চৰ্চাৰ প্ৰতি হাবিয়াস কম। তেওঁলোকে মৌখিক ভাবে সাহিত্য সৃষ্টি কৰি লোক সমাজত বিতৰণ কৰে। প্ৰভাত হালৈ ডাঙৰীয়াই মনৰ তাগিদাত একান্ত ব্যক্তিগত প্ৰচেষ্টাৰে সাহিত্য চৰ্চা কৰিবলৈ গৈ এখনৰ পিছত আন এখন গ্ৰন্থ প্ৰকাশ কৰিবলৈ ললে। আজিৰ তাৰিখত তেখেতৰ প্ৰকাশিত গ্ৰন্থৰ সংখ্যা কুৰিৰো অধিক।

১১জুলাই, ২০২১ ইং দেওবাৰে নলবাৰী জিলা সাহিত্য সভাই আয়োজন কৰা গ্ৰন্থ উন্মোচনী সভাত উপস্থিত থাকি প্ৰভাত হালৈ ডাঙৰীয়াই অফুৰন্ত প্ৰতিভাৰ বিষয়ে অৱগত হৈ মই ৰাজহুৱা ভাবে হালৈ ডাঙৰীয়াক এক দায়িত্ব দিছিলো যে আমাৰ ওজাপালীৰ মাজেৰে হাস্যৰসৰ খোৰক যোগোৱা ওজাপালীৰ সৃষ্ট কাহিনী-কথনবোৰৰ বিষয়ে গ্ৰন্থ আজিলৈ প্ৰকাশ হোৱা নাই। একো একোজন ডাইনাপালীয়ে সমাজ জীৱনৰ পৰা আঁতৰি যোৱাৰ লগে লগে এই হাস্যৰসিক কাহিনীবোৰ বিলুপ্তি

ঘটে। যিহেতু ওজাপালীলে ধৰ্মীয় পদ কাহিনীৰ মাজেৰে হাঁহিৰ খোৰাক যোগাবলৈ ৰচনা কৰা পদসমূহ মৌখিক আৰ্হিত থাকে। গতিকে কাহিনীবোৰৰ উদ্ধাৰে আমাৰ সাহিত্যৰ ভঁৰাল চহকী কৰিব পাৰে।

আজিৰ পৰা দুমাহ আগত (১১জুলাই, ২০২১ ইং) দেওবাৰে ৰাজহুৱাভাৱে কোৱা এইষাৰ কথাই প্ৰভাত হালৈ ডাঙৰীয়াক প্ৰেৰণা যোগালে আৰু অতি কম দিনৰ ভিতৰতে তেঁওৰ নিজৰ সৃষ্টি হাঁহিৰ খোৰাক যোগোৱা কথনসমূহ লিখি উলিয়ালে। 'হাঁহিৰ টোপোলা' নামৰ এই সংকলনখনি প্ৰভাত হালৈ ডাঙৰীয়াৰ এক অনন্য সৃষ্টি হিচাপে জিলিকি থাকক। এই কাহিনী কথন সমূহৰ মাজত আমাৰ হেৰাই যাব ধৰা যথেষ্ট শব্দ সম্ভাৰ সংৰক্ষণ হৈ থাকিব। পৰৱৰ্ত্তী দিনত লোক-সংস্কৃতি, লোক ভাষাৰ গৱেষণা কাৰ্যত এই গ্ৰন্থখনে বিশেষ সহায় কৰিব পাৰিব বুলি আমি নিশ্চিতভাৱে কব পাৰো।

প্ৰভাত হালৈ ডাঙৰীয়াৰ এই মহান প্ৰচেষ্টাৰ আমি শলাগ লৈছো। বিশেষকৈ নলবাৰী জিলা সাহিত্য সভাই প্ৰভাত হালৈ ডাঙৰীয়াক এক বহল ক্ষেত্ৰলৈ উলিয়াই অনাৰ ক্ষেত্ৰত যি কাৰ্য সম্পাদনা কৰি গৈছে তাৰ বাবে নলবাৰী জিলা সাহিত্য সভা ধন্যবাদৰ পাত্ৰ। এগৰাকী স্বভাৱমূলক লোকশিল্পী তথা সাহিত্যিকে সাহিত্যিক পেঞ্চন পোৱাৰ যোগ্য ব্যক্তি। নলবাৰী জিলা সাহিত্য সভাই অসম চৰকাৰৰ সাহিত্যিক পেঞ্চন লাভৰ দিশত প্ৰভাত হালৈ ডাঙৰীয়াক আগবঢ়াই দিব পাৰে। আমাৰ দৃষ্টিত এগৰাকী লোকশিল্পীয়ে নিজৰ প্ৰচেষ্টাত কুৰিখনৰো অধিক গ্ৰন্থ ৰচনা কৰা কাৰ্য অসমতে বিৰল।

সদৌ শেষত লোকশিল্পী, লেখক প্ৰভাত হালৈৰ লগতে তেখেতৰ অমূল্য গ্ৰন্থ 'হাঁহিৰ টোপোলা'লৈ আমাৰ অভিনন্দন জ্ঞাপন কৰিলোঁ। আমাৰ আশা প্ৰভাত হালৈ ডাঙৰীয়াই আমাৰ সমাজৰ অৱহেলিত আৰু সিঁচৰিত হৈ পৰা অমূল্য সম্পদবোৰ সংৰক্ষণ কৰি যাওঁক। তেখেতৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

।। চিৰ চেনেহী মোৰ ভাষা জননী।।

ধন্যবাদেৰে-

**ড° উপেন্দ্ৰজিৎ শৰ্মা**
পত্ৰিকা সম্পাদক, অসম সাহিত্য সভা
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ,
ভোলানাথ মহাবিদ্যালয়, ধুবুৰী

# পদূলিতে দুৱাৰ

মোৰ ডাইনাপালী জীৱনৰ গভীৰ প্ৰতিশ্ৰুতি, প্ৰচুৰ সম্ভাৱনাৰ নাম হাঁহিৰ টোপোলা। প্ৰতিজন ওজাৰ ডাইনাপালী বাহিৰা কথা কয়, ফাক্‌ৰা কয়, ওজাই পদ গায়, ডাইনাপালী বাহিৰা কথা কয় কিন্তু বাহিৰা কথা কি? কিয় বাহিৰা বুলি কোৱা হয়? কাৰণ পদৰ লগত সামঞ্জস্য নথকা কিছু কথা অৱতাৰণা কৰিলে দৰ্শকৰ পদৰ ৰস আস্বাদনত অসুবিধা জন্মায়। তাৰ বাবে সমাজে ডাইনাপালী বাহিৰা কথা কোৱা বুলি হেয় মনোভাৱ পোষন কৰে। জ্ঞানী দৰ্শক সকলে ইয়াক মুঠেও গ্ৰহণযোগ্য নকয়। মইয়ো এজন ডাইনাপালী, মই ইমান বেছি বাহিৰা কথা কওঁ যে আন কোনো ডাইনাপালীয়ে মোতকৈ বেছি বাহিৰা কথা কব নোৱাৰে। কিন্তু আজি বাৰন্নবছৰীয়া পৰিভ্ৰমিত সমাজত শুনা যায় যে কেৱল বাহিৰা কথা নকয় প্ৰভাত ডাইনাপালী।

ইয়াৰ অৰ্থ মোৰ ক্ষেত্ৰত নহয় সকলো ডাইনাপালী লক্ষ কৰিব লাগিব পদৰ ৰসৰ লগত যাতে কথাখিনি ৰজিতা খাই, যেনে পদৰ উদাহৰণ হয় বাহিৰা কথাখিনি। ওজাপালীৰ ৰসাল কথাবোৰ ডাইনাপালীৰ পাৰদৰ্শিতাৰ ওপৰত বিশেষকৈ নিৰ্ভৰ কৰে। প্ৰকাশভঙ্গি সমাজক বেছি আমোদ দিয়ে। হাঁহিৰ টোপোলা আচলতেচ কোনোকালে কোনো লিখকে গ্ৰন্থৰ ৰূপত প্ৰকাশ কৰা নাই ফলত ই মুখৰোচক ৰূপত বাগৰি আছে। ময়ো কোনো দিনে ইয়াক গ্ৰন্থৰ ৰূপ দিয়াৰ কথা কল্পনা কৰা নাছিলোঁ। সেয়েহে চিৰস্বীকাৰ্য্য হাঁহিৰ টোপোলাৰ জন্ম দাতা ড° উপেন্দ্ৰজিৎ শৰ্মাদেৱ। হয়তো তেখেতৰ পৰশ আৰু আশীৰ্বাদ নাপালে কিজানিবা 'হাঁহিৰ টোপোলা'ই বিজ্ঞ সমাজৰ মাজলৈ নাহিলহেঁতেন। এখন গ্ৰন্থত মোৰ পৰিৱেশত আতাইবোৰ বাহিৰা কথা প্ৰকাশ কৰা সম্ভৱ নহ'ব। সময় সুবিধা হ'লে ভৱিষ্যতৰ বোকোচাত উঠি হাঁহিৰ টোপোলা আকৌ আহিব।

সদৌশেষত হাঁহিৰ টোপোলাৰ সৌষ্ঠৱ বঢ়াবলৈ যিসকলে হঁহিৰ টোপোলাক সজাই পৰাই আগবঢ়াইছে, শ্ৰদ্ধাৰ নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি, সম্পাদক, সন্মানীয় বিষয়ববীয়া সকল লগতে মুখ্য টোপোলা বান্ধোতা ড° উপেন্দ্ৰজিৎ শৰ্মাদেৱ, প্ৰাক্তন সভাপতি ড° বিপিন চন্দ্ৰ কলিতাদেৱ, মান্যবৰ শ্বহীদ স্মৃতি মহাবিদ্যালয়ৰ সহঃ অধ্যাপিকা ড° দিক্ষীতা দেৱী বাইদেউ আৰু ফ্ৰেইণ্ডচ অফ্‌ছেট প্ৰেছৰ স্বত্বাধিকাৰী হিতেন্দ্ৰ ডেকা আৰু সমূহ কৰ্মচাৰীলৈ মোৰ হৃদয়ভৰা অভিনন্দন জ্ঞাপন কৰিছোঁ।

ধন্যবাদেৰে—
লিখক

# হাঁহিৰ

# পাতে পাতে...


- গুৰু
- মাকৰ টাং
- ব্ৰাহ্মণৰ লক্ষণ
- নাক দীঘল তিৰী
- তিনি কালা
- হাই পেচাপ
- গণনী
- অঙ্গঘাটি স্কুল
- মামাৰ তিৰী
- হাগুৰা চুৰ
- ভকত
- ভাল মানুহ
- বিনা কষ্টে ধনী
- শহুৰ বোৱাৰী
- তিৰী ব্ৰহ্মা
- ঠিকনা চোৰা বুঢ়া
- একৰ লগত দুই
- ইংৰাজী পণ্ডিত
- নিধনীৰ নাম
- শিয়ালৰ সভা
- আহামমক
- অকৰ্মণ্য
- কৃষ্ণই যি কৰে ভালে কৰে
- ভেদোখুৰা
- আহু বামুন
- জ্ঞানীপক্ষী
- মেলেকী গৰু
- হাইলা গৰুৰ ঘিউ
- মুৰ্খ ৰজা
- ভকৰ ভকৰ
- চইতান বুঢ়ী
- হৰিমল বৈষ্ণব
- আকো নহকা
- টুকুৰা
- টুকুৰা
- টুকুৰা
- টুকুৰা
- টুকুৰা

# হাহিৰ টোপোলা...

ওজা : দেৱ দেৱ মহাদেৱ নীলাগ্ৰীব জটাধাৰ
বাত বৃষ্টি হৰং দেৱ

ডাইনাপালী : বোম ভলাই নমঃ নমঃ

ওজা : নহয় তোমাৰ ভুল হ'ল, বোম ভলা নহয় শঙ্কৰাৰৈ নমঃ নমঃ

ডাইনাপালী : তোমাৰ মতে নহ'ব বোম ভলাই নমঃ নমঃ

ওজা : বোম ভলাৰ একো অৰ্থ নাই

ডাইনাপালী : অৰ্থ নাই যদি বনাই দিম। সেইবুলি ধিলে নেদাও। কাৰণ মদ্দা কা বাত হাতী কা দাত। যদি হাতীৰ দাত ওলাই আহে দহটা চেঙৰাই হাটুৰী দি কুবালেও ভিতৰক নাজে আৰু যদি অলে নাহে দহটা চেঙৰাই টানি আইনবা নৰে হাই।

ওজা : পণ্ডিত হিন্দি নাজানা যদি কৈছা কিয়?

ডাইনাপালী : আমাৰ গাওঁৰ হিন্দী সেনাইয়ে।

ওজা : বোম ভলাৰ তুমি অৰ্থ কৰি দিব লাগিব।

ডাইনাপালী : দেউদা, আটচা ওজা তুমি ভাঙুৰী সমাজ দেখা পাইছ?

ওজা : পাইছো

ডাইনাপালী : তেওঁলোকে ভাং মাৰি লব, চিলিমত তেকেনাতু ভৰে দিব।

ওজা : কিহৰ তেকনা ভৰৈ হা

ডাইনাপালী : মাটিৰ এটা সৰু লাৰু

ওজা : সেইটোৰ নাম টিকৰা

ডাইনাপালী : সেতু ভৰে দিলাক, ভংখেনি ভৰে দিলাক, চিলিমত আপীখান মেইৰে দিলাক

ওজা : কি কথা বিলাক কোৰা, ভাঙুৰী আপী লগত লৈ আহে নেকি?

ডাইনাপালী : নহয় হা ভাঙৰ খখাত থাকেইয়ে.

ওজা : কিমান ডাঙৰ আপী?

ডাইনাপালী : দুই ইঞ্চিমান বহল, চাৰি ইঞ্চিমান দীঘল।

ওজা : কি দুই ইঞ্চি, চাৰি ইঞ্চিৰ আপীহা?

ডাইনাপালী : তুমি ভাং খ মানুহ দেইখচ, তাহাক সুইধবা। ৰঙা কানীৰ আপী তুমি দেখা নাই।

ওজা : হেৰা ৰঙাকানিৰ চিলিমৰ তলত মেৰিয়াই দিয়া কাপোৰখন

ডাইনাপালী : হে ইতাহে বুলি পাইছ। সেইখন মেইৰে দিলাক চিলিমটু, মাটিত থৈ বোমকৈ উঠে, ভাঙুৰী গিলাই বোম বুলি কাক মাতে হা ওজা?

ওজা : মহাদেৱক মাতে

ডাইনাপালী : নামাতে

ওজা ঃ তে কাক মাতে?

ডাইনাপালী ঃ তোমাৰ বাইপেক মাতে।

ওজা ঃ আচলতে বোম বুলি ভাঙুৰী বিলাকে শূন্যক আহ্বান কৰে।

ডাইনাপালী ঃ কাৰণ শূন্যটো ভাঙুৰীৰ দৰকাৰ আছে।

ওজা ঃ সেইবিলাক বাদ দিয়া বোম বুলি কি কৰিলে সেইটো কোৱা।

ডাইনাপালী ঃ বোম বুলি দোম মাইলাক গল গল কৰি ধহা পাচ কৰি মুখখন ভৰ্ত্তি হ'ল। তুমি কাষত আচলা ধঙাখিনি তুমাৰ মুখত ভৰে দিলাক।

ওজা ঃ হেই কাৰ মুখৰ ঢোৱা কাৰ মুখত দিব।

ডাইনাপালী ঃ তেনেহ'লে ভাঙুৰীক পষ্টঅফিচত যাব ক তাতে এটা একাউণ্ট খুলি ধহাখিনি থৈ আহক।

ওজা ঃ ক'ত পোষ্ট অফিচত ধোৱা থব। ওপৰ ফালে মুখ কৰি শূন্যত এৰি দিব।

ডাইনাপালী ঃ সেইকাৰণে বোম বুলি ভাঙুৰী আগতে শূন্যক আহ্বান কৰে।

ওজা ঃ এতিয়া তুমি ভোলাৰ অৰ্থ কৰি দিয়া।

ডাইনাপালী ঃ আটচা তুমি কলা ভোলানাথ, মই কলো বোম। ইটা তুমাৰ তাৰপে ভোলাটু আনা আৰু মোৰ তাৰপে বোমটু নি যোগ কৰিলে বোম + ভোলা = বোমভোলা

ওজা ঃ কৰিলো যোগ

ডাইনাপালী ঃ এইবাৰ বিয়োগ কৰা

ওজা : কৰিলো বিয়োগ

ডাইনাপালী : এইবাৰ হৰণ কৰা

ওজা : বাৰু কৰিলো হৰণ

ডাইনাপালী : এইবাৰ পূৰণ কৰা

ওজা : কৰিলো দা পূৰণ

ডাইনাপালী : ইটা দালি চম্ভাৰ মাৰি দে ভৰ ভৰকে উঠক। বাৰু ওজা।
বোম + ভলা = বোম ভলা হলনা?

ওজা : তেনেকৈ হব। বাৰু আমি উভয়কে প্ৰণাম জনালো।

**** *** ****

ওজা : সৰস্বতৈঃ মহাভাগে বিদ্যা কমল লোচনে
বিশ্বযাৰূপে বিসালক্ষী বিদ্যাং দেহী নমঃ নমঃ

ডাইনাপালী : কাক প্ৰণাম কৰিছা।

ওজা : সৰস্বতীক

ডাইনাপালী : এটা ভাল দেৱতাক সেৱা কৰিব প নাই।

ওজা : সৰস্বতী দেৱতা নহয় বুলি যে কৈছা, তুমি সৰস্বতীক চিনি পোৱা?

ডাইনাপালী : পাওতো, মই প্ৰথম মানত পঢ়াৰ পৰাই সৰস্বতীক চিনি পাওঁ।

ওজা : সৰস্বতী ক'ত দেখা পাইছা?

ডাইনাপালী : আমাৰ ঘৰতে

ওজা : তুমি বৰ ভাগ্যৱান দে, যি সৰস্বতীক পাবৰ কাৰণে ছাত্ৰ-

ছাত্ৰী পূজা কৰে, সেই সৰস্বতীক তোমাৰ ঘৰতে পাইছা।

ডাইনাপালী ঃ আমাৰ ঘৰত মোৰ পঢ়া টেবুলত বাহা এ বান্ধিছিল হা।

ওজা ঃ বাপৰে কি ক হা

ডাইনাপালী ঃ অ কেইবা দিনো মাইলুও

ওজা ঃ সৰস্বতীক মাইৰাছ, তোমাৰ টেবুলত বিচনা পাতি কৰি লৈছিল বোধয়?

ডাইনাপালী ঃ ক'ত টেবুলত হা, কিতাপৰ মাজত

ওজা ঃ আচৰিত কথা হা, বাৰু কচোন তেওঁৰ পোচাকটো কেনেকুৰা, ভৰি দুখন বৰ ধুনীয়া নহয়।

ডাইনাপালী ঃ তুমি আকৌ নাজনা, তেওঁ ইমান জাগা ঘুৰি ফুইৰবা লাগে, ইস্কুল, কলেজ যাবা লাগে দুখান ভৰি দি হব, ভৰি বহুত।

ওজা ঃ আচৰিত সৰস্বতীৰ ভৰি বহুত। ওখ কিমান?

ডাইনাপালী ঃ তুমি আকো নাজানহা, তুমি সৰস্বতীক চিনি নাপ। ধানখেৰৰ মান ডাঙৰ। তথাপি যদি চিনি পনাই ৰাতি আন্ধাৰত যদি সৰস্বতীক পিহা মাৰি দেও জাগাখিনি পোহৰ কৰি দিব।

ওজা ঃ ঐ ভোদা, সেইটোক সৰস্বতী চেলা বুলি কয়।

ডাইনাপালী ঃ মই ভাইবচু ইচকুল কলেজ বহুত, সৰস্বতী বহু জাগা ঘূৰিব লাগে সেইকাৰণে বহুত ঠেংঙেদি ৰেল গাড়ীৰ দৰে যায় থাকে। আজিহে বুলি পালু দে মোৰ কিতাপৰ মাজত থকাটো সৰস্বতী চেলা।

ওজা : কামাখ্যা বৰদা দেৱী নীলপৰ্বত বাশিনী
তং দেৱী জগত মাতা...

ডাইনাপালী : কামেশ্বৰী আবুৰ লালাক গাওবুৰা আতা

ওজা : ছি কি কথা কলা। এনে ভদ্র সমাজ এখনত এনেকুৱা কথা কবলৈ তোমাৰ বেয়া লগা নাই?

ডাইনাপালী : মই কি বেয়া কথা কলু হা।

ওজা : তুমি কি লালাক

ডাইনাপালী : লালাক মাইহনাক কি বৈয়া কথা কলু হা, আই হাতক সুধাচোন তাহ্নন লালাক মাইহনাক হৈনা নহয়।

ওজা : কথাটো নহোৱা নহয়। কিন্তু আজিকালি এইবিলাক শব্দ নকয়, ক'ব নালাগে।

ডাইনাপালী : কব নালাগে সেইকাৰণে বাচাহাত চোব ৰহৰতলে গৈছে।

ওজা : কথাটো সচা কিন্তু তুমি কোৱাৰ দৰে লালাক নহয়, লালক বিয়াৰ দিনৰ পৰা ছোৱালীজনীৰ লালন-পালনৰ দায়িত্ব যিজনে লয়, তেওঁ লালক, সাধৰণতে তেওঁক স্বামী বুলি ধৰিব পাৰা।

ডাইনাপালী : আৰু মাইহনাক

ওজা : আচলতে মহিনাক। অৰ্থাৎ যিজনী কৰ্ম আৰু ব্যৱহাৰৰ জৰিয়তে ঘৰখন মোহিত কৰি ৰাখিব পাৰে তেওঁক মহিনাক বুলি কোৱা হয়।

ওজা : তুমি কি কলা কামেশ্বৰী আবু তাৰমানে।

ডাইনাপালী : তুমি কাক সেৱা কৈছা

ওজা ঃ মই কামাখ্যা দেৱীক প্ৰণাম কৰিছো

ডাইনাপালী ঃ সেইটোৱে মোৰ মামাথেৰ আবু

ওজা ঃ তুমি বৰ অসম্ভৱ কথা বিলাক কোৱা হে। জগত মাতৃ কামাখ্যা দেৱীক তুমি আবু বুলি কৈছা।

ডাইনাপালী ঃ অ আবু বুলি কৈছু।

ওজা ঃ তুমি সম্বন্ধটো বুজাই দিব লাগিব।

ডাইনাপালী ঃ দেউ দা

ওজা ঃ বুজাই দিয়া

ডাইনাপালী ঃ আটছা মামাথেৰ আবু কোনটু

ওজা ঃ মাৰ মাকক মামাথেৰ আবু বুলি কয়।

ডাইনাপালী ঃ বাৰু ওজা, আমি মনসা পূজা গাবা যাও।

ওজা ঃ যাও

ডাইনাপালী ঃ মনসাক আমি কি বুলি সম্বোধন কৰো

ওজা ঃ মা বুলি

ডাইনাপালী ঃ মনসা কামাখ্যাৰ কি হৱে

ওজা ঃ জীয়েক হয়

ডাইনাপালী ঃ আটচা মনসা মা, তেওঁৰ মাক কামাখ্যা যদি মাৰ মাকটু আবু হৱে তে কামাখ্যা মোৰ আবু নহে কি হ'ল।

ওজা ঃ আমি প্ৰতিজনী দেৱীক মা সম্বোধনে কৰিব লাগে।

ডাইনাপালী ঃ আমি সম্বন্ধ ধৰি মাতিম।

*** *** ***

# গুৰু

ওজা : গুৰু ব্ৰহ্মা, গুৰু বিষ্ণু, গুৰু মহেশ্বৰ
চৰাচৰ জগতৰ গুৰুহে ঈশ্বৰ

ডাইনাপালী : অ'

ওজা : কি অ' একো মাত নাই দেখো

ডাইনাপালী : গুৰু

ওজা : কি হ'ল গুৰু গুৰুৰ বিষয় নাজানা

ডাইনাপালী : তোমাত কৰি বেছি জানো

ওজা : বাঃ মোক কৈ বেছি জানা? বাৰু তেনেহ'লে তুমি কোৱাচোন, আমাৰ মানে শূদ্ৰৰ গুৰু কোন?

ডাইনাপালী : ব্ৰাহ্মণ

ওজা : ঠিকে কৈছো শূদ্ৰৰ গুৰু ব্ৰাহ্মণ, ব্ৰাহ্মণৰ গুৰু জানানা?

ডাইনাপালী : জানু, ব্ৰাহ্মণৰ গুৰু অগ্নি।

ওজা : সচা ব্ৰাহ্মণৰ গুৰু অগ্নি। সেই কাৰণে আগৰ দিনত ব্ৰাহ্মণৰ মুখেদি জুই ওলাইছিল।

ডাইনাপালী : সেই কাৰণে ব্ৰাহ্মণৰ তিৰি দেচলাই নিকনে।

ওজা : জুই ক'ত পাই।

ডাইনাপালী : চাতিখোৰ ব্ৰাহ্মণৰ মুখৰ কাষত নিলে ভোতকৈ জ্বলি যায়। এটা কথা হা ওজা। তুমি ক কথাতু সত্য দে, ব্ৰাহ্মণৰ মুখেদি জুই অলতু হে। জুইকুৰা গতাই নুমনাই হা ইতাও। ঠাণ্ডাৰ দিনত ব্ৰাহ্মণৰ মুখেদি ধহ অলোই হা, জুই কুৰা উমি উমি জ্বলি আছে হান পাও।

ওজা : সেইবিলাক বাদ দিয়া। গুৰুৰ কথাক লাগি আহা,

ব্ৰাহ্মণৰ গুৰু অগ্নি, বাৰু ডাইনাপালী অগ্নিৰ গুৰু আছে নে নাই?

ডাইনাপালী : আছে

ওজা : অগ্নিৰ গুৰু?

ডাইনাপালী : চৌকা

ওজা : চৌকাৰ গুৰু আছেনে?

ডাইনাপালী : চৌকাৰ গুৰু কৰেহি

ওজা : কৰেহিৰ গুৰু?

ডাইনাপালী : কৰেহিৰ গুৰু ভাজামাছ

ওজা : আৰ বোধয় নাই।

ডাইনাপালী : কিয় নহ'ব ভাজামাছৰ গুৰু আছে

ওজা : ভাজামাছৰ গুৰু

ডাইনাপালী : বোন্দা মেকুৰী।

ওজা : কি কোৰা হে যায় যায় বোন্দা মেকুৰীয়ো গুৰু হ'ল। আৰ বোধয় গুৰু নাই

ডাইনাপালী : কিয় নহ'ব আছে

ওজা : বোন্দা মেকুৰীৰ গুৰু আছে

ডাইনাপালী : আছেটো

ওজা : বোন্দা মেকুৰীৰ গুৰু কোন?

ডাইনাপালী : বোন্দা মেকুৰীৰ গুৰু আধাপুৰা কাঠখৰি।

ওজা : বাহ গুৰুৰ হিচাব।

*** *** ***

## ব্ৰাহ্মণৰ লক্ষণ

ওজা : ডাইনাপালী তুমি ব্ৰাহ্মণ চিনি পোৱা

ডাইনাপালী : সদায় বামুনৰ লগত পূজা গাই ফুৰু মই, বামুন চিনি নাপাও?

ওজা : বাৰু যদি চিনি পোৱা বামুনৰ গুণ কেইটা কোৱাচোন।

ডাইনাপালী : নক কিয়?

ওজা : তুমি বোলে জানা হা।

ডাইনাপালী : জাইনলু বুলি কম না।

ওজা : তাৰ মানে নাজানা।

ডাইনাপালী : জানু নকও।

ওজা : মই কও শুনা ব্ৰাহ্মণৰ লক্ষণ পাঁচটা। তিলকং যজ্ঞসূত্ৰচ্য, ত্ৰিসন্ধ্যা হৰিপুজনম, শিক্ষাগষ্ঠি সমে যুক্তা পঞ্চ লক্ষনম ব্ৰাহ্মণ।

ডাইনাপালী : তোমাতকে মই আগে জানু।

ওজা : জানা যদি অৰ্থ কৰি দে।

ডাইনাপালী : নেদ কিয়া

ওজা : তিলকং যজ্ঞসূত্ৰঞ্চ কপালট টিলকৰ ফোটা, গাত যজ্ঞসূত্ৰ মানে নগুণ, ত্ৰিসন্ধ্যা হৰি পূজনম্ মানে দিনটোত তিনিবাৰ সন্ধ্যা পূজা কৰে।

ডাইনাপালী : বাকীখিনি মোৰ লগত মিলিছে দা।

ওজা : দেচোন তোমাৰ মতে কছোন শুনু।

ডাইনাপালী : মই অসমীয়াত কম।

ওজা : ক

ডাইনাপালী ঃ কপালত দীর্ঘ ফোটা, পাচৰ দেখি লেঙটিটু গোটা, দৈ চিৰা ভক্ষণ, এতু ভাল বামুনৰ লক্ষণ।

ওজা ঃ তুমি যি কলা লেঙটিটো গোটা

ডাইনাপালী ঃ অ' হাতে বজাৰে বামুন চিনি পাবা তুমি লেঙটিতে। বামুনে লেংটি পাকে মাৰে আৰু বামুন তাতে চিনি পাবা।

ওজা ঃ আচ্চা ডাইনাপালী এটা বস্তু তুমি লক্ষ্য কৈছা না। ব্ৰাহ্মণ বিলাকে প্ৰেচাব কৰিব ধৰিলে পিচৰ ফালে লেঙটিটোত ধৰে কাৰণ কি হা।

ডাইনাপালী ঃ বাখনা বৈয়া, আচলটুতে ধৈছা। বাৰু ওজা তুমি জানানা, জগতত কিছুমান টান বস্তু, কিছুমান ঢিলা বস্তু আছে।

ওজা ঃ আছে।

ডাইনাপালী ঃ যেনে টানৰ টান মদাৰ গছৰ পান
উজনিমুৰা জান
সুৰুজ মুখে হাঠান
সকলোতকৈ টান কাৰৈ মাছ বাচান
একেটা কথা বৰ টান।।

ওজা ঃ আৰু ঢিলা বস্তু।

ডাইনাপালী ঃ ঢিলৰ ঢিল নাৰায়ণ পূজাৰ ভোগ, টল টল কে গিল।

ওজা ঃ কি ক'ব ধৰিলা মই সুধিলো ব্ৰাহ্মণে প্ৰেচাব কৰিব ধৰিলে কিয় লেঙটিত ধৰে আৰু তুমি কোৰ পূজাৰ ভোগৰ কথা ক'ব ধৰিছা।

ডাইনাপালী ঃ এইটো ৰেফাৰেঞ্চ দিয়া হৈছে। নাৰায়ণ পূজাৰ ভোগ জগতত সকলোত কৰি ঢিলা বস্তু। অলপ কাচা গুৰা,

দৈ-গাখীৰ, ফুইটা গাখীৰ কল, ঘিউ, মৌ, চেনি, মিঠে দি লেটো পেটো কৰি সানি দে, হল হল কৰি ঢালি দে শল শল কৰি যায় থাকক, ব্ৰেগ মাইল্লিও নাথামে।

ওজা ঃ মই বুজা নাই, সোধো কিবা, তুমি উত্তৰ দিয়া কিবা।

ডাইনাপালী ঃ ৰবা নাজনও, কবাও নেদা। এই ঢিলা বস্তু ব্ৰাহ্মণে সদায় খায়, আজি তুমাৰ ঘৰত এক দোনা, মোৰ ঘৰত এক বাটি, কাবাৰ ঘৰত এক গিলাচ। এইটো তাহাৰ সদায় চলিয়েই থাকে। তাহুন লেঙটি গটাকে নামৰি আমি মাৰিম।

ওজা ঃ ভোগ খালে বাৰু সেই বুলি প্ৰেচাব কৰাৰ সময়ত লেঙটিত ধৰিবনা।

ডাইনাপালী ঃ লাগিব দা কাৰণ প্ৰেচাব কৰোতে পাচৰ দৰ্জাখানো খলা যাব পাৰে, সেইকাৰণে লেঙটিত টানি ধৰি থাকে।

ওজা ঃ কাৰণ সেইটো নহয়, শাস্ত্ৰত কৈছে অমুক্ত পুস্ত্ৰবস্ত্ৰেন, মুত্ৰ সৌচ কৰন্তি দ্বিজ, দক্ষিণে পিবন্তী দেৱতাস্বগে, বামে পিতৃ পিতামহ।

ডাইনপালী ঃ বুজি পালো দে।

ওজা ঃ কি বুজিলা আচলতে লেঙটিটো খুলিব লাগে, নহলে

ডাইনাপালী ঃ কানি কাপোৰে লেটো পেটো হ'ব।

ওজা ঃ নহয়, নাপাই, লেঙটিৰ সোফালেদি প্ৰেচাব কৰিলে দেৱতাৰ মুখত পৰে। বাওফালেৰে প্ৰেচাব কৰিলে পিতৃ পিতামহৰ মুখত পৰে।

ডাইনাপালী ঃ তে খুইলবা এৰি এনাই দুখুন খামচা মাৰি ধৰি থাকে

হা।

ওজা ঃ সময় সুবিধাৰ বাবে হ'ব পাৰে।

*** ** ***

## মাকৰ টাং

ওজা ঃ পোলস্ত মুনি যজ্ঞুৰ চিঠিখনি লৈ ঘৰলৈ গ'ল, চিঠিখনি মাটিত নমাই ঠৈ।

ডাইনাপালী ঃ মুনি আতলোক লাগি উঠি গেল। মাকৰ টাং টু নামে আইনলাক, চিঠিখন ভৰে ললাক।

ওজা ঃ কি নামে আইনলাক, কৰ পৰা আনিলাক

ডাইনাপালী ঃ মাকৰ টাং

ওজা ঃ কি মাকৰ টাং হা

ডাইনাপালী ঃ তুমি মাকৰ টাং নাজান। তেনেহ'লে মই তুমাক এটা কথা সুইধবা লাইগবো। আটচা ওজা তুহাৰ মাৰেৰ বিয়া হৈছিনা?

ওজা ঃ এই ভদ্র সমাজৰ মাজত কি কথা সুধিব আহিছা তুমি। মোৰ মাৰ বিয়া নহোৱাকে মোৰ জন্ম হ'ল কেনেকৈ?

ডাইনাপালী ঃ কথাতু হৈ হা। পাচে ওজা যদি মায়েৰ বিয়া হৈছি, মাইমেথেৰ অৱস্থা ভাল নাছিল নেকি?

ওজা ঃ তেনেকুৱা বেয়া নহয়, মধ্যম

ডাইনাপালী ঃ বাৰু ওজা তেনেহলি মায়েক বিয়া দিয়াতে কাপোৰ কানি থবা লগত আকৌ দেনাই?

ওজা ঃ দিছিল এটা ট্ৰাঙ্ক।

ডাইনাপালী ঃ সেইতু নতুনকৈ টাৰাং। পূৰণ হৈ ৰং তু উঠি গেলি ৰঙৰ লগে লগে ৰকাৰ ডাল গুছি যায়, টাৰাং গুচি টাং হৰে। মাৰেৰ টাং বহোথেৰ টাং।

ওজা ঃ ট্ৰাংটো ক'ৰ পৰা নমাই আনিলে।

ডাইনাপালী ঃ আতালৰ পৰা

ওজা ঃ মই বুজা নাই।

ডাইনাপালী ঃ পূৰণ মাত কথা ক'ত বুইজবা, নতুনৰ কথা কলি বুইজবা। আতল মানে চিলঙৰপে নামে আইনলাক।

ওজা ঃ মেঘালয় চিলং আগত যি অসমৰ ৰাজধানী আছিল।

ডাইনাপালী ঃ বাইপেৰ মুৰা সেই চিলং। ঘৰৰ মইজাৰ ওপৰোত বস্তু তুলি থৱে যি হা।

ওজা ঃ ঐ ভোদা তাকে চিলং নকয়। চিলিং বুলি ক'ব লাগে।

*** *** ***

## নাক দীঘল তিৰী

ওজা ঃ কি চাইছহা ডাইনাপালী

ডাইনাপালী ঃ বুঢ়ীতুক চাইচু ৰবা, বাহ নাকতু ইমান দীঘল, বঢ়ীতুক বিয়া কৰা বুৰাতু বৰ ভাগ্যবান দে।

ওজা ঃ নাক দীঘল হ'ল কি হ'ল।

ডাইনাপালী ঃ বুৰাৰ সুখৰ সংসাৰ।

ওজা ঃ এহ হৈ দিয়া নাক দীঘল হলে সুখৰ সংসাৰ।

ডাইনাপালী ঃ তুমি বুজা নাই, আমাৰ আতাই মোক কি কৈছিল জানা, বুলে বাপু মই তোৰ বিয়াক লাগি নাথকু, তোৰ বিয়া চাবা নাপাও। পাচে বাপু মই বাচি থাকোতে এটা বুদ্ধি দেউ দে।

ওজা ঃ মৰাৰ আগতে আইতে বুদ্ধি দিলাক।

ডাইনাপালী ঃ দিলাক, মোক কলাক বাপু আপী চাবা গেলি তই আপীৰ ৰূপ নাচাবি। আপীতু কানা হক, কুজা হক, আখান ভৰি খৰা হ'ক, এগলা আকৌ আপত্তি নকেইৰবি।

ওজা ঃ কানা, কুজা, খৰা একো চাব নালাগে, তেনেহ'লে কি চাব লাগিব।

ডাইনাপালী ঃ নাকতু, নাকতু যদি দীঘল হৱে সিননাই আপীক বাইনা দে।

ওজা ঃ বাৰু ডাইনাপালী নাক দীঘল তিৰীৰ কিবা কাহিনী তুমি জানা।

ডাইনাপালী ঃ জানো।

ওজা ঃ বাৰু কোৱাচোন?

ডাইনাপালী ঃ একযোৰা বামুন বামুননী আছিল। সেহাতৰ অৱস্থা বৰ বেয়া। আকদিন বামনেনী বামুনক কলাক বুলে শুনছিনা।

ওজা ঃ কি হ'ল।

ডাইনাপালী ঃ এঙ্কে কি বহি থাকে। আমাৰ ৰজা বুলে বৰ দয়ালু। ৰজাৰ তাকে গেলি কিজেনি অলপ পইচা চইছা দিলাকে হৈ।

ওজা ঃ যাবা পাৰু ৰ। পাছে এটা অসুবিধা মানে বামুন মানুহে তিনিখন কাপোৰ গাত নহলে খোজ কাঢ়িব নাপাই।

পিছে মোৰটো তিনিখন কাপোৰ নাই।

ডাইনাপালী : ৰব মই ববীতাৰ মাকৰ তাৰপে আখান গামচা আনি দেউ।

ওজা : গামোচা এখন আনি দিলে, ব্ৰাহ্মণে পিন্ধা ধুটিখন, লগুণডাল আৰু গামোচাখন মুঠ তিনিখন কাপোৰ কৰি ৰজাৰ ঘৰলৈ গ'ল।

ডাইনাপালী : ইতিমধ্যে বামুনে ভাবিলে ৰাস্তাই দি ঘুৰি গেলি বহু পলম হৈ যাব মই পথাৰেদি চিধাকে যৰে ভাল।

ওজা : বামুনে যায় যায় এটা নদী পালে। ইফালে ব্ৰাহ্মণৰ বৰ পিয়াহ লাগিছে।

ডাইনাপালী : বামুনে নদীত নামি প্ৰথমে হাত-ভৰি ধুই ললাক। পানী খাও বুলি আক আজলি পানী মুখক লাগি নেতে

ওজা : ব্ৰাহ্মণৰ কান্ধৰ গামোচাখন পানীত পৰি গ'ল।

ডাইনাপালী : পানীৰ ধাৰে গামোচাখন ভাহে নিলাক। বামুনে চাই ৰ'ল। হাও গামোচাখন গেল।

ওজা : দুখে বেজাৰে ব্ৰাহ্মণ ৰজাৰ ঘৰ পালে।

ডাইনাপালী : মহাৰাজৰ জয় হক।

ওজা : কৰ পৰা আহিল আপুনি।

ডাইনাপালী : মই বামুন পাৰাৰ পৰা আইছু।

ওজা : আপুনি ব্ৰাহ্মণ নেকি?

ডাইনাপালী : হয় মহাৰাজ।

ওজা : আমি শুনিছো ব্ৰাহ্মণ মানুহৰ গাত তিনিখন কাপোৰ নহলে বোলে খোজ কাঢ়িব নেপাই।

ডাইনাপালী : হয় মহাৰাজ।

ওজা : তেনেহলে আপোনাৰ গাত

ডাইনাপালী : মই বৰ দুখীয়া মানুহ মহাৰাজ। আমাৰ ঘৰত কাপোৰ নাছিল। বামনেনী আকঘৰৰ পে আখান গামোচা আনি দিছিল।

ওজা : গামোছাখন কি হ'ল।

ডাইনাপালী : নদীত পানী খাবা ধৰাতে পানীত পৰি ভাহি গেল।

ওজা : পানী বৰ দৰ আছিল বোধয় ?

ডাইনাপালী : আকাঠুমান আছিল পানী ?

ওজা : একাঠু পানীৰ পৰা আপুনি গামোচাখন আনিব নোৱাৰিলে, আপুনি কেনে ব্ৰাহ্মণ হে। লওক এই দহটোলা সোণ দিলো। লৈ যাওক। ইও এক সিও এক।

ডাইনাপালী : সোণা লৈ বামুনে ঘৰক গেল। দুৰৰ পৰা বামনেনীক মাইতছি ঐ বামনেনী হ এই দহতোলা সোণ দিছি।

ওজা : বাহ দলতোলা সোণ, আমাৰ ৰজা বৰ ভাল। মাজে মাজে...

ডাইনাপালী : ঐ মই খাবা নাপে মৰি যাম, আৰ ৰজাৰ তাকে কুনু দিন নাযাও।

ওজা : কিয়, কি হ'ল, বাৰু গামোচাখন ক'ত ?

ডাইনাপালী : তাকে কওতে ৰজাই গালি দিছি।

ওজা : কি গালি দিলে, কিয় গালি দিলে ?

ডাইনাপালী : ৰজাই কৈছি তিনিখন কাপোৰ নহলে ব্ৰাহ্মণ মানুহে খোজ কাঢ়িব নাপাই।

ওজা : মইতো আপোনাক গামোচা এখন আনি দিছিলো।

ডাইনাপালী ঃ দেতু হৈ পাচে নদীত পানী খাবা ধৰাতে গামোচাখান পৰি ভাহি গেল।

ওজা ঃ বাৰু ৰজাই কি গালি পাৰিলে।

ডাইনাপালী ঃ ইয়ো এক সিও এক।

ওজা ঃ কালি আপুনি ৰজা ঘৰক আৰু যাব লাগিব।

ডাইনাপালী ঃ আৰ মৈল্লিও নাযাও।

ওজা ঃ যাব লাগিব। শুনক এই শিলটো আপুনি লৈ যাওক। এই শিলটো ৰজাক দি আপুনি কব কালি আপোনাৰ দক্ষিণা পাই আমাৰ ব্ৰাহ্মণী বৰ সন্তুষ্ট হৈ আপোনালৈ এই শিলটো উপহাৰ দিছে।

ডাইনাপালী ঃ ইবাৰ দক্ষিণা হাতত নেদে গলত দিব, ৰজাৰ দেশত শিল নাই।

ওজা ঃ আপুনি একো নেজানে, মোৰ ওচৰলৈ আহক মই আপোনাক মনে মনে বুজাই কম।

ডাইনাপালী ঃ বা বামুনী তোৰ ইমান বুদ্ধি।

ওজা ঃ শিলটো কাপোৰত টোপোলা বান্ধি ব্ৰাহ্মণ পুনৰ ৰজাৰ ঘৰলৈ গ'ল।

ডাইনাপালী ঃ মহাৰাজৰ জয় হওক।

ওজা ঃ আপুনিতো কালিও আহিছিল।

ডাইনাপালী ঃ হয় মহাৰাজ, কালি আপোনাৰ দক্ষিণা পাই আমাৰ বামনেনী এটু উপহাৰ দিছি।

ওজা ঃ এইটো দেখো এটা শিল। মোৰ ইয়াত শিল নাই।

ডাইনাপালী ঃ নহয় মহাৰাজ, এটু বিশেষ গুণ বিশিষ্ট শিল।

ওজা : কি গুণ আছে শিলটো

ডাইনাপালী : এই শিলটো পানীত ভাহে।

ওজা : অসম্ভৱ, শিল পানীত নাভাহে।

ডাইনাপালী : ভাহে।

ওজা : যদি নাভাহে

ডাইনাপালী : নাভাইলিও ভাইভো।

ওজা : মই এতিয়াই প্ৰমাণ চাম। ঐ কোন আচা, এক চৰীয়া পানী লৈ আহা। এইয়া এক চৰীয়া পানী।

ডাইনাপালী : দেও শিলটু পানীত ফেলে দেওক।

ওজা : চাব এইয়া মই শিল পানীত পেলাই দিলো। কি হ'ল, শিল দেখো পানীৰ তলত পৰিল।

ডাইনাপালী : ইয়ো এক সিও এক।

ওজা : কিয় কৈছে আপুনি মোক ইয়ো এক সিও এক।

ডাইনাপালী : কালি আপুনি মোক কিয় কৈছিল

ওজা : মই কোৱাৰ অৰ্থ আছে।

ডাইনাপালী : মোৰো আছে।

ওজা : শুনক ব্ৰাহ্মণ মই কিয় কৈছিলো। অগস্তী মুনি ব্ৰাহ্মণ আছিল। অগস্তী মুনি সাত সাগৰৰ পানী গন্দুস কৰি খাই পেলাইছিল। আপুনিয়ো ব্ৰাহ্মণ, এক আঠু পানীৰ পৰা গামোচাখন আনিব নোৱাৰিলে। ইও এক মানে অগস্তিয়ে ব্ৰাহ্মণ সিও এক মানে আপুনিয়ো ব্ৰাহ্মণ।

ডাইনাপালী : মইয়ো সেই কাৰণে কৈছো। সিতা উদ্ধাৰৰ কাৰণে ৰামে শিলেদি সাকো বান্ধিছিল। শিল বিলাক ভাহি আছিল

না তল গেছিল?

ওজা : ভাহি আছিল।

ডাইনাপালী : ৰাম কুন আছিল।

ওজা : অযোধ্যাৰ ৰজা।

ডাইনাপালী : আপুনি

ওজা : মইয়ো এই দেশৰ ৰজা

ডাইনাপালী : সেই কাৰণে কৈছো ৰাম ৰজাই সাগৰত শিল ভাহে থৈছিল। আপুনিও ৰজা চৈৰাৰ পানীত এটা নাউমান শিল ভাহাবা নৈলাক। সেই কাৰণে কৈছো ইও এক সিও এক। ৰামো ৰজা, আপুনিয়ো ৰজা।

*** *** ***

## তিনি কালা

ওজা : হেৰা হালুৱৈ মোৰ ছাগলী পালটো এইফালে গৈছে নেকি? দেখিচেনা?

ডাইনাপালী : অ' এই চাৰিবিঘা মোৰ নিজৰ মাটি আৰু দক্ষিণে এই তিনি বিঘা বন্ধকি ৰাখা।

ওজা : ও ছাগলী কেইটা দক্ষিণফালে গৈছে?

ডাইনাপালী : পাৰা খেনি কৰিম দে।

ওজা : অ' বাপা হাউলে তুমি মোৰ বৰ উপকাৰ কৰিলা? তোমাৰ কথা মতে ছাগলী কেইটা দক্ষিণফালে পালো। এই খৰা পাঠাটু তুমি খাবা।

ডাইনাপালী ঃ কি কথা কবা আইচ হা, মই তোমাৰ ছাগালে দেখা নাই? কেইতে মই তুমাৰ ছাগাল খৰা কৰিলুহা। হাল ব মানহু খং তুলিবা নাহিবা? পাঠা লৈ য যি কৰা কৰানি?

ওজা ঃ নালগেদা মৰমতে দিছু মই।

ডাইনাপালী ঃ কথা বৈয়া হ'ব কৈছু। মিচা মিচি বদনাম নেইদবা? তোমাৰ ছাগাল মই দেখাএ নাই। কুনি কবা পাৰে তুমাৰ পাঠা মই খৰা কইছু বুলি।

ওজা ঃ বাপাহাৰে হাল মেলি যতে ঘৰক লৈ যাবা।

ডাইনাপালী ঃ ঐ বুৰী বাৰে বাৰে আকেতা কথা, দেচুনতে তোকে দুই কুব বহং।

ওজা ঃ আইয়ো আইয়ো মোক মাৰা কিয়? আজি বিচাৰ হ'ব গাওঁবুঢ়াৰ ঘৰক লৈ যাম।

ডাইনাপালী ঃ ও গাওঁবুঢ়া ঘৰত আছে আমাক আখান বিচাৰ কৰি দেক। মই হাল বাই আছু জাইনচি। এই বুৰী এই পাঠাতো মোৰ কাষক লৈ আইচি। মই বুলে পাঠাটু খৰা কৈলু। মিচা বদনাম কিয় দিব মোক বিচাৰ কৰি দেক।

ওজা ঃ মৰমতে মই পাঠাতু খাবা দিলু বুলি আৰু কিহৰ মচলা আলু কিনবা পইচা দি লাগে হা।

ডাইনাপালী ঃ তুমালোকে কি ধেমালি পাইছা। মোৰ তিৰি, মোৰ কথা লাগিছে তিৰীৰ লগত মোৰ নিজৰ কথা। মই ভাত নাখাও খুছিছো নাখাও কিহৰ পাঠা খুৱাবা আহা। পাঠা নহয় খাহী আহিলেও নাখাও খুজিছো ভাত নাখাও।

# হাই পেচাপ

ওজা : তেনেহলে মাহী ডাক্তৰৰ তাতে গৈছিল?

ডাইনাপালী : গেচলু দে আই

ওজা : কি কলাক ডাক্তৰে

ডাইনাপালী : আগে বৈভা দিলাক

ওজা : আপোনাৰ কি হৈছে?

ডাইনাপালী : সেতু জাইনলি আপোনাৰ তাকে আহু না।

ওজা : বাৰু কি অসুবিধা পাইছে আপুনি?

ডাইনাপালী : মোৰ গাতুত বল নাই। মাঠাতু ঘুৰে, পেটটু পুৰে, হাত ভৰি জিন জিন কৰে। খাই উঠাৰ পিছত ভখ মুথে নালাগে।

ওজা : মই চাও আপুনি বিচনাখনত শুই দিয়ক? হাতখন ভালকে দিয়ক।

ডাইনাপালী : পাচে মোক ডাক্তৰে পাম দি চালাক।

ওজা : আপোনাৰ হাই প্ৰেচাৰ হৈছে?

ডাইনাপালী : হৈ দক ডাক্তৰ বাবু কেইদিন মানৰ পৰা মই অনুমান কৈচু মোৰ পেচাপে হৈছি। পিচে ডাক্তৰ বাবু পেচাপটু আগৰ দৰে নাই ইটা পেচাপটু পাইনা হৈছি।

ওজা : তাকে পেচাপ নকৈ প্ৰেচাৰ বুলি কই। পাচে ঔষধ পাতি কিবা দিলে নে নাই?

ডাইনাপালী : দিচি ৰ মই কওৰচুন।

ওজা : এই পিল কেইটা লক আপুনি? মিলৰ পিছত দিনে দুবাৰ খাব লাগিব। ঔষধখিনি শেষ হলে আকৌ আহিব।

ডাইনাপালী ঃ হব দক চাৰ।

ওজা ঃ ভাল পাব যাওক।

ডাইনাপালী ঃ উহ উহ ডাক্তৰবাবু।

ওজা ঃ হেৰ আপোনাৰ ভৰিত কি হল।

ডাইনাপালী ঃ লেমৰ ভাঙা চিমনী কাইতলাক ডাক্তৰবাবু।

ওজা ঃ ইচ ইচ আপোনালোক বৰ অসাৱধান। ভঙা লেমৰ ছিমনী কত পেলাইছিল আপুনি?

ডাইনাপালী ঃ মোৰ ঘৰত কাটা নাই দেওক ডাক্তৰ বাবু?

ওজা ঃ তেনেহ'লে ক'ত কাটিলে?

ডাইনাপালী ঃ মিলৰ পিছত ঔষধ খাব যাওতে কাইতচি ডাক্তৰবাবু।

ওজা ঃ কি মিলহে।

ডাইনাপালী ঃ ধান বানা মিল।

ওজা ঃ কি বুজি নপোৱা মানুহ হে আপুনি? মিলৰ পিছত বুজি নাপাই। এটা নতুন বেমাৰ চপাই ললে। এই কাগজখন লক সেইটো ৰূমত নাৰ্চ আছে ভৰিখন ভালকৈ ড্ৰেচিং কৰি দিব। বিষ আছেনে নাই?

ডাইনাপালী ঃ বৰ বিহ ডাক্তৰবাবু, ৰাতি ঘুমটি আহা নাই।

ওজা ঃ এই দুইবিধ পিল এৰে এটা তাৰে এটা আহাৰৰ পিছত খাব। ভুল নকৰিব, যাওক সেইটো ৰূমক লেগি যাওক।

ডাইনাপালী ঃ উঃ উঃ ডাক্তৰ বাবু।

ওজা ঃ আপোনাৰ দেখো কি অৱস্থা হৈছে। আপোনাক কৈছিলো কি ইমান দিন কি কৰিলে।

ডাইনাপালী ঃ ডাক্তৰবাবু আপুনি ক মতে মই কৈইছু।

ওজা ঃ মই কি কৈছিলো।

ডাইনাপালী ঃ আপুনি কৈছি আহাৰৰ পিছত খাবা। পৰহি দিনা আহাৰৰ দমহি গেছি কালি ১ তাৰিখ ঔষধ খাই আইছু।

ওজা ঃ আপোনালোক বৰ ভোডা মানুহ হে? মিল নুবুজে, আহাৰ নুবুজে। আহাৰ মাহৰ পিছত ঔষধ খাইছে।

*** *** ***

## গণনী

ওজা ঃ অ দেউ আছে?

ডাইনাপালী ঃ কুনি নু

ওজা ঃ মই হে ওলাই আহকচোন।

ডাইনাপালী ঃ গেচু ৰব। অ' আপুনি কি নু খবৰ।

ওজা ঃ মইয়ো এটা কামত আহিলো, মোৰ এটা ল'ৰা জন্মিছে গতিকে...

ডাইনাপালী ঃ আপোনাৰ ল'ৰা, মোৰ তাকে আহিল কিয়া?

ওজা ঃ ল'ৰাটোৰ গণনাখিনি কৰিব লাগিছিল নহয়?

ডাইনাপালী ঃ শাওনৰ মাহত নহয়।

ওজা ঃ শাওনত নহয় কাৰণ

ডাইনাপালী ঃ শাওনৰ উনচল্লিচ তাৰিখক লেগি বুক হৈ আছে।

ওজা ঃ আপুনি দেউ কি কয় হে? শাওনৰ মাহ উনচল্লিচ দিন

হ'ল। বাৰু কওকচোন উনচল্লিচ কিহে কিহে হয়।

ডাইনাপালী : আপুনি মোক শিকাবা আইছি? হেৰি মই মাইনাৰত ফাচ ডিভিজনে তিনিবাৰ ফেল কৈচু। মোক শিকাবা আইচি? দুইত ন উনচল্লিচ।

ওজা : হেৰ দুইত ন উনত্রিশ। বাৰু বাদ দিয়ক? মোক আজি লাগে। আজি পাৰিবনে?

ডাইনাপালী : আপুনি বৰ ভাগ্যবান। আজিৰ দিনটোৱে কেৱল ৰেচ আছে।

ওজা : বাৰু যোগাৰ কি লাগিব কওক।

ডাইনাপালী : গণনীৰ যোগাৰ বেচি নাই। ফুল-তুলশী, ঠগি আখান, ফলি-পেঞ্চিল এক যোৰা, বৰণৰ কাপোৰ এক যোৰা, ডাব নাৰিকল তিনিটা, শুকান নাৰিকল পাঁচটা, আইজুং চাউল আধা বস্তা, দুবৰীবুন এক আটি?

ওজা : বাকীখিনি হ'ব ৰব। চাউল আধা বস্তা আৰু দুবুৰী বন এক আটি

ডাইনাপালী : লাগিব? আশীৰ্বাদ দিওতে

ওম সবিতানী পৰাশুভ যত ভদ্ৰা তন্না শুভ

কান্দক কান্দক পুৰুষ পুৰুহহন্তি

একাটি দুৱেন লগত আনি

ডামুৰী সতৈনচ।

ওজা : হয় আমাৰ ঘৰৰ মানুহ চাৰিজন হে। ইমান চাউল, ডুবা।

ডাইনাপালী : কি চাউলৰ মাঠা মাৰিছে? আজিকালি চাউলৰ মূল্য নাই?

চৰকাৰে বিনা পাইচাই চাউল দি আছে আৰু দুৱৰীখিনি ফেলনি নাজাই। মন্ত্ৰতে আছে আমাৰ ঘৰত এটা মা মৈৰা ডামৰি আছে? দুৱৰীখিনি তাক খুৱাবা পাৰিম।

ওজা : বাৰু হ'ব আপুনি সোনকালে আহিব?

ডাইনাপালী : মই গাতু ধুইয়ে যাম।

ওজা : আহক।

ডাইনাপালী : অ ঘৰত আছে?

ওজা : দেউ আহিয়েই পালাক।

ডাইনাপালী : পালু দিয়ক।

ওজা : ঠগী পতা হয় মানে চাহ একাপ খাব নেকি?

ডাইনাপালী : খাব পাৰি? মইয়ো নাইৰ মুৰে আইচু।

ওজা : চাহ খালি চাহ খাবনে?

ডাইনাপালী : খালি চাহ মই নাখাও। গেষ্টিকৰ লেঠা, খালি চাহ পেটত পৰিলেই...

ওজা : হব দিয়ক আছে নহয় যোগাৰ ঘৰত বনোৱা, বস্তু খাবতো?

ডাইনাপালী : ঘৰত বস্তু ভালহে।

ওজা : হেৰা অলপ হালুৱা বনোৱা হা।

ডাইনাপালী : ৰব, কি বনাবা কৈছি

ওজা : হালুৱা।

ডাইনাপালী : কি কৈৰব?

ওজা : চাহৰ লগত আপোনাক খাব দিম।

ডাইনাপালী : হালুৱা

ওজা : হয়।

ডাইনাপালী : আপোনালোকে চাহৰ লগত খাই। বুৰা হালোৱাৰ হাড়া গিলা চববা পাৰেনে?

ওজা : কি হলোৱাৰ কথা কৈছে আপুনি?

ডাইনাপালী : বুৰা হালোৱা।

ওজা : ছি আপুনি ব্ৰাহ্মণ মানুহ হৈ কি কথা বিলাক কৈছে?

ডাইনাপালী : আপুনিয়ে কৈছে?

ওজা : মই হালুৱা মিঠাইৰ কথা কৈছো।

ডাইনাপালী : দেখাও নাই, খও নাই।

ওজা : ভাল মিঠাই বনাব লাগে, গাখীৰ, চেনি, চুজি।

ডাইনাপালী : অ' ইতাহে পাইছো বুজি। হলিও নাখাও, নামটু বামুনে খ নহয়।

ওজা : তেনেহলে দোকানৰ পৰা আনিব দিও। এ ভাইটী দোকানৰ পৰা তিনিটামান পেৰা লৈ আহ।

ডাইনাপালী : কি কৈৰবা।

ওজা : আপোনাক খাব দিম।

ডাইনাপালী : শিং কিমান দীঘল হৈছি।

ওজা : এই চানাৰ পেৰা।

ডাইনাপালী : পেৰা চানাৰ পেৰাটো ডাঙাৰ হবে।

ওজা : হেৰি আপুনি বৰ ভোদা মানুহহে। এই গাড়ী টনা মহৰ পেৰা নহয়। এইটো গাখীৰৰ চানা।

ডাইনাপালী ঃ আগত শুনিছিলো, চৰাই চানা পাৰে, ইতা গাখীৰেও চানা পাৰা-হ'ল।

ওজা ঃ আপুনি হালুৱা নাখাই, পেৰা নাখাই, তেনেহলে কি দিউ নহলে পুৰি দিউ নেকি?

ডাইনাপালী ঃ কাক পুৰি দিয় হা।

ওজা ঃ ওহ আপোনাক জুই দি পুৰি দিয়াৰ কথা মই কোৱা নাই। আতাৰ পুৰিৰ কথা কৈছো।

ডাইনাপালী ঃ বাৰু খোৱাতো পিছত যি হয় হ'ব। বৰ্ত্তমান গণনাখিনি শেষ কৰো। আগতে লিখি লও মিলা নিমিলা, পিছত কম।

ওজা ঃ বাৰু ভালকৈ গণনা কৰক।

ডাইনাপালী ঃ মোৰ লিখা মেলা হৈছি, ইটা মিলা নিমিলা চাব। ল'ৰাটো জন্মৰ সময়ত মাক ঘৰত নাই।

ওজা ঃ কি আচৰিত কথা কয় হে আপুনি, মাক নহোৱাকৈ ল'ৰাৰ জন্ম হ'ব? কি গণনা কৰে হে?

ডাইনাপালী ঃ কানাতুতে আপুনি লাগেছি।

ওজা ঃ মই কি কানা লাগালু।

ডাইনাপালী ঃ মই সুধিলো আপুনি কিয় আহিল।

ওজা ঃ মই কলো মোৰ এটা ল'ৰা হৈছে।

ডাইনাপালী ঃ আপেনাৰ যদি ল'ৰা হ'ল, মাকৰ দৰকাৰ ক'ত হ'ল।

ওজা ঃ বাৰু বাকীখিনি কওক। ল'ৰাটোৰ পৰম আয়ুস কেনেকুৱা?

ডাইনাপালী ঃ অতি সুন্দৰ।

ওজা ঃ বহুদিন বাচি থাকিব।

ডাইনাপালী ঃ থাকিব, নমৰা দিনক লাগি বাচি থাকিব।

ওজা ঃ পঢ়া-শুনাত কেনে হ'ব

ডাইনাপালী ঃ গণনা মতে দেখা যায় বাপেকৰ টকাৰ যোৰত ফেল কৰি ১ নম্বৰ হ'ব। ভাল চাকৰী কৰিব ধৰাত পৰি জেলত থাকিব।

ওজা ঃ পিতৃ-মাতৃৰ প্ৰতি ভক্তি কেনে হ'ব?

ডাইনাপালী ঃ বৰ ভাল দেখা যায়। ল'ৰাৰ বিয়াৰ পিছত মাক-বাপেকক বৃদ্ধ আশ্ৰমত থব।

ওজা ঃ নালাগে গণনা কৰিব, আপুনি উঠক।

ডাইনাপালী ঃ বেয়া পালাক উচিত কথা কলে বেয়া পাই আৰু শুনক ল'ৰাৰ বিয়াৰ কাৰণে মাক-দেউতাকে কষ্ট কৰি নালাগে। আগে আপী আনি ঘৰ সুমাব। মই উঠিলু দিয়ক।

*** *** ***

## অঙ্গঘাটি স্কুল

ওজা ঃ এই ল'ৰা-ছোৱালী কেইটাৰ ইমান গন্দোগল।

ডাইনাপালী ঃ হবোৱে ইগলা চোব অঙ্গঘাটি ইচকুলত পঢ়া চলি, এহেতে কাৰো কথা নুশুনে?

ওজা ঃ কি স্কুলত পঢ়া?

ডাইনাপালী ঃ অঙ্গঘাটি

ওজা ঃ কত পাইছা অঙ্গঘাটি স্কুল।

ডাইনাপালী ঃ আজিকালি গাৱে গাৱে হৈছি। খানা খ ইচকুল এখান

ইচকুলত চলিও পঢ়ে, মাকো পঢ়ে।

ওজা : খানা খুৱাই নেকি? কি খানা খুৱাই?

ডাইনাপালী : কল, আপেল, চুজি, খিচাৰি, ভাল ভাল বস্তু।

ওজা : হেৰা ডাইনাপালী তুমি একো নাজানা? সেইখন অঙ্গনবাদী স্কুল।

ডাইনাপালী : নহয় অঙ্গঘাটি।

ওজা : বুজি নোপোৱাকৈ কথা নকবা, অঙ্গনবাদী মানে শিশু বিকাশ কেন্দ্ৰ।

ডাইনাপালী : নহয় শিশু বিনাশ কেন্দ্ৰ

ওজা : চৰকাৰে শিশু সকলৰ মঙ্গলৰ বাবে কিমান আচনি লৈছে?

ডাইনাপালী : চৰকাৰৰ দোষ নাই।

ওজা : কাৰ দোষ

ডাইনাপালী : মাষ্টৰৰ

ওজা : কি দোষ মাষ্টৰৰ

ডাইনাপালী : খোৱাতো শিকায়, ব্যৱহাৰটো নিশিকায়।

ওজা : সেইকাৰণে তুমি কৈছা?

ডাইনাপালী : অঙ্গঘাটি অৰ্থাৎ বৰ্ত্তমান ল'ৰা-ছোৱালীৰ মাজত শিষ্টাচাৰৰ অপমৃত্যু হৈছে।

ওজা : অৱশ্যে কথাষাৰ তুমি ভুল কোৱা নাই। আজিকালি ল'ৰা-ছোৱালীবোৰৰ ব্যৱহাৰ সচাকৈ দুখ লগা।

ডাইনাপালী : সেই কাৰণে কৈছো জীৱনত প্ৰয়োজনীয় এটা অঙ্গঘাটি হোৱা বাবে অঙ্গঘাটি স্কুল।

*** *** ***

# মামাৰ তিৰী

ওজা ঃ যুগৰ লগে লগে মাত কথাৰো পৰিৱৰ্ত্তন।

ডাইনাপালী ঃ বাকী আকো নাই হা ওজা। কি দিন হ'ল। আমাৰ পিতাই কৈছিল। পিতাহতে পিতাকক পিতা নুবুলিছিল।

ওজা ঃ কি বুলিছিল তেনেহলে?

ডাইনাপালী ঃ বাপা। চলিহাতে পিতাকক বুলিছিল বাপা

ওজা ঃ আৰু বাপেকে

ডাইনাপালী ঃ চলিক বুলিছিল আপা, ডাঙৰ আপা, সৰু আপা।

ওজা ঃ তাৰ পিছত

ডাইনাপালী ঃ স্বাধীন হবাৰ সময়ত বাপাটু মহাত্মা গান্ধী নি উকাৰ দাল লাগে বাপু কৰিলে।

ওজা ঃ তাৰ পিছত স্বাধীন হ'ল।

ডাইনাপালী ঃ বাপাটু গেল পিতা হ'ল। অসমত ভাষা আন্দোলন হ'ল ভালেকেতা ডেকা ল'ৰা মৰিল। তেওঁলোকৰ কষ্টই কাম দিলে। বৰ যত্ন কৰি তেওঁলোকে দেউতাটো আনিলে। সুখী-দুখী সদাগৰ সকলোৱে দেউতা ব্যৱহাৰ কৰিলে।

ওজা ঃ দেউতা চলিয়েই আছে।

ডাইনাপালী ঃ ১৯৭৯/৮০ চনত বাপা গোটেই অসম জুৰি ইমুৰৰ পৰা সিমুৰলৈ ছাত্ৰ আন্দোলন। দুখৰ বিষয় আঠশ পস্পন্নজন ছাত্ৰ শ্বহীদ হ'ল।

ওজা ঃ তুমি কান্দ কিয়।

ডাইনাপালী ঃ নাকান্দিবা। ছয় বছৰ আন্দোলনত কিমান ল'ৰা-ছোৱালীৰ জীৱন ধ্বংস হ'ল। তথাপি ৰাখিব নোৱাৰিলে শ্বহীদৰ

লগত দেউতাতো গুচি গ'ল।

ওজা : দেউতা গ'ল। তেনেহলে এতিয়া কি হ'ল?

ডাইনাপালী : আপা

ওজা : আপা

ডাইনাপালী : দুখৰ বিষয় বামুনৰো এদিন বহুৱাৰো এদিন, এতিয়া দেউতাকক ল'ৰা-ছোৱালীয়ে আপা বোলা হ'ল।

ওজা : দেউতাকক আপা বোলা তুমি ক'ত শুনিলা?

ডাইনাপালী : মোৰ বন্ধু এজনৰ ঘৰত। মই আচৰিত ল'ৰাটো স্কুলৰ পৰা আহি বন্ধুজনক সাৰতি ধৰি মাতিব ধৰিলে আপা আপা।

ওজা : তোমাৰ বোধয় শুনাত ভুল হ'ল, আপা নহয়, ল'ৰাটোৱে পাপা বুলি কৈছে?

ডাইনাপালী : পাপা.. হে ভগৱান, দেউতাকটো যদি পাপা হয়, মাকজনী পাপী হ'ব।

ওজা : আজিকালি মাককো অলপ বেলেগকৈ মাতে, মামী?

ডাইনাপালী : মামী। এটা কথা হ'ল নহয় ওজা বুলে সমাজৰ লগত নমৰিলেও চকু মুদিব লাগে।

ওজা : এইটু সচা কথা।

ডাইনাপালী : তেতিয়াহলে কালিৰ পৰা আমাৰ চলিকো শিকাবা লাগিব। বোলে ধনহঁত আজিৰ পৰা আগৰ কথা বতৰা বাদ দিব লাগিব। আমাকো বেলগকৈ মাতিব লাগিব?

ওজা : কি বুলি দেউতা?

ডাইনাপালী : উহু দেউতা নহয়। আজিৰ পৰা মাৱেক মাতিবা মামী

আৰু মোক মাতিবা আপা।

ওজা ঃ আৰু ভুল হ'ল, আপা নহয় পাপা।

ডাইনাপালী ঃ অঃ অঃ পাপা। দিন যায় আছে ওজা আমাৰ ঘৰত পাপা মামী চলি আছে। এনে অৱস্থাত ওজা এদিন আমাৰ মোৰ শ্ৰীমতীৰ বৌ দেউ আহিল। বহু দিনৰ মুৰত আহিছে। শ্ৰীমতী, মই, বৌদেউ তিনিজনে বহি কথা পাতি আছো। এনেতে সৰু ল'ৰাটো স্কুলৰ পৰা আহি চোতালৰ পৰা মাতিছে।

ওজা ঃ মামী, মামী

ডাইনাপালী ঃ এতিয়া দুজনী মামী আছে, এজনী পাপাৰ তিৰী মামী আনজনী মামাৰ তিৰী মামী। এতিয়া কোনে মাতিব।

ওজা ঃ এতিয়া দুজনীয়ে মাতিব।

ডাইনাপালী ঃ বেয়া হোৱা নাই।

ওজা ঃ কি ভাল হ'ল।

ডাইনাপালী ঃ মোৰ তিৰী এটা গুচি দুটা হ'ল।

*** *** ***

# হাগুৰা চুৰ

ওজা ঃ শুনিছেনে ৰাস্তাৰ ফালে চাওকচোন। আমাৰ ৰজাৰ ঘৰত যজ্ঞ ব্ৰাহ্মণবোৰে হাতে কাযে বস্তু লৈ যাব ধৰিছে।

ডাইনাপালী ঃ দেখিছো কিন্তু কি কৰিম।

ওজা ঃ কি কৰিব ৰজাৰ ঘৰত যায় ৰজাক আশীৰ্বাদ এটা দি দক্ষিণা আনিব লাগে।

ডাইনাপালী ঃ ব্ৰাহ্মণ মোৰ পুৰা কপাল। মই আশীৰ্বাদ জানিলে ইয়াত বহি থাকোনে?

ওজা ঃ আপুনি ব্ৰাহ্মণ আপুনি এটা আশীৰ্বাদো নাজানে? বাৰু বাদ দিয়ক, মই এটা বুদ্ধি দিও এই বুদ্ধিটো কৰি আপুনি যাওক। এই কাগজ কলম লওক। বাটত যাওতে যতে যি দেখে কাগজখনত লিখি লৈ যাব। ৰজাক দিবৰ সময়ত কাগজখন জাপি ৰজাৰ হাতত দি কব মহাৰাজ ব্ৰাহ্মণবিলাকে আপোনাক আশীৰ্বাদ দি দি গৈছি, আপোনাৰ কিবা মনত আছেনে?

ডাইনাপালী ঃ নাই ইমান ব্ৰাহ্মণৰ আশীৰ্বাদ কেনেকৈ মনত ৰাখিব।

ওজা ঃ মোৰ আশীৰ্বাদ খিনি লিখি আনিছো আপুনি ৰাতি শুৱাৰ সময়ত পঢ়িব।

ডাইনাপালী ঃ অৱশ্যে বুদ্ধিটো বেয়া নহয়। বাৰু দিয়া কাগজ কলম।

ওজা ঃ যি দেখে লিখি নিব।

ডাইনাপালী ঃ অ সেইটো কি কিবা দেখো মাটি খান্দি আছে, লিখি লোৱাই ভাল। খাচাৰ খুচুৰ খান্দন্ত গাতা যায় থকা ভাল।

ওজা : এইফালি লিখি গৈ আছে।

ডাইনাপালী : বা ইমান ডাঙৰ ভেকুলী ফেপ্লাংকে বৈঠন্ত ভেলা।

ওজা : আৰু গৈয়ে আছে।

ডাইনাপালী : সেইটো দেখোন শিয়াল, ছাগলী কেইটা দেখি কেনেকৈ চাইছে। ভাবাক ভুবুক কৰি চাই।

ওজা : এই ফাকিও লিখি ললে। তিনিফাকি মন্ত্ৰ হ'ল-

খাচাৰ খুচুৰ খান্দন্ত গাতা
ফেপ্লাংকে বৈঠন্ত ভেলা
ভাবাক ভুবুক কৰি চাই

ডাইনাপালী : বাপপাৰে হাগুৰা চুৰ বা কহয় যায়

ওজা : ঐ বামুন

ডাইনাপালী : ঐ বাপা হাগুৰা চুৰ দেখো এ। ক'ৰ পৰা আহিলি।

ওজা : বাৰ বছৰৰ মুৰত জেলৰ পৰা আহিলো।

ডাইনাপালী : যা বাপা ঘৰক যা।

ওজা : ব্ৰাহ্মণে চুৰক বিদায় দি ৰজাৰ ঘৰ পালে।

ডাইনাপালী : মহাৰাজৰ জয় হওক।

ওজ : কৰ পৰা আহিছে আপুনি? ইমান পলম।

ডাইনাপালী : মহাৰাজ কৰ্ম আছিল, কৰ্ম শেষ কৰি আহিছো।

ওজা : মোক এটা আশীৰ্বাদ দি তাত দক্ষিণা লওক।

ডাইনাপালী : সকলো ব্ৰাহ্মণে আপোনাক আশীৰ্বাদ দিছে, কিবা আপোনাৰ মনত আছেনে?

ওজা : নাই ইমান কামৰ মজত।

ডাইনাপালী ঃ সেই কাৰণে মহাৰাজ মোৰ আশীৰ্বাদখিনি মই কাগজত লিখি আনিছো, আপুনি ৰাতি শুৱাৰ সময়ত পঢ়ি চাব।

ওজা ঃ যাওক তাত দক্ষিণা দি আছে লওক গৈ।

ওজা ঃ হাগুৰা চুৰে ঘৰত যায় ভাবে আজি বাৰ বছৰে মোৰ

ডাইনাপালী ঃ দিউতিত মামৰে ধৰিছে, আজি যন্ত্ৰপাতি খিনি ধাৰ দি একবাৰ জইন কৰা ভাল।

ওজা ঃ আজি ৰজাৰ ঘৰত কৰ্ম আছিল। সকলো ভাগৰি পৰিছে।

ডাইনাপালী ঃ ৰজাৰ ঘৰতে জয়ন কৰা ভাল। হাগুৰা চুৰ ৰজাৰ ঘৰলৈ যায় ৰজা শুৱা ৰুমৰ পাচফালে বহি অলপ কৰি খণ্ডা আৰম্ভ কৰিছে।

ওজা ঃ ৰজাই ভাবে শেষত অহা ব্ৰাহ্মণজনে দি যোৱা আশীৰ্বাদখিনি অলপ পঢ়ি চাও। খাচাৰ খুচুৰ খান্দত গাতা

ডাইনাপালী ঃ বাপপাৰে মই খান্দিব ধৰা ৰজাই গম পাইছে, আতৰত বৰ্ত্তমান বহি থকা ভাল।

ওজা ঃ থেপলাংকে বৈঠন্ত ভেলা

ডাইনাপালী ঃ মই ইয়াত বহাও ৰজাই গম পাইছে। নহয় কুনবা ফালেদি পলোৱাই ভাল।

ওজা ঃ ভাবাক ভুবুক কৰি চাই।

ডাইনাপালী ঃ বাপৰে ৰজাই কোনোবা ফালেৰে চাই আছে, মই পলোৱাই ভাল।

ওজা ঃ হাগুৰা চুৰ বা কহয় যায়।

ডাইনাপালী ঃ নাই আৰ পলে লাভ নাই। ৰজাই সকলো গম পাইছে। ধৰা দিয়াই ভাল, মহাৰাজ উঠক।

ওজা ঃ কোন?

ডাইনাপালী ঃ বিজাল ধৰিব নালাগে দিয়ক। আপুনি সকলো জানে?

ওজা ঃ কোন?

ডাইনাপালী ঃ মই হাগুৰা চুৰ দিয়ক। বাৰ বছৰৰ মুৰত খালাচ পাই আজি আপোনাৰ ঘৰত মোক মাফ কৰক।

ওজা ঃ বাঃ শেষত অহা ব্ৰাহ্মণজনৰ আশীৰ্বাদে আজি মোৰ সকলো ধন-সম্পদ ৰক্ষা কৰিলে, কোন আছ।

ডাইনাপালী ঃ মহাৰাজ

ওজা ঃ ব্ৰাহ্মণজনৰ ল'ৰা-তিৰোতা সহকাৰে লৈ আহ। তেওঁক মই ৰাজগুৰু হিচাবে প্ৰতিষ্ঠা কৰিম।

ডাইনাপালী ঃ গতিকে চোৰা তিৰীৰ বুদ্ধিতো মুৰ্খ পুৰুষো ডাঙৰ মানুহ হ'ব পাৰে।

*** *** ***

## ভকত

ওজা ঃ ও ডাইনাপালী ঘৰত আছ

ডাইনাপালী ঃ আছু ৰবা বহা।

ওজা ঃ বহিবৰ সময়ো বেছি নাই। আজি এটা বৰ অসুবিধাত পৰিলো হা।

ডাইনাপালী ঃ কি অসুবিধা হা।

ওজা ঃ আজি এঘৰ মানুহে মোক পুথি পঢ়িব মাতিছিল। পিছে মোৰ লগ নাই দুয়ো যাও বলা হা।

ডাইনাপালী ঃ হবো দে।

ওজা ঃ আহা তে কাপোৰ পিন্ধা।

ডাইনাপালী ঃ বলা যাও বলা

ওজা ঃ এ ৰাম মুক্তিত নিস্পৃহ যিটো

ডাইনাপালী ঃ জকৰা পন্তা নাখাই সিটো

সদায় বাপাৰ তপাত ভাতত ৰাতি।

যেইতে বাপাৰ আহিল তিৰী

মাক বৈনাকে নচৈ ফিৰি

তেইতে ৰাপাৰ পন্তা ভাতে গতি।।

ওজা ঃ কি কৰ হা, ওজা গোৱাৰ দৰে তুমি পুথি পঢ়াতো ধেমালি কৰি থাক হা। এইবিলাক নকৰিবা।

ডাইনাপালী ঃ নকও দিয়া

ওজা ঃ এ ৰাম মৎস্য ৰূপে অৱতাৰ

ডাইনাপালী ঃ হৈলা পথাৰত।

ওজা ঃ ভুল হ'ল। হৈলা প্ৰথমত।

ডাইনাপালী ঃ নহয় পথাৰত

ওজা ঃ গাৰ বলত কিয় কোৱা গুৰুজনাৰ কথা বিকৃত কৰিব নাপাই।

ডাইনাপালী ঃ সেই কাৰণে মই পথাৰত কৈছো।

ওজা ঃ নহয় এইটো গুৰুজনাৰ মুখৰ বাক্য। কিৰ্ত্তনত সুন্দৰভাবে গুৰুজনাই লিখিছে মৎস্যৰূপে অ—তাৰ।

ডাইনাপালী ঃ হৈলা পথাৰত।

ওজা ঃ আৰু তাকেই কৈছা। গুৰুজনাই লিখাটো ক'ব লাগে।

ডাইনাপালী ঃ গুৰুজনাই লিখিছি হৈলা পথাৰত।

ওজা ঃ তেনেহ'লে পুথিত যে লিখা আছে প্ৰথমত

ডাইনাপালী ঃ প্ৰিণ্টিং মিচতেক।

ওজা ঃ বাৰু ধৰি ললো পথাৰত বাকীখিনি চন্দ মিলিব লাগিব অৰ্থপূৰ্ণ হ'ব লাগিব।

ডাইনাপালী ঃ তুমি গায় যোৱা অৰ্থ হয় নে নহয় চোৱা।

ওজা ঃ এ ৰাম মৎস্য ৰূপে অৱতাৰ

ডাইনাপালী ঃ উদ্ধাৰিলা চাৰি বেদ

ডাইনাপালী ঃ চেপা, চৰহা, জালত।

ওজা ঃ এইবিলাক কি অৰ্থ কৰিছা তুমি।

ডাইনাপালী ঃ কি ভুল হ'ল। যেতিয়া বাৰিষা বৰষুণ হয় তেতিয়া মৎস্য মানে মাছ প্ৰথমে ক'ত ওলাই, পথাৰত হয় ন নহয়।

ওজা ঃ হয় দা পথাৰত মাছ ওলাই।

ডাইনাপালী ঃ কোনোবাই জাকৈ, জুলুকি, চেপা, চৰহা, জাল ব্যৱহাৰ কৰি মৎস্য ৰূপ উদ্ধাৰ কৰি নিয়া নাই।

ওজা ঃ বাহঃ তোমাৰ অৰ্থ।

*** *** ***

# ভাল মানুহ

ওজা : মাতৃবৎ পৰদাৰেষু পৰদ্ৰবৈচু লোষ্টবৎ
আত্মবৎ সৰ্বভুতেষু যঃ পশ্চন্তি স পণ্ডিত
এই নিতীবচন বিলাকৰ অৰ্থ তুমি জানা।

ডাইনাপালী : অহঙ্কাৰ নকৰু কম-বেছি পৰিমানে মইয়ো জানো দে।

ওজা : মাতৃবৎ পৰদাৰেষু

ডাইনাপালী : এইটো মই বেয়া পাও হা ওজা। লাগে মাই বেয়ায়ে পালাক তথাপি এনেকুৱা কাম মই কৰিব নোৱাৰো দিয়া।

ওজা : কি কাম কৰিব নোৱাৰা ? কি মায়ে বেয়া পাই ?

ডাইনাপালী : নহয় দিয়া মাই ভালপোৱাৰ কাৰণে।

ওজা : কিহৰ কথা কৈছা তুমি

ডাইনাপালী : অৰ্থ তু হা, মাতৃ মানে মা ঠিকে আছে?

ওজা : অ ঠিকে আছে।

ডাইনাপালী : পৰ মানে আনৰ হয় নে ওজা

ওজা : হয়, আনৰ

ডাইনাপালী : দা মানে দা, মানে চুৰ কৰি মাক দিব লাগে। মূল অৰ্থ পৰৰ দাৰে চুৰ কৰি আনি মাক দিয়াই হ'ল এই শব্দটোৰ অৰ্থ।

ওজা : পণ্ডিত প্ৰবৰ দাই দি চুৰ কৰি আনি মাকক দেই তেনে নহয়, পৰদ্ৰবেসু লোষ্টবত। পৰৰ বস্তুত মাটিৰ চপৰা যেন জ্ঞান কৰিব লাগে।

ডাইনাপালী : এই চৰিত্ৰটো ওজা মোৰ সৰুৰ পৰাই। বাটত ক'ৰবাত কিবা দেখা পালেও মোৰ সেই ভাবটোৱে আছে।

ওজা ঃ এইটো বৰ ভাল কথা।

ডাইনাপালী ঃ আশীৰ্বাদ কৰা মনটো যাতে এনে পবিত্ৰ হৈ থাকে।

ওজা ঃ আত্মবৎ সৰ্বভুবেষু, পৰৰ বস্তুক সদায় নিজৰ জ্ঞান কৰিব লাগে।

ডাইনাপালী ঃ এই জ্ঞানখিনি ভগৱানে অধমক সৰুৰ পৰাই দিছি দে ওজা।

ওজা ঃ এইটু বৰ ভাল গুণ। পৰৰ খেতিখনক নিজৰ খেতি বুলি ভাবিব লাগে।

ডাইনাপালী ঃ ভাবো।

ওজা ঃ পৰৰ গৰু কেইটাক নিজৰ বুলি ভাবিব লাগে।

ডাইনাপালী ঃ ভাবো

ওজা ঃ পৰৰ বস্তু, তামোল-নাৰিকল আদিক নিজৰ বুলি ভাবিব লাগে।

ডাইনাপালী ঃ এইবিলাক ভাব মোৰ সৰুৰ পৰাই। সেইকাৰণে তামোল-নাৰিকল পাৰিব লাগিলে মই নিজৰ বস্তিক নাযাও।

ওজা ঃ ক'ত যোৱা তেনেহলে

ডাইনাপালী ঃ আনৰ বস্তিক।

ওজা ঃ কিয়?

ডাইনাপালী ঃ নিজৰ বুলি ভাবো যে?

ওজা ঃ মই কি কৈছো জানা, মোৰ মা তুক

ডাইনাপালী ঃ মোৰ মা বুলি ভাবো

ওজা ঃ মোৰ ভনীজনীক

ডাইনাপালী ঃ মোৰ ভনী বুলি ভাবো

ওজা ঃ মোৰ ল'ৰা-ছোৱালী কেইটাক?

ডাইনাপালী ঃ মোৰ ল'ৰা-ছোৱালী বুলি ভাবো?

ওজা ঃ মোৰ তিৰিতুক?

ডাইনাপালী ঃ মোৰ তিৰী বুলি ভাবো?

*** *** ***

## বিনা কষ্টে ধনী

ডাইনাপালী ঃ অ' মাষ্টৰ খুৰা ঘৰত আছে?

ওজা ঃ কোন নো?

ডাইনাপালী ঃ মই আনন্দ

ওজা ঃ বোপা আনন্দ বহা, কি কামত আহিলা নো?

ডাইনাপালী ঃ খুৰা আপুনিতো জানে গাওঁখনত অকৰমন্য বুলি মোৰ এটা নাম আছে। এতিয়া খুৰা মোৰ মনত এটা ভাব আহিছে, মই ধনী হ'ব লাগে। কষ্ট নকৰাকৈ মই কেনেকৈ ধনী হ'ব পাৰো। মোক এইটো উপদেশ দিব লাগে।

ওজা ঃ বেয়া নাপাবা বোপা, কষ্ট কৰিয়ো দুবেলা-দুমুঠি মিলাব নোৱাৰে, তেনেস্থলত বিনাকষ্টে

ডাইনাপালী ঃ হইছে দিয়ক, মুখ মেলাতে মই গৰ্ভ দেখা পাইছো, নালাগে আপোনাৰ উপদেশ।

ওজা ঃ যোৱা যোৱা বিনা কষ্টে ধনী হয়।

ডাইনাপালী ঃ গাওঁবুঢ়া জেঠা আছে?

ওজা ঃ আনন্দ দুখু হা।

ডাইনাপালী ঃ অ' হে জেঠা। বিপদত সহায় কৰাহে আচল বন্ধু, নে কি কয়?

ওজা ঃ থিকে কৈছ দা বাপা। কচুন কিয় আহিলা?

ডাইনাপালী ঃ জেঠা, মোক অকৰমন্য, গাইৰা বুলি সকলোৱে জানে হয়নে?

ওজা ঃ হয় দিয়া।

ডাইনাপালী ঃ এতিয়া জেঠা মই ধনী হবাৰ মন কৰিছো।

ওজা ঃ কি কাম কৰিবা।

ডাইনাপালী ঃ কাম কৰিবা মই নৰো। আমাৰ এই অঞ্চলত আপোনাত কৰি জ্ঞানী-বুধিয়ক মানুহ আন কোনো নাই, আপুনি এটা বুদ্ধি দিয়ক, মই কেনেকৈ বিনা কষ্টে ধনী হ'ব পাৰো।

ওজা ঃ বুদ্ধিতো মইয়ো নাজানু কিন্তু তোমাক মই এটা উপদেশ দিব পাৰো, তুমি উত্তৰ ফালে মুখ কৰি গৈ থাকা, এখন ডাঙৰ অৰণ্য পাবা। অৰণ্যখন পাৰ হৈ এখন মুনিৰ আশ্ৰম পাবা। এই মুনিজন সৰ্বজ্ঞানী মুনি, তোমাৰ প্ৰশ্নৰ উত্তৰ তেওঁহে দিব পাৰিব। তুমি সেই মুনিৰ আশ্ৰমলৈ যোৱা।

ডাইনাপালী ঃ গাওঁবুঢ়াৰ কথা মতে আনন্দ, মুনিৰ আশ্ৰম বিচাৰি ওলাল।

ওজা ঃ কিছুদুৰ যোৱাৰ পিছত ৰাস্তাৰ ওচৰত বহি থকা এটা বাঘে কলে ঐ ল'ৰা তই কলৈ যাবি।

ডাইনাপালী ঃ মই মুনিৰ আশ্ৰমলৈ যাম?

ওজা : কিয়?

ডাইনাপালী : মই বিনা কষ্টৰে কেনেকৈ ধনী হ'ব পাৰো, সুধিবলৈ যাম।

ওজা : হে বাপু মই বুঢ়া হলো, মই চিকাৰ কৰি খাব নোৱাৰো আৰু বুঢ়াকালত পাপ কৰি খাবৰ ইচ্ছাও নাই। তুমি কথাখিনি সন্যাসীক সুধিবা, মই পাপ নহোৱাকৈ কাক খাব পাৰিম।

ডাইনাপালী : বাৰু হ'ব মই সুধি আহিম?

ওজা : বাঘক কথা দি আনন্দ আৰু আগবাঢ়ি গ'ল। এনেতে ৰাস্তাৰ কাষৰ গছ এজোপাই মাত দিলে।

ডাইনাপালী : হেৰ বোপা তুমি কলৈ যোৱা?

ওজা : মই সন্যাসীৰ ওচৰলৈ যাম।

ডাইনাপালী : বোপা মই আপেল গছ। মই প্ৰতিবছৰে ফুলেৰে জকমকীয়া হওঁ। কিন্তু দুখৰ বিষয় মোৰ ফল এটাও নালাগে।

ওজা : তুমি মোৰ কথাখিনি সন্যাসীক সুধি আহিবা?

ডাইনাপালী : তোমাৰ কিয় ফল নহয়, মই সুধি আহিম।

ওজা : আপেলৰ পৰা বিদায় হৈ আনন্দ আকৌ যাবলৈ ধৰিলে। কিছুদুৰ যোৱাৰ পিছত ৰাস্তাৰ কাষত এক ডোঙা পানী।

ডাইনাপালী : পানী ডোঙাৰ ওচৰ পোৱাৰ লগে লগে এটা প্ৰকাণ্ড বৰালী মাছে ক'লে

ওজা : বোপা তুমি কলৈ যোৱা?

ডাইনাপালী ঃ মই কেইটামান প্ৰশ্নৰ উত্তৰ বিচাৰি সন্যাসীৰ ওচৰলৈ যাম।

ওজা ঃ বোপা তেনেহ'লে তুমি দয়া কৰি মোৰ বিষয় এটা প্ৰশ্ন সুধি আহিবা।

ডাইনাপালী ঃ মোৰ গলত কি বজি আছে মই মুখখন মেলা-জপোৱা কৰিব নোৱাৰো, আজি দহ দিন মই একো খাব পৰা নাই।

ওজা ঃ বাৰু তুমি চিন্তা নকৰিবা। তোমাৰ বিষয়েও মই সুধি আহিম।

ডাইনাপালী ঃ আকৌ আনন্দৰে যাত্ৰা আৰম্ভ হ'ল। অৰণ্য পাৰ হৈ সি এখন সুন্দৰ আশ্ৰম দেখিবলৈ পালে, আৰু সৈন্যাসীক প্ৰণাম জনালে।

ওজা ঃ কোৱাচোন বাচা তোমাক কি লাগে।

ডাইনাপালী ঃ গুৰুদেৱ মই বিনা কষ্টে ধনী হ'ব খোজো।

ওজা ঃ তুমি বিনা কষ্টে ধনী হবা।

ডাইনাপালী ঃ মোৰ আৰু তিনিটা প্ৰশ্ন আছে গুৰুদেৱ? এটা বৰালী মাছৰ মুখখন জপাব নোৱাৰে? কাৰণ কি গুৰুদেৱ?

ওজা ঃ তাৰ গলত এটুকুৰা হীৰা লাগি ধৰিছে। কোনোবাই হীৰা টুকুৰা উলিয়াই দিলে সি স্বাভাৱিক হ'ব।

ডাইনাপালী ঃ এডাল আপেলৰ গছ, ফুল ধৰে ফল নধৰে? ইয়াৰ কাৰণ কি গুৰুদেৱ?

ওজা ঃ এই আপেল জোপাৰ তলত সাত ৰজাৰ ধন পুতি থোৱা আছে। ধনখিনি কোনোবাই উলিয়াই নিলে গছজোপাৰ ফলে ফুলে ভৰি পৰিব।

ডাইনাপালী ঃ গুৰুদেৱ আৰু এটা প্ৰশ্ন এটা বুঢ়া বাঘ, সি এতিয়া পাপ কৰিব নোখোজে। নেখাইয়ো থাকিব নোৱাৰে। গতিকে কাক খালে পাপ নহয়, কথাটো জানিব বিচাৰিছে?

ওজা ঃ তুমি বাঘক কবা যিজন অকৰমন্য সংসাৰৰ বোজা, তাক খালে পাপ নহয়।

ডাইনাপালী ঃ মই বিনা কষ্টে ধনী হম?

ওজা ঃ তুমি বিনা কষ্টে ধনী হবা।

ডাইনাপালী ঃ সন্যাসীক নমস্কাৰ কৰি মনৰ আনন্দত ঘৰমুৱা হ'ল।

ওজা ঃ তুমি আহিলা বাপু। মোৰ কথাটো সুধিছিলানে?

ডাইনাপালী ঃ তোমাৰ গলত এটুকুৰা হীৰা লাগি আছে? হীৰা টুকুৰা কোনোবাই উলিয়াই দিলে তুমি আগৰ দৰে হবা।

ওজা ঃ তোমাক সন্যাসী কি কলে?

ডাইনাপালী ঃ কৈছে? মই বিনা কষ্টে ধনী হম।

ওজা ঃ তেনেহলে হীৰা টুকুৰা তুমি লৈ যোৱা।

ডাইনাপালী ঃ নাই, তোমাৰ মুখত হাত ভৰাই মই কষ্ট কৰিব নোৱাৰো।

ওজা ঃ বাপু সন্যাসীৰ ওচৰৰ পৰা আহিলা।

ডাইনাপালী ঃ আহিলো।

ওজা ঃ তোমাক কি কলে?

ডাইনাপালী ঃ মই বিনা কষ্টে ধনী হম?

ওজা ঃ মোৰ কথাটো কি কলে?

ডাইনাপালী ঃ কলে তোমাৰ তলত সাত ৰজাৰ ধন পুতি থোৱা আছে।

ওজা ঃ তেনেহলে তুমি ধনী হলা?

ডাইনাপালী ঃ কেনেকৈ?

ওজা ঃ মোৰ তলত থকা সাত ৰজাৰ ধনেৰে তুমি ধনী হৈ গলা।

ডাইনাপালী ঃ নাই ইমান কষ্ট কৰিব নোৱাৰো? কদাল, খন্তা ধৰি গাত খান্দি ধন উলিয়াব নোৱাৰো মই।

ওজা ঃ নহয় তুমি ধনবোৰ লৈ যোৱা?

ডাইনাপালী ঃ মই বিনা কষ্টে ধনী হম।

ওজা ঃ বোপা তুমি সন্যাসীৰ ওচৰৰ পৰা আহিলা।

ডাইনাপালী ঃ হয়? সন্যাসীজনে কলে মই বিনা কষ্টে ধনী হম।

ওজা ঃ আৰু কিবা প্ৰশ্ন আছিলনে?

ডাইনাপালী ঃ এটা বৰালী মাছৰ গলত এটুকুৰা হীৰা লাগি ধৰিছিল।

ওজা ঃ চাও হীৰা টুকুৰা কেনেকুৱা?

ডাইনাপালী ঃ মই হীৰা অনা নাই। তাৰ মুখত হাত ভৰোৱা কষ্ট মই কৰিব নোৱাৰো।

ওজা ঃ আৰু কিবা প্ৰশ্ন?

ডাইনাপালী ঃ এজোপা আপেল গছৰ তলত সাত ৰজাৰ ধন পুতি থোৱা আছে। সেই ধনখিনি উলিয়াই দিলে গছজোপা ফলে ফুলে জাতিস্কাৰ হ'ব।

ওজা ঃ তুমি বৰ ভাগ্যৱান, সাত ৰজাৰ ধনেৰে তুমি ধনী হলা। ধনবোৰ আনি কত থলা।

ডাইনাপালী ঃ ধন মই অনা নাই। ইমান গাত খন্দা কষ্ট মই কৰিব নোৱাৰো।

ওজা ঃ মোৰ বিষয় কিবা সুধিলানে?

ডাইনাপালী ঃ সুধিলো।

ওজা ঃ সন্যাসী কাক খালে পাপ নহয় বুলি কলে?

ডাইনাপালী ঃ যিটো জগতৰ অকৰমন্য তাক খালে পাপ নহয়।

ওজা ঃ মুখত হাত ভৰালে কষ্ট হ'ব বাবে মাছৰ গলৰ হীৰা টুকুৰা নানিলা।

ডাইনাপালী ঃ ইমান কষ্ট কৰিব নোৱাৰো।

ওজা ঃ আপেলৰ তলৰ সাত ৰজাৰ ধন নানিলা? খান্দোতে কষ্ট হ'ব বাবে।

ডাইনাপালী ঃ মই বিনা কষ্টে ধনী হম।

ওজা ঃ মোৰ কথা কলে অকৰমন্য জনক খালে একো পাপ নহয়।

ডাইনাপালী ঃ পাপ নহয়।

ওজা ঃ হা উ ম

*** *** ***

## শহুৰ বোৱাৰী

ডাইনাপালী ঃ ঐ বাপা চন্দ্ৰ

ওজা ঃ কি হ'ল পিতা?

ডাইনাপালী ঃ ইগিলা কি শুনুৱে?

ওজা ঃ কি?

ডাইনাপালী ঃ তই বুলে মহাজনৰ জীয়াকক বিয়া কৰাব খুজিছা?

ওজা : তই ঠিকেই শুনিছা পিতা, মই মহাজনৰ জীয়েক চম্পাক বিয়া কৰাম।

ডাইনাপালী : তই নাজানা আজি বিশ বছৰ মহাজনৰ লগত মোৰ মাটিৰ কেচ, আৰু তই সেই..

ওজা : কেচ তহতৰ হে, আমাৰটো নহয় আৰু এটা কথা কওঁ পিতা, যদি তই মোক চম্পাক বিয়া কৰাব নিদিয়া। মই চিৰদিনৰ বাবে ঘৰৰ পৰা ওলাই যাম।

ডাইনাপালী : বাৰু তই নামান যেতিয়া যি কৰ কৰ। কিন্তু যিদিনা মহাজনৰ জীয়েক মোৰ দোষত পৰিব সিদিনাই তাইক ঘৰৰ পৰা বাহিৰ কৰি দিম।

ওজা : মনৰ সমৰ্থন নহলেও একমাত্ৰ পুত্ৰ বুলি বিয়াখন আয়োজন কৰিব লগা হ'ল।

ডাইনাপালী : বিয়াখন শেষ হ'ল। কিন্তু বুঢ়াৰ জেদহে শেষ নহ'ল।

ওজা : বুঢ়াই সদায় বোৱাৰীক চিদ্ৰত পেলাবলৈ যত্ন কৰি থাকিল।

ডাইনাপালী : এদিনাখন বোৱাৰী পানী আনিবলৈ গৈ বাটতে কলহটো ভঙাত হাতত ভঙা কলহৰ কানটো লৈ ঘৰলৈ উভতি আহিল।

ওজা : বুঢ়াই ভাবিলে এইয়াই সোণালী সুযোগ।

ডাইনাপালী : হেৰ বোৱাৰী
হৰিহৰ চক্ৰে যে বীৰ উপজিল, তাপিত কৰ্ণৰ বাপে।
হুতাশন মুখে যি বীৰ উত্তৰিল
সে বীৰ পৰিল কেমন বিপাকে।।

ওজা ঃ হেৰ বোৱাৰী হৰিহৰ চক্ৰত যাৰ উৎপত্তি
কৰ্ণৰ বাপেকে যাক নোৱাৰিলে
অগ্নিৰ মুখৰ পৰা সি বাহিৰ হ'ল।
এনেকুৱা বীৰটোক তই কেনেকৈ মাৰিলি।

ডাইনাপালী ঃ পিতা, অলি বাহন বাহন হামু গয়ো
শশী বাহন বাহন থেকে ভৈয়ো
পবন সুতা সুত ভেঙে গয়ো
ৰবি সুত মম হস্তে লেগে ৰয়ো

ওজা ঃ হে পিতা, অলি মা নে ভোমোৰা
ভোমাৰাৰ বাহন পদুমফুল, পদুমৰ বাহন পানী
মই পানী আনিবলৈ গৈছিলোঁ।

ডাইনাপালী ঃ শশী মানে চন্দ্ৰ বাহন মহাদেৱ, আৰু মহাদেৱৰ মাহন ষাৰগৰু। ক'ৰবাৰ পৰা এটা ষাৰ গৰু আহি মোক খুন্দা মাৰি দিলে।

ওজা ঃ পৱন মানে বায়ু, বায়ু পুত্ৰ ভীম, ভীমৰ পুত্ৰ ঘটোৎকচ, ঘটটো ভাঙি গ'ল।

ডাইনাপালী ঃ সূৰ্যপুত্ৰ কৰ্ণ কানটো মোৰ হাতত লাগি ৰ'ল।

ওজা ঃ বোৱাৰীৰ কথা শুনি বুঢ়াই ভাবিলে মোৰ ধন্য বোৱাৰী

ডাইনাপালী ঃ সিদিনাৰ পৰা দুয়োখন ঘৰ জেদ ভাব এৰি সুন্দৰ ভাবে মিলি গ'ল।

*** *** ***

# তিৰী ব্ৰহ্মা

ওজা ঃ স্বামী ব্ৰহ্মা, স্বামী বিষ্ণু, স্বামী মহেশ্বৰ
চৰাচৰ জগতৰ স্বামী হে ঈশ্বৰ।

ডাইনাপালী ঃ হবা পাৰে দে।

ওজা ঃ কি হবা পাৰে দে, মই কিবা এটা কৈছো? তোমাৰ দেখো মুখৰ মাতেই নাই।

ডাইনাপালী ঃ নাজানা কথা কি মাতিম।

ওজা ঃ কি নাজানা কথা হা। এই কথাটো তুমি শুনা নাই।

ডাইনাপালী ঃ শুনা নাই।

ওজা ঃ পঢ়াও নাই।

ডাইনাপালী ঃ নাই। তুমি যে কথাবিলাক কিছুমান কোৱা। ক'ত যে পোৱা এনেকুৱা কথাবিলাক।

ওজা ঃ হেৰা এই বিলাক শাস্ত্ৰৰ কথা।

ডাইনাপালী ঃ ক'ব নোৱাৰো কোন শাস্ত্ৰত পোৱা।

ওজা ঃ এইবিলাক পুৰানৰ কথা।

ডাইনাপালী ঃ মই সেই কাৰণে পোৱা নাই।

ওজা ঃ তাৰমানে তুমি পুৰান নপঢ়া।

ডাইনাপালী ঃ মই পুৰান নপঢ়ো।

ওজা ঃ তেনেহলে কি পঢ়া?

ডাইনাপালী ঃ নতুন।

ওজা ঃ বাৰু ধৰি ললো তুমি নতুন পঢ়া, তাত এই কথাষাৰ নাই নেকি?

ডাইনাপালী ঃ আছে, তুমি কোৱাৰ দৰে নহয়।

ওজা ঃ বাৰু তোমাৰটো শুনু।

ডাইনাপালী ঃ বাৰু শুনা

তিৰী ব্ৰহ্মা, তিৰী বিষ্ণু, তিৰী মহেশ্বৰী
সিয়া কৰিব লাগে সদাই তিৰীৰ ভৰিত ধৰি।
তিৰীৰ ভৰিত ধৰিবলৈ যদি কৰা হেলা
ঘুমে থাকাতে বঠি দি লেইপো, পিছত পাবা ঠেলা।

ওজা ঃ অ' তাৰমানে তুমি তিৰীক সেৱা কৰা।

ডাইনাপালী ঃ অকল মই নহয়, আতা-পিতা, চৈধ্য পুৰুষৰ এইটো পৰম্পৰা।

ওজা ঃ ছি কি ঘিনলগা কথা, তিৰীক সেৱা এই বংশৰ পৰম্পৰা। আমাৰ এইবিলাক নাই।

ডাইনাপালী ঃ কেনেকৈ থাকিব, ভাল মাক বাপেকৰহে আদৰ্শ থাকে, ইয়াৰ বংশতে নাই আদৰ্শ।

ওজা ঃ তুমি বংশক ধৰি কথা নকবা।

ডাইনাপালী ঃ একশ বাৰ কম। সৎ বংশত হে সৎ আদৰ্শ থাকে। আমি পৰম্পৰা নেৰো। এতিয়াও বিহু, তিথি আহিলে ৰাতিপুৱাই গা পা ধুই মা, মাহী, পেহী, জেঠী, খুৰীক এফালৰ পৰা সেৱা কৰি যোৱা মোক দেখা পাই, মোৰ ল'ৰা-ছোৱালীও।

ওজা ঃ এওহে মাতৃ ভক্ত পুত্ৰ, এওহে মাকক সেৱা কৰে। আমি নকৰো। তুমিতো বিহু তিথিত সেৱা কৰা, মই কৰবাত

যাব ওলালে মাক সেৱা কৰি যাও।

ডাইনাপালী ঃ হয় প্ৰভুসকল সিদিনা মই দেখিলো। ওজাৰ মায়েকে জিঞ্চৰ পেণ্ট-চাৰ্ট পিন্ধি বাইকত গৈ আছে।

ওজা ঃ সমাজত যা তা কথা কিয় কোৱা?

ডাইনাপালী ঃ কি যা তা কলো।

ওজা ঃ মা আধাবয়সীয়া তিৰোতা এজনী জিঞ্চৰ পেণ্ট-চাৰ্ট পিন্ধিব।

ডাইনাপালী ঃ কোন তিৰোতা?

ওজা ঃ মোৰ মা?

ডাইনাপালী ঃ মিচা কথা, তোমাৰ মা তিৰী নহয়।

ওজা ঃ তেনেহলে কি?

ডাইনাপালী ঃ মৰদ, তোমাৰ মা মৰদ মানুহ।

ওজা ঃ ছিঃ কি কথা কোৱা তুমি। মা মৰদ হব কিয়?

ডাইনাপালী ঃ তুমি সমাজৰ আগত কৈছা, তুমি তিৰীক সেৱা নকৰা।

ওজা ঃ এতিয়াও কৈছো, মই তিৰীক সেৱা নকৰো।

ডাইনাপালী ঃ সেইকাৰণে কৈছো মাৰে মৰদ।

ওজা ঃ তুমি ভুল বুজিছা।

ডাইনাপালী ঃ তুমিও শুদ্ধ বুজা নাই।

ওজা ঃ তিৰী মানে মই তুমি বিয়া কৰোৱা জনীৰ কথা কৈছো।

ডাইনাপালী ঃ সেইটোৱে তোমাৰ ভুল। মোৰ তিৰোতা হলেও তেওঁ কাৰবাৰ মা। অৰ্থাৎ মাতৃ জাতি সদায় পূজনীয়। চিৰ নমস্য।

*** *** ***

# ঠিকনা চোৰা বুঢ়া

ওজা : অ' প্ৰভু আছে।

ডাইনাপালী : হয় মই গা ধুবলৈ ওলালো।
আজি ৰাতি পুৱাৰে পৰা উঠিব পৰা নাই।

ওজা : আমিও যে বহু আশা কৰি বহু দুৰৰ পৰা আহিলো।

ডাইনাপালী : আপুনি কিয় আহিল।

ওজা : মই এটা গৰু কিনিব খোজো। কেনেকুৱা গৰু কিনিলে ভাল হয়?

ডাইনাপালী : আপুনি কিয় আহিল?

ওজা : মই এটা ঘৰ বান্ধিব খুজিছোঁ। মোৰ ডাঙৰ ল'ৰাটোৰ বাবে এজনে ছোৱালী চাব খুজিছো। কেনেকুৱা ছোৱালী চালে ভাল হয়।

ডাইনাপালী : ঘনচাটি উত্তৰ ঢাল।
মাক ভালে জীয়েক ভাল।

ওজা : কথাষাৰ কৈ ব্ৰাহ্মণ গা ধুবলৈ গ'ল। গা পা ধুই মন্দিৰত সেৱা কৰি ভাত পানী খাই হোকা· চিলিম লৈ ব্ৰাহ্মণ বাহিৰ ওলাই।

ডাইনাপালী : আপোনালোক যোৱা নাই।

ওজা : বহু দুৰৰ পৰা কথাখিনিৰ বাবে আহিছিলোঁ।

ডাইনাপালী : আপোনালোক কিয় আহিছিল?

ওজা : মই এটা গৰু কিনিব খুজিছোঁ।

ডাইনাপালী : ঘনচাটি। যিটো গৰুই ঘনকৈ নেঙুৰ ঘুৰাই, সেইটো গৰু

নিৰোগী আৰু কাম ভাল। আপুনি কিয়?

ওজা ঃ মই এটা ঘৰ বান্ধিব খুজিছোঁ।

ডাইনাপালী ঃ উত্তৰ ঢাল। অৰ্থাৎ উত্তৰফালে পিঠি দিয়া ঘৰ সকলো ঋতুত সমান সুখ।

আপুনি

ওজা ঃ মই এজনী ছোৱালী চাব যাম।

ডাইনাপালী ঃ নেচাব ছোৱালী নেচাব। মাকক চাব, মাক ভালে জীয়েক ভাল।

ওজা ঃ ধন্যবাদ।

ঘনচাতি উত্তৰ ঢাল

মাক ভালে জীয়েক ভাল।

## একৰ লগত দুই

ওজা ঃ দেশৰ ৰজাৰ একমাত্ৰ ছোৱালীৰ সয়ম্বৰ। ৰজাই ঢোল পিতি প্ৰচাৰ কৰি দিলে ৰাজকুমাৰীৰ

ডাইনাপালী ঃ সয়ম্বৰত ৰজা, মহাৰাজা, ধনী সদাগৰ। গৰীব, দুখীয়া সকলোৱে যোগদান কৰিব পাৰিব।

সয়ম্বৰৰ পন। যিজনে প্ৰশ্ন কৰি ৰজাক পৰাস্ত কৰিব পাৰিব। সেইজনৰ হাততেই ৰাজকন্যাক সমৰ্পন কৰা হ'ব। আৰু প্ৰশ্ন কৰি হাৰিলে কাৰাগাৰত বন্দি কৰি থোৱা হ'ব।

ওজা ঃ দেশ-বিদেশৰ ৰজা-ৰাজকুমাৰ, ধনী সদাগৰ পণ্ডিত সয়ম্বৰৰ থলিত উপস্থিত হ'ল।

ডাইনাপালী ঃ সময়ম্বৰ আৰম্ভ হওক। কোনে প্ৰশ্ন কৰিব আহক।

ওজা ঃ মহাৰাজ নমস্কাৰ

ডাইনাপালী ঃ প্ৰশ্ন কৰক

ওজা ঃ মহাৰাজ

জন্ম লগ্নৰ আপোন ভাই।
পোহৰত থাকে এন্ধাৰত নাই।।

ডাইনাপালী ঃ বৰ কঠিন প্ৰশ্ন কৰিলে আপুন?

ওজা ঃ প্ৰথম প্ৰথম ভাল চিন্তাত পেলালে

ডাইনাপালী ঃ নৰে দেঅক কন্যা উলিয়াবলৈ দিয়ক।

ওজা ঃ আপোনাৰ প্ৰশ্নৰ উত্তৰ চা হয়নে?

ডাইনাপালী ঃ হয় মহাৰাজ

ওজা ঃ ঐ কোন আছ, এওক নি কাৰাগাৰত বন্দি কৰি থোৱা।

ডাইনাপালী ঃ মহাৰাজৰ জয় হওক।

ওজা ঃ প্ৰশ্ন কৰক।

ডাইনাপালী ঃ মই অঙ্ক শাস্ত্ৰ মানুহ। মই অঙ্ক সম্পৰ্কে এটা সৰু প্ৰশ্ন কৰিম।

একেলগে আছিল একচল্লিছ ভাই
মাকে নিলে তিনিশ বাপেকে কিমান পাই।

ওজা ঃ প্ৰশ্নটো বৰ জটিল। তথাপি চিন্তা কৰি চাও, আপোনাৰ প্ৰশ্নৰ উত্তৰ একচল্লিছৰ তিনিশ গলে উত্তৰ ৩৮। অৰ্থাৎ ক ফলাৰ ৪১ টা আখৰ তাতে শ, ষ, স এই তিনি শ গলে ৩৮ থাকে। মোৰ উত্তৰ শুদ্ধ হৈছেনে?

ডাইনাপালী ঃ হৈছে মহাৰাজ।

ওজা　　　ঃ　ঐ কোন আছ অঙ্ক মাষ্টৰক কাৰাগাৰলৈ লৈ যা আৰু এইবাৰ কোনে কৰিব প্ৰশ্ন।

ডাইনাপালী ঃ　মই কৰিম, ঐ ৰাজা কৈনা দি, হিঃ হিঃ হিঃ

ওজা　　　ঃ　এইটো পাগল নে কি?

ডাইনাপালী ঃ　কইনা দি মই বিয়া কৰাম বিয়া কৰাম হিঃ হিঃ হিঃ

ওজা　　　ঃ　এইটো পাগল, এইটোক উলিয়াই দে।

ডাইনাপালী ঃ　নহয় মহাৰাজ? সয়ম্বৰক নিমন্ত্ৰণ কৰোতে তো এই কথা কোৱা হোৱা নাই। সকলোৰে উপস্থিতি কামনা কৰা হৈছে।

ওজা　　　ঃ　অৱশ্যে কথাষাৰ আপুনি থিকেই কৈছে। ঐ পাগল ৰাজসভাৰ পৰা ওলাই যা। নহ'লে মোক প্ৰশ্ন কৰ?

ডাইনাপালী ঃ　অ প্ৰশ্ন কৰিম। ঐ ৰাজা হিঃ হিঃ হিঃ

ওজা　　　ঃ　তাৰ ব্যৱহাৰ চোৱা। প্ৰশ্ন কৰ।

ডাইনাপালী ঃ　প্ৰশ্ন- শিয়ালে নিলাক শিয়েনী
　　　　লৰু গেল বাটে।
এইকথা ৰজাক সুধিছো
　　　　খাতে নে নাখাতে।।
যদি খাতে ১ ৰ লগত ২
　　　　যদি নাখাতে ২ ৰ লগত ৩

ওজা　　　ঃ　এইটো একো প্ৰশ্নই হোৱা নাই।

ডাইনাপালী ঃ　হৈছে।

ওজা　　　ঃ　শিয়েনী, লৰু একৰ লগত দুই, দুইৰ লগত তিনি

ঐ পাগাল মই তোৰ প্ৰশ্ন একো বুজি পোৱা নাই।

ডাইনাপালী ঃ হিঃ হিঃ হিঃ মোক কইনা দি হিঃ হিঃ হিঃ

ওজা ঃ কথাটোৰ অৰ্থ মই একো বুজি পোৱা নাই। হেৰ পাগাল তই আগতে অৰ্থটো বুজাই দে।

ডাইনাপালী ঃ আগতে কইনা দি। মই বিয়া কৰাম । মই বিয়া কৰাম।

ওজা ঃ বাৰু মই সমাজৰ আগত কথা দিলোঁ। মই তোৰ হাততে কন্যা সম্প্ৰদান কৰিম। এতিয়া প্ৰশ্নটোৰ উত্তৰ বুজাই ক।

ডাইনাপালী ঃ ৰাজা মোৰ আখান শিয়েনী আছিল আৰু এক দাল লৰু আছিল।

ওজা ঃ শিয়েনী মানে?

ডাইনাপালী ঃ কানী কাথা। মই আহি আছু বু বু বু।

ওডা ঃ কি হ'ল?

ডাইনাপালী ঃ মোৰ হাগা লাগিল। শিয়েনী খান ৰাষ্টাৰ কাষত থৈ মই জঙ্‌ঘলৰ কাষত হাইগবা গেলু। এটা শিয়াল আহি মোৰ শিয়েনীখান তানি নিলাক।

ওজা ঃ তই শিয়ালতু খেদিব নোৱাৰিলি?

ডাইনাপালী ঃ হাতত থকা লৰুডাল শিয়ালাৰা গালৈ মই মাৰি দিলু, লৰুদাল কবাত হেৰাল। লৰু গেল বাটে। এইকথা ৰজাক সুধিছো খাতে নে নেখাতে।

ওজা ঃ খাতিব

ডাইনাপালী ঃ যদি খাতে ১ ৰ লগত ২

ওজা ঃ তাৰ মানে?

ডাইনাপালী ঃ মই এক ৰাজকন্যাৰ লগত ২ হম।

ওজা ঃ যদি কও এইটো প্ৰশ্ন নাখাতে।

ডাইনাপালী ঃ সেনেহলি ২ৰ লগত তিনি হ'ব।

ওজা ঃ তাৰ মানে?

ডাইনাপালী ঃ আগতে বন্দি হৈছে দুজন। মই বন্দি হ'লে দুই একে তিনি হব।

ওজা ঃ আপুনি পাগল হব নোৱাৰে। আপোনাৰ আচল পৰিচয় ব্যক্ত কৰক।

ডাইনাপালী ঃ মহাৰাজ ধৃষ্টতা মাৰ্জনা কৰিব। মই কান্যকব্জৰ পৰা আহিছোঁ। মোৰ নাম পণ্ডিত প্ৰবৰ অনঙ্গ দেৱ শৰ্মা চিন্তা বাগিশ নিচ ব্যকৰণ তীৰ্থ।

ওজা ঃ নমস্কাৰ গ্ৰহণ কৰক পণ্ডিত প্ৰৱৰ। আৰু আপোনালোকা আটায়ে মোৰ কন্যাৰ সয়ম্বৰৰ অন্ন গৃহত পদাৰ্পন কৰক।

**** ** ****

## ইংৰাজী পণ্ডিত

ওজা ঃ তুমি ইংৰাজী নাজানা?

ডাইনাপালী ঃ তোমাত কৰি বোধহয় বেছি জানো।

ওজা ঃ তুমি বোলে স্কুলতে যোৱা নাই।

ডাইনাপালী ঃ কথা ভদ্ৰ ভাবে কবা। এই সমাজৰ মাজত তুমি মোক অপমান কৰিছা।

ওজা ঃ নপঢ়া কাৰণে নপঢ়া বুলি কৈছো। তাতে তোমাক অপমান কৰা হোল নেকি?

ডাইনাপালী ঃ তুমি বাৰে বাৰে যে কৈছা মই পঢ়া নাই। মই পঢ়িছো নে নাই প্ৰমাণ কৰা। আৰু ওজা প্ৰথম মই জাইনবা লাইগবো এতে কেখনিমান বিদ্যান মানুহ আছে?

ওজা ঃ আছে কোনোবা বি. এ., কোনোবা বি. এচ. চি., এম. এ., এম.এচ.চি, কোনোবা ডাক্তৰ, ইঞ্জিনিয়াৰ, ল পাছ ইত্যাদি।

ডাইনাপালী ঃ তাৰ উপৰোত বিদ্যান নহব লাগে।

ওজা ঃ ল ৰ ওপৰত নহব লাগে।

ডাইনাপালী ঃ মোৰ ডিগ্ৰী তাৰ ওপৰত। অৱশ্যে মই গৰীৱৰ চলি তথাপি মাই পিতাই মোক আধা পঢ়া কৰা নাই।

ওজা ঃ মই জনাই নাই হা। ইমান পাছ কৰিছা তুমি। কিমান পাছ কৰিছা তুমি মনত আছে।

ডাইনাপালী ঃ মনত নাই। আৰু ধৰা মোৰ বিচাব কৰাৰ প্ৰয়োজনো হোৱা নাই।

ওজা ঃ আচৰিত কথা ইমান জনা মানুহ এজন মোৰ লগত ঘুৰি ফুৰিছে অথচ মই জনা নাই।

ডাইনাপালী ঃ আজিতো গম পালা।

ওজা ঃ পালো। বাৰু ডাইনাপালী আজি মই ৰাইজৰ আগত তোমাৰ ডিগ্ৰী কিমান হিচাব কৰিম।

ডাইনাপালী ঃ ইয়াত তো ল ক লগি আছে।

ওজা ঃ তাৰ পিছৰ খিনি কলে হ'ব।

ডাইনাপালী ঃ ল ৱ, শ, ষ, স, হ, ক্ষ, ড়, ঢ়

ওজা ঃ ঐ মহাপণ্ডিত। ল ৰ পাছত এই ডিগ্ৰী পাছ কৰিছ।

ডাইনাপালী ঃ কি হ'ল?

ওজা ঃ বুজা গেছি তুমি ইংৰাজীত কিমান পাকৈট।

ডাইনাপালী ঃ ওজা। সেনাই কথা নকবা। ইতে মুখ মেলি দিবা।

ডাইনাপালী ঃ মই এটা ইংৰাজী কম। তুমি কথাতু অসমীয়া কৰি দিব লাগিব।

ওজা ঃ বাৰু কোৱা?

ডাইনাপালী ঃ শুইনবা আই উই আই চি ইটা তুমি অসমীয়াত কব লাইগব।

ওজা ঃ আই উই আই চি হেয় এইটু একো ইংৰাজী হোৱাই নাই। মই কিয় তোমাৰ ইংৰাজীৰ অৰ্থ কোনোৱে কৰিব নোৱাৰে।

ডাইনাপালী ঃ সেই কাৰণে কৈছো মোৰ মৈৰা ইংৰাজী তুনহাৰ দৰে সেমঠা ইংৰাজী নহয়।

ওজা ঃ এনে ইংৰাজী আমি শুনাই নাই।

ডাইনাপালী ঃ কিয় ইতা মুখ মেলি দিছা?

ওজা ঃ যি হওক এতিয়া তোমাৰ ইংৰাজীৰ অৰ্থ তুমি ৰাইজক নিজে বুজাই দিব লাগিব।

ডাইনাপালী ঃ কাহিনী তু ওজা এনাই ধৰণৰ। আক ঘৰৰ শাহু বোৱাৰী। বোৱাৰী গেছি ভাত ৰাইন্ধবা। শাহুৱেকে চতালত ধান মেলি দিছি। হেন সময়তে বাপা পশ্চিমৰ পাই আন্ধাৰ কৰি আই চি।

ওজা ঃ ও আই আন্ধাৰ কৰি আইচি। বৰযুণ আনিব। ধানখিনি সোনকালে তুলক। মই কেৰাহিত মাছ বহাইচু এৰা দিবা নৰু।

ডাইনাপালী ঃ হবদে মই পাৰিম দে।

ওজা ঃ শাহুৱেকে ডুকুলিত ধান ভৰাই মুৰত লৈ ঘৰৰ ভিতর সোমাই মজিয়াত ধান থব খুজিছে এনেতে -

ডাইনাপালী ঃ বোৱাৰী মাতা দ্বিছে। আই উই আই চি আই উই আই চি।

ওজা ঃ বোৱাৰী ইংৰাজী ক'লে আই উই আই চি

ডাইনাপালী ঃ ইতাও তুমি বুজা নাই।

ওজা ঃ নাইতো।

ডাইনাপালী ঃ ধান মজিয়াত থব ধৰাত বোৱাৰী শাহুক সতর্ক কৰিছে।
আই শাহুৱাইক সম্বোধন
উই অর্থাৎ মজিয়াত উই পোকৰ শাৰি
আইচি আহি আছে।

ওজা ঃ ইয়াতে ধান থলে উই পোকে ধানবোৰ খাব নষ্ট কৰিব।

ডাইনাপালী ঃ বুজি পাইচা না ওজা?

ওজা ঃ এইটো ইংৰাজী শব্দই নহয়।

ডাইনাপালী ঃ আগতে নহয় বুলি কিয় কব পৰা নাই।
এই বিলাকে ডাইনাপালীৰ বুদ্ধি।

*** *** ***

# ওৱাইফ মানে খুলশালী

ওজা : এইবাৰ তোমাক মই কেইটামান ইংৰাজীৰ প্ৰশ্ন কৰিম। তুমি কোৱাচোন ডাইনাপালী ডাইনাপালী - গ্ৰেনফাডাৰ মানে কি?

ডাইনাপালী : গেল ফাডাৰ কিহৰ গেল ফাডাৰ হা। তোমাৰ কিবা ভুল হৈছি। আমি পঢ়াতে গেল ফাদাৰটো নাছিল।

ওজা : বাৰু মানি ললো নাছিল। এইবাৰ কোৱা ফাদাৰ ইন ল মানে কি?

ডাইনাপালী : দেউতা।

ওজা : এইটোও নহয়। ফাদাৰ ইন ল মানে শহুৰ।

ডাইনাপালী : আচল দেউতা।

ওজা : আচল দেউতা মানে ফাদাৰ।

ডাইনাপালী : একে দে এটু জি সেটুও। সেই সেটু জি এটুও সেই।

ওজা : একে বুলি কলে কেনেকৈ হ'ব। ফাদাৰ আৰু ফাদাৰ ইনলৰ মাজত পাৰ্থক্য আছে।

ডাইনাপালী : পাৰ্থক্য আছে।

ওজা : তেনেহ'লে তুমি পাৰ্থক্য দেখুৱাই দিয়া ডাঙৰ কোন?

ডাইনাপালী : ফাদাৰ ইনল।

ওজা : ফাদাৰক তুমি সৰু কৰিলা।

ডাইনাপালী : বিয়াৰ আগলৈ ফাদাৰ ডাঙৰেই আছি। বিয়াৰ পিছত যেতিয়া ফাদাৰ ইনল আহিল তেতিয়া ফাদাৰ সৰু হ'ল।

ওজা : তুমি সমাজে বেয়া পোৱা কথা কৈছা।

ডাইনাপালী : ৰবাহা বেয়া পাওৰু। চোৱা অৰ্থই কি কয় —

ফাদাৰ — পিতা (শহুৰ)

ইন — ভিতৰ

ল — আইন

ভিতৰলৈ নিয়া এইজন হে তোমাৰ আছল পিতা।

ওজা ঃ আৰু জন্ম দিয়া পিতা জনক।

ডাইনাপালী ঃ ঘৰৰ পৰা বাহিৰ কৰি বৃদ্ধাশ্রমলৈ পঠিয়াই দিয়া।

ওজা ঃ যদি মা আছে?

ডাইনাপালী ঃ তীৰ্থলৈ নিম বুলি অচিনাকী ঠাইত এৰি আহিলেই হ'ল।

ওজা ঃ ফাদাৰ ইনলৰ অৰ্থ এই। বাৰু আৰু এটা সুধিম। ওৱাইফ মানে কি?

ডাইনাপালী ঃ বৰ হাহি উঠা কথা বিলাক সোধা হা।

ওজা ঃ হক দিয়াচোন হাহি উঠা কি কোৱা?

ডাইনাপালী ঃ ওৱাইফ মানে খুলশালী।

ওজা ঃ সমাজে বুজি পাইছে তুমি ইংৰাজীত কিমান পণ্ডিত।

ডাইনাপালী ঃ নাজনাই বুজিছে।

ওজা ঃ তথাপি তোমাৰ ভুল শ্বিকাৰ নকৰ।

ডাইনাপালী ঃ ভুল কৈৰলি হে চিকাৰ কৰিম?

ওজা ঃ হেৰা ওৱাইফ মানে নিজৰ স্ত্ৰী।

ডাইনাপালী ঃ ওৱাইফ মানে খুলশালী।

ওজা ঃ বুজাই দিয়া।

ডাইনাপালী ঃ আচ্ছা, ওজা পৰিবাৰৰ মানে ওৱাইফৰ ভনীজনী খুলশালী হয়তো।

ওজা ঃ হয় দিয়া।

ডাইনাপালী ঃ ওৱাইফ অকালতে তৎক্ষনাত মৰিল। ইটাতো ঘৰখন নচলে। গাওঁৰ মানুহে কলাক নাউমানতুক চাবাৰ কাৰণে তই বিয়া কৰাবা লাগিব।

ওজা ঃ বেলেগ বিয়া কৰাবা নালাগে নিজৰ মাহীয়েকজনী নাউমানতুক ডাঙৰ কৰিবা পৰিব।

ডাইনাপালী ঃ তাকে কৈইলু। ইটা তাই মোৰ কি হ'ল।

ওজা ঃ ওৱাইফ হ'ল।

ডাইনাপালী ঃ আগে কি আছিল ?

ওজা ঃ খুলশালী।

*** *** ***

## নিধনীৰ নাম

ওজা ঃ ঐ ল'ৰাহঁত। আজি তহঁতৰ হাজিৰাবহীত নাম লিখিম। নামবোৰ আৰু পিতাৰ নাম কবি।

তোৰ নাম —

ডাইনাপালী ঃ মোৰ নাম ৰমেন ডেকা। পিতাৰ নাম বতহু ডেকা।

ওজা ঃ তোৰ নাম ?

ডাইনাপালী ঃ মোৰ নাম মহিন্দ্ৰক কুমাৰ, পিতাৰ নাম মনহৰি কুমাৰ।

ওজা ঃ তোৰ নাম অঃ ৰঃ তই ধনী সদাগৰৰ চলি নহয়।

ডাইনাপালী ঃ হৈ মাষ্টৰ।

ওজা : দে নামতু কৌ?

ডাইনাপালী : মোৰ নাম নিধনী কেওত, পিতাৰ নাম ধনী কেওত।

ওজা : ঐ নিধনী। কথাতু ভাল নহয় এ। তোৰ বাপেৰ ধনী সদাগৰ তাৰে পুতাক নিধনী কুনিনু থৈছিল এতোৰ নামটো। আজি তোৰ নামতু নেলখুদে। তই এটা ভাল চাই নাম লৈ সোমবাৰে আহিবি।

ডাইনাপালী : হ্ব ছাৰ।

ওজা : আজি যা।

ডাইনাপালী : মাষ্টৰৰ কথাশুনি নিধনী ভাল নাম বিচাৰি গাওঁৰ মাজে মাজে গৈ থাকিল।

ওজা : ঐ চলি, ৰহ ৰহ গছদাল পৰিব কাটা হৈছি। অলপ ৰ ধিলা হৈ আছে মৰা গাছ।

ডাইনাপালী : হেৰি কি গছ এইডাল।

ওজা : অমৰা।

ডাইনাপালী : বুলে মৰা গছ হে।

ওজা : অ মৰা গছ। নচোৰা কিয়।

ডাইনাপালী : কি উল্টা কথা কৰে হা। গছ ডাল হ'ল অমৰা। ইটা কৈছে বুলে মৰা গছ।

ডাইনাপালী : তাৰ মানে অমৰাও মৰে।

ওজা : ইয়াৰ পৰা যা কি উল্টা পুল্টা কথা সুধি থাকে।

ডাইনাপালী : বৰ পিয়াহ লাগিছে অলপ পানী খাব পাৰিলে ভাল আছিল। হেৰি বৰ পিয়াহ লাগিছে অলপ পানী পাম নেকি?

ওজা ঃ সেইটো নিজৰা তাতে খাব পাৰিবা।

ডাইনাপালী ঃ কি নাম?

ওজা ঃ নিজৰা। পাহাৰৰ পৰা জৰি জৰি আহিছে।

ডাইনাপালী ঃ নিজৰা জৰে।

ওজা ঃ জৰে।

ডাইনাপালী ঃ বাহ কি সুন্দৰ। অমৰা মৰে। নিজৰা জৰে। হালোৱাজনৰ ওচৰত পানী আছে নেকি? হেৰি আপোনাৰ ইয়াত পানী খাব পাম নেকি?

ওজা ঃ ইয়াত পানী নাই বাপু? তুমি মোৰ ঘৰলৈ যোৱা। ৰাষ্টাৰ বাওঁফালে ২ নং ঘৰটো মোৰ ঘৰ। মৰাৰ ঘৰ কোনটোবুলি সুধিলে দেখাই দিব।

ডাইনাপালী ঃ আপোনাৰ নাম?

ওজা ঃ অ মোৰ নাম মৰা ৰাম ডেকা।

ডাইনাপালী ঃ আপুনি হাল বাইছে?

ওজা ঃ দেখিছাই দেখোন মই হাল বাই আছো।

ডাইনাপালী ঃ মৰাই হাল বায়।

ওজা ঃ মা দেউতাই দিয়া নাম। এতিয়া সলামে ক'ত? যোৱা আমাৰ ঘৰত পানী খাই যাবা।

ডাইনাপালী ঃ বাৰু হ'ব।

ডাইনাপালী ঃ ঐ ছোৱালী ক'ত যাব?

ওজা ঃ মই খুজিব যাওঁ। মোৰ মা-দেউতা কোনো নাই। মানুহৰ ঘৰে ঘৰে মই খুজি খাওঁ।

ডাইনাপালী ঃ তোৰ গাৰ কাপোৰ গতাই চিৰা এ ভাল কাপোৰ নাই?

ওজা ঃ নাই। ভাল কাপোৰ ক'ত পাম কোনে দিব?

ডাইনাপালী ঃ তোৰ নাম কি?

ওজা ঃ মোৰ নাম লখিমী।

ডাইনাপালী ঃ হা লখিমীঙ্গ কেনাই আচৰিত কথা এ।

অমৰা মৰে।

নিজৰা জৰে।

মৰাই হাল বায়।

লক্ষিমীৰ গাত চিৰা কানী।

মোৰ নাম নিধনী হোৱাই ভাল।

ওজা ঃ পিছদিনা নিধনী স্কুললৈ গৈ আটাইখিনি কথা মাষ্টৰক বুজাই ক'লে।

ডাইনাপালী ঃ নিধনীৰ কথা শুনি মাষ্টৰে বৰ ভাল পালে আৰু নিধনীৰ নাম হাজিৰা বহীত লিখিলে। আৰু কলে —

নামে মানুহৰ পৰিচয় নহয়

পৰিচয় হয় কৰ্মত।।

*** *** ***

## শিয়ালৰ সভা

ডাইনাপালী ঃ ওজা আজি কালি কথাবিলাক বৰ বিপৰীত হৈছি হা।

ওজা ঃ কেনে?

ডাইনাপালী ঃ শিয়াল আৰু ছাগালে সখি বান্ধা শুইনচনা।

ওজা : মই শুনা নাই হা ডাইনাপালী।

ডাইনাপালী : মজাৰ কথা। এটা পঠা ছাগাল আৰু এটা শিয়ালে সখী বাইঙ্কলাক।

ওজা : সখী বান্ধি শিয়াল আৰু ছাগলী আলোচনা কৰিলে।

ডাইনাপালী : আমি সমবায়ভিত্তিত আখান খেতি কৰো। এই বুলি এক দবলা মাটি ছাগালে শিঙেদি আৰু শিয়ালে দাতেদি নখেদি চহ কইল্লাক।

ওজা : মাটি চহ কৰি শিয়ালে চুৰ কৰি এঘৰৰ পৰা বিধান ধান আনিলে।

ডাইনাপালী : ধান চিতলাক।

ওজা : কেইদিন মানৰ পিছত ধান গজিল। দুয়ো সখীৰ আনন্দ। পাল পাতি দুয়ো ধান ৰখিবলৈ ধৰিলে।

ডাইনাপালী : ধানৰ গজালি কোমল ঘাহ দেখি চাৰিও কাশে একামাৰ দুকামাৰ কৰি পাঠাই খাই আছে।

ওজা : লাহে লাহে ধান পকিল। এদিন দুই সখী আলোচনা কৰিলে। এতিয়া আমাৰ ধান ভগাব লাগে।

ডাইনাপালী : ভগাব লাগে বুলি পঠাই ক'লে ধানখিনি। মোৰ নৰাখিনি আপোনাৰ।

ওজা : নহয় মোৰ ধান, শিয়াল গৰজি উঠিল। আনহাতে ধান গজাৰ পৰা আপুনি খোৱা আৰম্ভ কৰিছে। সেইবাবে ধানখিনি মোৰ নৰা আপোনাৰ।

ডাইনাপালী : পঠাই কলে নহব।

ওজা ঃ শিয়ালে হলে হ্বই লাগিব। নহলে আমি বিচাৰ পাতিম।

ডাইনাপালী ঃ মাতক সমাজ।

ওজা ঃ হ্ব। মই শিয়াল সমাজ মাতিম। অহাকালি দুপৰীয়া।

ডাইনাপালী ঃ সমাজ ক'ত বহিব।

ওজা ঃ বেতৰ মাজৰ হাবিত।

ডাইনাপালী ঃ নহব। চনবস্তিত বহিব লাগিব।

ওজা ঃ হ্ব। কালি দুপৰীয়া।

ডাইনাপালী ঃ দুয়ো তাৰ পৰা গৈ পাঠাই গাওঁত থকা ধেকুৰা কুকুৰবোৰক মাতি আনি ক'লে — অহাকালি দুপৰীয়া চনবস্তিত শিয়াল খাব পাৰিবি।

ওজা ঃ কেনেকৈ?

ডাইনাপালী ঃ তাতে শিয়ালৰ সমাজ বহিব। তুহাতে বস্তিৰ চাইৰো কাশে মনে মনে চুপি থাকিবি। মই যেতিয়া বে বুলি মাতিম তুহাতে যাবি আৰু ধাম ধুম শিয়াল ধৰি খাবি।

ওজা ঃ শিয়ালে শিয়ালবোৰক মাতি আনি ক'লে — চনবস্তিত কালি দুপৰীয়া এখন সমাজ বহিব লাগিব। পঠাই যেতিয়া সমাজ নামানো বুলি ক'ব পঠাক ধৰি আটায়ে দকচি খাব লাগিব।

ডাইনাপালী ঃ কথামতে পিছদিনা চনবস্তিত শিয়াল সভাৰ আয়োজন হ'ল। কুকুৰ বাহিনীক চাৰিওফালে থৈ পঠা সভাত উপস্থিত হ'ল।

ওজা ঃ এজনে প্ৰস্তাৱ কৰিলে আজিৰ সভাখনত সভাপতি

হিচাবে মই খৰা জেঠাৰ নামটো প্ৰস্তাব কৰিলোঁ।

ডাইনাপালী ঃ সকলোৱে হাত তালি দিলে। এইবাৰ মাল্য প্ৰদান।

ওজা ঃ ওচৰতে পৰি থকা গৰু পেলোৱা বাহ এদালৰ পৰি থকা পঘাৰে বান্ধি সভাপতিৰ মাল্যপ্ৰদান কৰা হ'ল।

ডাইনাপালী ঃ সভাৰ উদ্দেশ্য।

ওজা ঃ সভাপতি মহাশয়। পঠা সখী আৰু মই দুয়ো মিলি এখন সমবায় খেতি কৰিছিলোঁ।

ডাইনাপালী ঃ ধান পকাত।

ওজা ঃ আপোনাক কব দিয়া নাই নহয়। মই কৈ আছো — মই কলো ধান মোৰ নৰা আপোনাৰ।

ডাইনাপালী ঃ নহব। ধান মোৰ নৰা আপোনাৰ।

ওজা ঃ সমাজে ৰায় দিয়ক। সমাজৰ ৰায় ধান শিয়ালৰ নৰা ছাগলীৰ।

ডাইনাপালী ঃ নহব। ধান ছাগলীৰ নৰা শিয়ালৰ।

ওজা ঃ সখী। সমাজৰ কথা মানক।

ডাইনাপালী ঃ নাই মই সমাজ নামানো।

ওজা ঃ শুনক শুনক সভাপতি কৈছো ধান শিয়ালে পাব।

ডাইনাপালী ঃ নাই। এই ৰায় মই নামানো।

ওজা ঃ শিয়াল সমাজ কি চাই আছে পঠাক ধৰক।

ডাইনাপালী ঃ বেঃ বেঃ কোৱাৰ লগে লগে চাৰিওফালৰ পৰা ধেকুৰা বাহিনী আহি আক্ৰমণ কৰিলে শিয়ালবোৰক ধৰি।

ওজা ঃ বখলা বখল কৰিলে। কিছুমান গাতত সোমাল।

সভাপতিৰ হাহাকাৰ লাগিল।

ডাইনাপালী ঃ মাল্য প্ৰদান কৰোতে গলত আলে দে বাহ ডালৰ কাৰণে সভাপতি গাৰাত সুমবাও নৰে। দাইৰবাও নৰে।

ওজা ঃ শেষত সভাপতিক বগৰাই ধৰি

ডাইনাপালী ঃ ধেকুৰা বাহিনী নাৰী ভুড়ি বাহিৰ কৰি দিলে। পঠাৰ বুদ্ধিত সমবায় খেতি গোটেইখিনি পাঠাৰ দখল হ'ল।

*** *** ***

## আহামমক

ওজা ঃ ভালে ভালে লৰাটোৰ বিয়াখন হৈ গ'ল। বৰ সুন্দৰ ছোৱালী।

ডাইনাপালী ঃ ভলা কমাৰেৰ গাওঁৰ ছোৱালী কামে বনে ৰন্ধা বঢ়া সকলোতে পাৰ্গত।

ওজা ঃ এনেদৰে দিনবোৰ গৈ আছে। বোৱাৰী তিনিমাহৰ অন্তঃসত্তা।

ডাইনাপালী ঃ শাহুৱেৰ নাই, শহুৰেকৰ মনত বৰ আনন্দ। নহবৰ ঘৰত নাতি হব।

ওজা ঃ এদিন হঠাত খবৰ এটা চাৰিওফালে বিয়পি গ'ল। কমাৰ বুঢ়া মৰিল।

ডাইনাপালী ঃ পিছ দিনা ৰাতি পোহৰ নহওতে বৈৰাক নদীক পানী আইনবা গেল।

ওজা : পিচত নদীলৈ যোৱা তিৰোতাবোৰে দেখা পালে বুঢ়াৰ বোৱাৰীয়েকে মৰাশ খাই আছে।

ডাইনাপালী : কেইজনীমান দৌৰি আহি বুঢ়াক কলে। বৰগুণৰ বৰী আইনছিল। নদীৰ মৰাশ খাই আছে।

ওজা : কি আচৰিত মৰাশ খাইছে। তাইক আজি ঘৰত সোমাব নিদিও।

ডাইনাপালী : বুঢ়াই হাতত লাঠিদাল লৈ দুৱাৰ মুখত বহি থাকিল।

ওজা : বোৱাৰী গা পা ধুই ভৰা কলহটো লৈ ঘৰলৈ আহিল।

ডাইনাপালী : ঐ বেটি। ঘৰ নোসোমাবি। হা তোক মই কি খাব দিয়া নাই। ইমান আন্ধাৰতে উঠি তই মৰাশ খাবাহে নদীত গেছা। ৰাক্যেহনী, খকে ধোইচ্চি মানুহ খাইতি। ঐ বাপা খৰ্গে অহয় আহ।

ওজা : কি এ পিতা।

ডাইনাপালী : এই ৰাক্কেহনীক মাকৰ ঘৰত থৈযা। দুখ নকৰিবি। মই আক মাহৰ ভিতৰত তোৰ বিয়া পাতিম।

ওজা : এই ৰাক্কেহনী ওলা। ঘৰৰ মান সন্মান চোব পুৰি খালি। এখান ঘৰত তই কি খাব পোৱা নাই।

ডাইনাপালী : সমাজৰ আগত মই কেনেকৈ ওলাও। তই মোৰ জীৱনতু শেষ কৰি দিলি। আজিৰ পৰা তোৰ এইখন ঘৰত ঠাই নাই। অলো মই তোক মায়েৰ ঘৰত থৈ আহিম।

ওজা : বোৱাৰীক আগত লৈ খৰ্গে বোৱাৰীৰ মাকৰ ঘৰলৈ খোজ ললে। কলহটো লগত লৈ গ'ল।

ডাইনাপালী : ৰদ বৰ টান। ইফালে বোৱাৰী তিনিমহীয়া গৰ্ভৱতী।

এঠাইত সৰিয়হ তলিৰ মাজত এজোপা গছৰ তলত বোৱাৰীজনী বহি পৰিল।

ওজা : মোৰ বৰ ভাগৰ লাগিছে। মই ইয়াত অলপ বহিম।

ডাইনাপালী : বহা।

ওজা : উহ বৰ গৰম।

ডাইনাপালী : এক আহামক কামাৰবুঢ়া

এক আহামক আমাৰ বুঢ়া

এক আহামক যাৰ ভুমি

এক আহামক আমাৰ তুমি

ওজা : এইটো কি কথা কলা।

ডাইনাপালী : হয় এক আহামক (মুৰ্খ) কামাৰবুঢ়া।

ওজা : তাৰ মানে।

ডাইনাপালী : তাৰ মানে আমাৰ গাঁওৰ যে ভলা কমাৰ আছিল। এই ভলা কমাৰৰ তিৰি চলি বেটা পুত্ৰ কোনো নাই। কমাৰ কাম কৰি পোৱা ধনখিনি সোন কিনে আৰু সোণৰ লাৰু কৰি এখন জাল মোনাৰ ভিতৰত কমৰত বান্ধি ৰাখে।

ওজা : খৰছ কৰি খাব লাগে। সোণখিনি সাচি থয় কাৰবাবে।

ডাইনাপালী : সেই কাৰণে কামাৰ বুঢ়া আহামমক। এক আহামমক আমাৰ বুঢ়া।

ওজা : তুমি পিতাকো আহামমক বনালা।

ডাইনাপালী : হৈ কাৰণে কৈছো। যদি আহামমক নহয় কোনোবাই আহি ক'লে তোমাৰ বোৱাৰী মৰাশ খাইছে। সেই

কথাটোকে বিশ্বাস কৰি মোক এনেধৰণৰ গালি গালাজ।
এবাৰ তো মোক সুধিব পাৰিলে হয় মই মৰাশ ভোকত
খালো নে খকত খালোঁ।

ওজা : সেই কাৰণে পৰৰ কথামতে মানুহৰ মৰাশ কোৰা বুলি
বোৱাৰীজনীক ঘৰৰ পৰা

ডাইনাপালী : উলিয়াই দিয়া বাবে কৈছো। এক আহামমক আমাৰ
বুঢ়া।

ওজা : এক আহামমক যাৰ তুমি।

ডাইনাপালী : এই সৰিয়হখিনি যাৰ তেওঁ এক আহামমক। কাৰণ
সৰিয়হৰ মাজেৰে এটা ৰাষ্টা হৈছে। হৈছেতো হবলৈ
দিয়া। ৰাষ্টাৰ দুয়োমুৰে দুখন বেৰ দিয়াত বেৰৰ কাষেৰে
নতুন ৰাষ্টাৰ কৰি আগত কৈ বেছি সৰিয়হ ক্ষতি হ'ল।
সেইবাবে এই মাতিখিনিত

ওজা : যিজনে সৰিয়হৰ খেতিখন কৰিছে।

ডাইনাপালী : তেওঁ এক আহামমক যাৰ ভূমি।

ওজা : আৰু এক আহামমক।

ডাইনাপালী : আমাৰ তুমি।

ওজা : মই

ডাইনাপালী : আ আপুনি এক আহামমক। ইমান দিন মোৰ লগত
সংসাৰ কৰি মোক চিনি নেপালে।

ওজা : সেই কাৰণে আপোনাৰ দেউতাকৰ কথাশুনি

ডাইনাপালী : মোক মাৰ ঘৰত থবলৈ লৈ আহিল। কিয় এবাৰ আপুনি

মোক নুশুধিলে মই কিয় মৰাশ খালো। দেউতাকৰ কথাশুনি ৰাক্ষসীক মাকৰ ঘৰত থবলৈ আপুনি লৈ আহিল।

ওজা : তেনেহ'লে তুমি মানুহ খোৱা নাছিলা?

ডাইনাপালী : কথাষাৰ আপুনি আগতে শুধিব পাৰিলে হয়?

ওজা : বাৰু মোক কথাখিনি বুজাই কোৱাচোন।

ডাইনাপালী : চাওঁক ভোলা কমাৰৰ কথা আপুনি জানে।

ওজা : শুনিছো।

ডাইনাপালী : ভোলা কমাৰৰ কোনো বেটা পুত্ৰ নাই। কিন্তু তেওঁ সদায় কৰ্ম কৰে।

ওজা : তেওঁ কৰা উপাৰ্জন খিনি খাই শেষ কৰিব নোৱাৰেয বাকী ৰোৱা ধনখিনি ছমাহ বা বছৰত এবাৰ তেওঁ সোন কিনে। সোনখিনি গলাই এটা লাৰু কৰে।

ডাইনাপালী : এই লাৰুবোৰ বুঢ়াৰ এখন জালমোনাত ভৰাই সদায় ককালত বান্ধি ৰাখে।

ওজা : তুমি ইমান কথা কেনেকৈ জানিলা।

ডাইনাপালী : বুঢ়াই কেতিয়াবা কেতিয়াবা চাহ কাপ কৰি দিবলৈ পানী একলহ আনি দিবলৈ মোক মাতিছিল।

ওজা : তাৰ পিছত কি হ'ল?

ডাইনাপালী : যোৱাকালী গধুলি যেতিয়া শুনিলো যে ভোলা কমাৰ মৰিল। মই জানো যেহেতুকে বুঢ়াৰ কোনো নাই। বুঢ়াক দাহন নকৰে। নদীত ভহাই দিব। সেই ভাবি মই গোটেই ৰাতি শুব পৰা নাই।

ওজা : সেই কাৰণে তুমি ৰাতি নৌপুওতেই বিচনাৰ পৰা উঠি

কলহ লৈ নদীলৈ গ'লা।

ডাইনাপালী ঃ মই নদীৰ পাৰত বহি বৈ আছো। এনেতে মই দেখো মৰাশ এটা ভাহি আহিছে। মই সাতুৰি মৰাশটো ধৰিলো।

ওজা ঃ আৰু মৰাশ খালা কিয়?

ডাইনাপালী ঃ আপোনাৰ এতিয়াও মনৰ ভুল ধাৰনা আতঁৰা নাই। মৰাশটোৰ কমৰত যেতিয়া মই খেপিয়াই চালো জাল মোনাখন আছে। মই মোনাৰ গাঠিটো খুলিবলৈ বহুত যত্ন কৰিলো।

ওজা ঃ তেনেহ'লে তুমি কি কৰিলা?

ডাইনাপালী ঃ মই উপায়হীন হৈ কামুৰি কামুৰি মোনাৰ ৰচিদাল চিঙিলো।

ওজা ঃ সোনবোৰ কি কৰিলা?

ডাইনাপালী ঃ মই অতি সযতনে কোনেও নেদেখাকৈ এই কলহৰ ভিতৰত ভৰাই আনিছো।

ওজা ঃ তুমি বৰ বুদ্ধিমতী। তুমি মাৰ ঘৰলৈ যাব নেলাগে। আমাৰ ঘৰলৈ বলা। যদি কিবা কাৰণত পিতাই আমাক ঘৰত ঠাই নিদিয়ে আমি নিজে ঘৰ দুৱাৰ কৰি সুখত থাকিম।

ডাইনাপালী ঃ দুয়োজন পুনৰ ঘৰলৈ ফিৰি আহিল। ইয়াৰ অৰ্থ আনৰ চকুৰে বাট বুলিব নালাগে।

*** **** ***

# অকৰমণ্য

ডাইনাপালী ঃ এইবিলাকে বিয়া কৰাই পাপ লব নেলাগে?

ওজা ঃ কাৰ কথা কৈছা?

ডাইনাপালী ঃ অকৰমন্য এটাৰ কথা কৈছো। দেখাত দেখি বিয়া কৰে আপিটুৰো পাপ ললাক।

ওজা ঃ বিয়া কৰাটো কি পাপ হ'ল?

ডাইনাপালী ঃ বিয়া কৰাটো পাপ নহয়। বিয়া কৰে তিৰি চলিক আলে আথানি কৰাটো পাপ।

ওজা ঃ কাৰ কথা কৈছা? মই একো বুজা নাই।

ডাইনাপালী ঃ অহ মই চেইনাৰ পুতেক নন্দৰ কথা কৈছুহা?

ওজা ঃ কি হ'ল তাৰ?

ডাইনাপালী ঃ কি হব দেখাত দেখি বুলি কলু না, তিৰিটু, আপাই আপী ছয়টা মান। সি বেটাই আকদিন কামক যাব দুই দিন ঘুমাব।

ওজা ঃ এইটো বেয়া কথা। সংসাৰ কৰিছা। সংসাৰ পালন কৰিব লাগিব।

ডাইনাপালী ঃ তুমিহে কৈছ কিন্তু কি ঘটনা তুমিটো শুনা নাই।

ওজা ঃ শুনা নাই ৰবা।

ডাইনাপালী ঃ তিৰি চলিৰ জ্বালা সহ্য কৰিব নৰি একদিন সি বাবাজি হবা গেল।

ওজা ঃ ঘৰখন এনেকে এৰি থৈ?

ডাইনাপালী ঃ যায় যায় সি এক সৈন্যাসীৰ আশ্ৰম পালাক। আশ্ৰমত

যায় সৈন্যাসীজনক সেৱা কল্যাক।

ওজা : বৎস তোমাৰ মঙ্গল হওঁক। তুমি কৰ পৰা আহিলা? কিয় আহিলা মোক বুজাই কোৱা।

ডাইনাপালী : গুৰুদেৱ মোৰ সংসাৰত মন নাই মই ভগৱানক পাব বিচাৰু।

ওজা : তুমি এই ডেকা বয়সত?

ডাইনাপালী : হয় প্ৰভু। সংসাৰৰ প্ৰতি মোৰ বিৰাগ ভাব আইচি।

ওজা : বাৰু বৎস। তুমি ইয়াতে থাকা।

ডাইনাপালী : গুৰুদেৱ, মই কি কাম কৈৰবা লাইগবো।

ওজা : বিশেষ নাই। তুমি ৰাতিপুৱা উঠি আশ্ৰমখন চাফ-চিকুন কৰিবা। গা পা ধুই মোক ফুল তুলশী তুলি দিবা বৰ বিশেষ কৰিবলগীয়া কি আছে?

ডাইনাপালী : হব গুৰুদেৱ।

ওজা : সিদিনাৰ পৰা নন্দ আশ্ৰমত থাকিল।

ডাইনাপালী : পিছদিনা আশ্ৰমৰ কামখিনি কৰি গা পা ধুই ফুল তুলসী তুলি আনি সৈন্যাসীৰ ভৰিত ধৰি প্ৰণাম কৰি ক'লে গুৰুদেৱ মোক এটা ভাল আশীৰ্বাদ দিয়ক।

ওজা : বাচা তই মানুহ হ।

ডাইনাপালী : কি আশীৰ্বাদ দিলাকে। কালিয়ো যদি এই আশীৰ্বাদ দিয়ে মই সুধি পেলাম মোৰ লগত খাতিৰ বাতিৰ নাই।

ওজা : পিছ দিনাও নন্দই আশ্ৰমৰ কামখিনি শেষ কৰি সৈন্যাসীক প্ৰণাম কৰিলে।

ডাইনাপালী : প্ৰভু আশীৰ্বাদ কৰক।

ওজা ঃ বাচা তই মানুহ হ।

ডাইনাপালী ঃ প্রভু আপনাৰ এই দোষতু কেইতেৰপে হ'ল। চিকিৎসা কৈৰচিনা কিবা?

ওজা ঃ কি দোষ কি চিকিৎসা?

ডাইনাপালী ঃ আপনাৰ চকুৰ দোষ হবাৰ কিমানদিন হ'ল?

ওজা ঃ মোৰ চকুৰ দোষ। মোৰ চকুৰ দোষ হোৱাৰ কি প্ৰমাণ পালা।

ডাইনাপালী ঃ লাজ কৈৰবা নালগে গুৰুদেৱ। মানুহোৰ গাতে বেমাৰ হৱে।

ওজা ঃ বাচা।

ডাইনাপালী ঃ মই কলিয়ে গম পাইছো গুৰুদেৱ। আপনি সেই যে মোক আশীৰ্বাদ দিছি মই তেইতে জাইনচু আপনি চকুইদি দেখা নাপৈ।

ওজা ঃ কি মই চকুই দি দেখা নাপাওঁ।

ডাইনাপালী ঃ লাজ কৈৰবা নালগে গুৰুদেৱ। দেখা নাপৈ কাৰণে আজিয়ো আশীৰ্বাদ দিছি বাচা তই মানুহ হ। মইতো জন্মৰ পৰাই মানুহ। মোক আপুনি দেখা নাপেহে আৰু মানুহ হবা কৈছি।

ওজা ঃ মোৰ ভুলহৈছে বাছা। তুমি মানুহেই। মইয়ে তোমাক আৰু মানুহ হবলৈ আশীৰ্বাদ দিছোঁ।

ডাইনাপালী ঃ ইয়া আপনাৰ ভুলটু শুদ্ধ হ'ল গুৰুদেৱ।

ওজা ঃ বাৰু বাছা আজি তুমি মোক এটা কাম কৰি দিয়া। তুমি এই নদীৰ পাৰে পাৰে কিছু দূৰ যোৱাৰ পিছত

ডাইনাপালী ঃ এডাল ওখ শিমলু গছ দেখা পাবা। শিমলৰ ওপৰত এটা বুঢ়া শগুণ বাহত পৰি আছে — তাক কবা

ওজা ঃ হে শগুণ মহাশয়, সৈন্যাসী মোক পঠাই দিছে তেওঁক এটুকুৰা মানুহৰ মাংস লাগে। যদি নাই বুলি কয় এটা পাখী দিবলৈ কবা।

ডাইনাপালী ঃ সন্যাসীৰ কথামতে নন্দ নদীৰ পাৰে পাৰে গৈ থাকিল। কিচুদূৰ যোৱাৰ পিছত নদীৰ পাৰত অত তত মৰা মানুহৰ শ পৰি থকা দেখা পালে।

ওজা ঃ মৰাশৰ মাজেৰে নন্দ গৈ গৈ শিমলুজোপা দেখা পালে। হয় ওপৰত শগুনটো আছে।

ডাইনাপালী ঃ ঐ বুঢ়া শগুন। মোক সন্যাসী পঠাই দিছে। তেওঁক হেনো এটুকুৰা মানুহৰ মাংস লাগে।

ওজা ঃ মানুহৰ মাংস আতা জীয়াই থাকোতে এটুকুৰা খাবলৈ পাইছিলো। তেতিয়াৰে পৰা মানুহৰ মাংস দেখাই নাই।

ডাইনাপালী ঃ হু অকৰ্মন্য বুঢ়া শগুন। নদীৰ পাৰত কিমান মৰা মানুহ পৰি আছে। সি মানুহৰ মাংস বোলে পোৱাই নাই। ঐ শগুন যদি মাংস নাই এটা পাখীকে দিব কৈছে।

ওজা ঃ পাখী হু এইটো ল।

ডাইনাপালী ঃ পাখীটো হাতত লৈ নন্দ আহি সন্যাসীৰ ওচৰ পালে আৰু ক'লে শগুনে বোলে সৰু কালতে এটুকুৰা মানুহৰ মাংস খাবলৈ পাইছিল। মাংস নাই এই পাখীটো দিছে।

ওজা ঃ বাচা। এই পাখীটো লৈ ঘৰলৈ যোৱা। পাখীটো কাশতলিৰ তলত লৈ তোমাৰ ল'ৰা-ছোৱালীবোৰ চাবা।

তোমাৰ তিৰোতাজনীক চাবা। শেষত এখন ডাঙৰ আৰ্চিত তোমাৰ মুখখন চাবা।

ডাইনাপালী : হব প্ৰভু। মই গলো।

ওজা : নন্দ ঘৰ পোৱাৰ লগে লগে ল'ৰা-ছোৱালীবোৰে চিঞৰ বাখৰ লগাতে পিতা মিঠাই আনিছ। পিতাই পেটলুং আনিছ। পিতাই কিতাপ আনিছ।

ডাইনাপালী : সি বিৰক্ত হ'ল। পাখীটো কাযতলিত লৈ সি দেখে অতি আচৰিত।

ওজা : তাৰ মৰমৰ ল'ৰা-ছোৱালীবোৰ আচলতে মানুহ নহয়, কোনোৱাতো কুকুৰৰ পোৱালী, কোনোবাতো মেকুৰীৰ পোৱালী, কোনোটো শিয়ালৰ পোৱালী।

ডাইনাপালী : এনেতে তাৰ ঘৈনীয়েক দৌৰি আহিল। ও মোৰ কাৰণে চোলা চাদৰ আনিছে? এইকেইদিন ক'ত আছিল?

ওজা : পাখীটো লৈ নন্দই ঘৈনীয়েকৰ ফালে চালে। কিন্তু কি আচৰিত। এইজনীটো মানুহ নহয়।

ডাইনাপালী : এইটো দেখোন ধেকুৰনী কুকুৰ। সি দৌৰি ঘৰৰ ভিতৰলৈ গ'ল। আৰ্চিৰ সন্মুখত ঠিয় হৈ

ওজা : নন্দই পাখীটো কাশতলিত লৈ নিজৰ মুখখন চালে কিন্তু কি আচৰিত

ডাইনাপালী : সি দেখা পালে সিও মানুহ নহয়। তাৰ মুখখনবান্দৰৰ মুখ। সি এটা মলুৱা বান্দৰ। সি তেতিয়া বুজি পালে সন্যাসীয়ে বাৰে বাৰে কিয় তাক মানুহ হবলৈ আশীৰ্বাদ দিছিল।

ওজা ঃ নন্দ পুনৰ সন্যাসীৰ আশ্ৰমলৈ দৌৰি গ'ল আৰু সন্যাসীৰ চৰণত ধৰি

ডাইনাপালী ঃ প্ৰভু মোক মানুহ হোৱাৰ আশীৰ্বাদ দিয়ক।

*** **** ***

## কৃষ্ণই যি কৰে ভালে কৰে

ডাইনাপালী ঃ মহাৰাজ আপোনাক মই সদায় লক্ষ কৰিছোঁ আপুনি বৰ বিষন্ন মনে থাকে। মাজে মাজে মই আপোনাৰ চকুত চকু পানীও ..............

ওজা ঃ মন্ত্ৰী মহাশয়, আপুনি ঠিকেই কৈছে। মোৰ জীৱন বৰ দুখৰ জীৱন।

ডাইনাপালী ঃ কিয় তেনেকৈ কয় মহাৰাজ। আপুনি এখন দেশৰ বাগ্য বিধাতা।

ওজা ঃ আপুনি ঠিকেই কৈছে মন্ত্ৰী মহাশয়। মই এখন দেশৰ ভাগ্য বিধাতা। কিন্তু মন্ত্ৰী মহাশয়, মোৰ ভবিষ্যত অন্ধকাৰ।

ডাইনাপালী ঃ তাৰ মানে মহাৰাজ।

ওজা ঃ হয় মন্ত্ৰী, মোৰ কোনো ল'ৰা-ছোৱালী নাই।

ডাইনাপালী ঃ কৃষ্ণই যি কৰে ভালেই কৰে।

ওজা ঃ মন্ত্ৰী কি কয়। মোৰ ল'ৰা ছোৱালী নাই বাবে মন্ত্ৰী ভাল পাইছে।

ডাইনাপালী ঃ কিছুদিন পিছৰ কথা। সিদিনা ৰজাই হাঁহি মুখেৰে ৰাজসভাত প্ৰৱেশ কৰিলে।

ওজা ঃ সভাসদ আটাইবোৰে আসন গ্ৰহণ কৰক।

ডাইনাপালী ঃ মহাৰাজ, আজি আপোনাৰ মুখত মই প্ৰথমবাৰৰ বাবে হাঁহি দেখিছোঁ।

ওজা ঃ আপুনি ঠিকেই কৈছে মন্ত্ৰী মহাশয়। আজি মোৰ জীৱনৰ বাবে শুভ সংবাদ। আজি মোৰ এটা ল'ৰাৰ জন্ম হ'ল।

ডাইনাপালী ঃ কৃষ্ণই যি কৰে ভালেই কৰে।

ডাইনাপালী ঃ মহাৰাজ আজি তিনিদিন আগত আপোনাৰ মুখত হাঁহি দেখিছিলোঁ। কিন্তু আজি পুনৰ আপোনাৰ মনত অশান্তি।

ওজা ঃ হয় মন্ত্ৰী মহাশয়, মোক দুখেই লগ নেৰা হৈছে।

ডাইনাপালী ঃ মহাৰাজ

ওজা ঃ হয় মন্ত্ৰী, যোৱা কালিৰ পৰা ল'ৰাটোৰ অসুখ। কান্দি কান্দি ৰাণী পানী এটোপাও গ্ৰহণ কৰা নাই।

ডাইনাপালী ঃ কৃষ্ণই যি কৰে ভালেই কৰে।

ওজা ঃ মন্ত্ৰী

ডাইনাপালী ঃ আজি দুদিন ৰজা ৰাজসভালৈ অহা নাই। ও সৌৱা ৰজা আহিব ধৰিছে। মহাৰাজ আপুনি কান্দিছে?

ওজা ঃ মন্ত্ৰী বহু যত্ন কৰিয়ো ল'ৰাটো বচাব নোৱাৰিলো। ল'ৰাটো মৰি থাকিল মন্ত্ৰী।

ডাইনাপালী ঃ দুখ নকৰিব মহাৰাজ। কৃষ্ণই যি কৰে ভালেই কৰে।

ওজা ঃ মহামন্ত্ৰী।

ডাইনাপালী ঃ হয় মহাৰাজ, কৃষ্ণই যি কৰে ভালেই কৰে।

ওজা ঃ এইটো পাগল নেকি? মোৰ যেতিয়া ল'ৰা-ছোৱালী নাছিল তেতিয়াওঁ মন্ত্ৰী কৈছিল, কৃষ্ণই যি কৰে ভালেই কৰে।

ডাইনাপালী ঃ যেতিয়া ল'ৰাটো জন্মিল তেতিয়াওঁ কৃষ্ণই যি কৰে ভালে কৰে।

ওজা ঃ এতিয়া ল'ৰাটো মৰিল এতিয়াওঁ কয় কৃষ্ণই যি কৰে ভালে কৰে।

ডাইনাপালী ঃ অসহ্য। মন্ত্ৰীক বধ কৰিবৰ মন যায়। কিন্তু মন্ত্ৰীজন প্ৰজাবৎসল। এনেদৰে নহয় ইয়াক অৰণ্যলৈ নি বধ কৰিব লাগিব।

ওজা ঃ মন্ত্ৰী মহাশয়, মোৰ মন বৰ বেয়া।

ডাইনাপালী ঃ মহাৰাজ, এই অৱস্থাত এবাৰ আপুনি অৰণ্যৰ মাজৰ মনোমোহা দৃশ্যৰাজি উপভোগ কৰিব .........।

ওজা ঃ মই আপোনাক তাকেই কব খুজিছোঁ। অহাকালি দুয়োজন এই দৃশ্য উপভোগৰ বাবে অৰণ্যলৈ যাওঁ বলক।

ডাইনাপালী ঃ দুয়োজন অৰণ্যৰ মাজে মাজে আগবাঢ়ি গৈ আছে। এনে অৱস্থাত হঠাৎ ................

ওজা ঃ মন্ত্ৰী মহাশয়, আঃ আঃ

ডাইনাপালী ঃ মহাৰাজ কি হ'ল, ইচ ইচ ........

ওজা ঃ উজুটি খাই মোৰ আঙুলিটো চিঙি গ'ল মন্ত্ৰী।

ডাইনাপালী ঃ কৃষ্ণই যি কৰে ভালে কৰে। এতিয়া কি কৰা যাওঁ। ইমান ওখ টিলাটোৰ পৰা নামি যোৱাও অসুবিধা হ'ল।

ওজা ঃ মোৰ যি হয় হব। এই পাগলটোক টিলাৰ পৰা তললৈ পেলাই দিওঁ। কৃষ্ণই যি কৰে ভালে কৰক বুলি মন্ত্ৰীক তললৈ পেলাই দিলে।

ডাইনাপালী ঃ ৰজাই দুখে ভাগৰে তললৈ নামিবলৈ যত্ন কৰি আছে তেনে অৱস্থাতে

ওজা ঃ কোন তহঁত, মোক কিয় ধৰিছ?

ডাইনাপালী ঃ আমি সন্যাসীৰ শিষ্য। আজি অমৰশ্যা। আজি আমাৰ কালী মাক নৰবলি লাগে।

ওজা ঃ আজি বেছ সুন্দৰ বলি পাইছে।

ডাইনাপালী ঃ ঐ মই এই দেশৰ ৰজা।

ওজা ঃ তেনেহ'লে আৰু ভাল হ'ব। কালীমাৰ আগত তোক বলী দিয়া হব।

ওজা ঃ সন্যাসী পূজাৰ শেষত বলি আনিবলৈ ক'লে।

ডাইনাপালী ঃ ৰজাক তানি আনি গা-ধুৱাই সেন্দুৰৰ ফোট দিলে।

ওজা ঃ শালত পেলাবলৈ যত্ন কৰোতে, ৰজাৰ চিঙা আঙুলিৰ পৰা তেজ ওলাবলৈ ধৰিলে।

ডাইনাপালী ঃ সন্যাসী কলে, মুৰ্খহত এইটো বলি নহব। দেখা নাই এইটো অঙ্গক্ষত। বলি এৰি দে।

ওজা ঃ সন্যাসীৰ কথামতে ৰজাক মুকলি কৰি দিলে। ৰজাৰ মনত পৰিল আঙুলিটো চিঙাৰ সময়ত মন্ত্ৰী কোৱা কথাযাৰ — কৃষ্ণই যি কৰে ভালে কৰে।

ডাইনাপালী ঃ ৰজাই বুজি পালে। মন্ত্ৰীক পেলাই দি মই বৰ ভুল কৰিলোঁ। ৰজাই মন্ত্ৰীক বিচাৰি বিচাৰি তললৈ নামি আহিল।

ওজা ঃ মন্ত্ৰী মহাশয়, মই বৰ ভুল কৰিলো। আপুনি মোক ক্ষমা কৰিব।

ডাইনাপালী ঃ কিহৰ বাবে ক্ষমা মহাৰাজ ?

ওজা ঃ আপোনাক পেলাই দিয়াৰ পিছত মোক সন্যাসীৰ শিষ্যই ধৰি নিচিল কালী পূজাত বলি দিবলৈ। যেতিয়া মোৰ ভৰিৰ পৰা তেজ ওলোৱা দেখা পালে মোক এৰি দিলে।

ডাইনাপালী ঃ মহাৰাজ।

ওজা ঃ হয় মন্ত্ৰী। আঙুলিটো চিঙোতে আপুনি কৈছিল — কৃষ্ণই যি কৰে ভালে কৰে। কথাষাৰ সম্পূৰ্ণ সত্য মন্ত্ৰী মহাশয়। আপুনি মোক ভুলৰ বাবে ক্ষমা কৰিব।

ডাইনাপালী ঃ কৃষ্ণই যি কৰে ভালে কৰে। আপুনি মোক পেলাই দি ভাল কাম কৰিছে মহাৰাজ।

ওজা ঃ কিয় মহামন্ত্ৰী ?

ডাইনাপালী ঃ যদি দুয়োজন একেলগে থাকিলোহেঁতেন সিহঁতে দুয়োজনক ধৰি নিলেহেঁতেন।

ওজা ঃ মহামন্ত্ৰী।

ডাইনাপালী ঃ হয়, মহাৰাজ। আপোনাৰ ভৰিত তেজ ওলাইছে আপোনাক এৰি দিলে। হয় মোৰটো তেজ ওলোৱা নাই। সিহঁতে মোক বলি দিলেহেঁতেন। কৃষ্ণই যি কৰে ভালে কৰে।

*** *** ***

# ভেদোখুৰা

ওজা : ও বাপা মানিক। অহা মাহত বিয়াখন পাতিবই লাগিব। মই এটা ছোৱালীৰ খবৰ পাইছো তই ছোৱালীটু চাই আইভা লাগে।

ডাইনাপালি : মাই কথাটু ঠিকেই কৈছা। কৈনা চাবা যাবা লাগিলি ভাল কাপ্পুৰ লাইগবো, জতা লাইগবো, ঘড়ী, চচমা চোব লাইগবো।

ওজা : লাইগবো ৰ এটা কাম নকৰা কিয়া। মাষ্টৰৰ পুতেক অতুলৰ পে আক দিনৰ কাৰণে কৈ নানা কিয়া।

ডাইনাপালি : দেতে আনিম দে।

ওজা : অতুলৰ পৰা পেন্ট, চাৰ্ট, ঘড়ী, চচমা, জুতা সকলোখিনি আনি মানিকে সাজি কাচি ছোৱালী চাবলৈ গ'ল।

ডাইনাপালী : নমস্কাৰ।

ওজা : বহক বহক। মানিকক বহিব দি ছোৱালীৰ দেউতাক ঘৰৰ ভিতৰলৈ গৈ সকলোকে ক'লে — ল'ৰাক কোনেও একো প্ৰশ্ন নকৰিবি। এনেকুৱা ল'ৰা পাবলৈ নাই।

ডাইনাপালী : দেখাত কেনে বিদ্যান বা কিমান?

ওজা : ধুনীয়া ল'ৰা, বিদ্যানো বি. এ. পাচে হবা লাগে। চাহ পানী দিব লাগে। পাৰিলে বিয়া অহা মাহত পাতিবই লাগে। এনে ল'ৰা পাবলৈ নাই।

ডাইনাপালী : ল'ৰাৰ বিষয়ে কোনেও একো নুশুধিলে। যথা সময়ত ধুম ধামেৰে মানিকৰ বিয়া হৈ গ'ল।

ওজা ঃ কেইদিন মানৰ পিছত ইকান সিকান কৰি কথাটো প্ৰচাৰ হ'ল।

ডাইনাপালী ঃ ধুনীয়া ল'ৰা দেখা পাই একো নোসোধাকৈ ছোৱালীজনীক দিয়া উচিত হোৱা নাই।

ওজা ঃ ল'ৰাটো বোলে মুৰ্খ। পঢ়া-শুনা একো নাই।

ডাইনাপালী ঃ ছি ছি মাক বাপেকে ছোৱালীজনীৰ মহাপাপ ল'লে।

ওজা ঃ ল'ৰাৰ ঠগ দেখি চব ভুল গ'ল।

ডাইনাপালী ঃ অপীটো ভালত পৰা দেখা পাই জ্বলি পুৰি মৈৰবা ধৈৰচি। মোৰ বাপ্পাই এমান হিংসা।

ওজা ঃ বাই আছা।

ডাইনাপালী ঃ আচুৰবা নাথকি কোত মৈৰবা। এখান গাউত নাথকু নাথকু লাইগছি।

ওজা ঃ অ বাই কিবা শুইনলু দুখু।

ডাইনাপালী ঃ তুহ্ননু কি নুহনা। ভাল চলিত আপিতু পৰিলটো কাইয়ো সহ্য কৈৰবা পাৰা নাই। নাপে পৰৰ ভাল দেখিলে এনকে জ্বলি পুৰি মৈৰবা নালগে। ভগবানে সহ্য নকৰে।

ওজা ঃ মই কথাটো সুধিবই পোৱা নাই।

ডাইনাপালী ঃ খুইৰাক আজি জ মোৰ মনতো আজি বৰ বৈয়া।

ওজা ঃ বৈয়া পাইছ যদি, যাও দে।

ডাইনাপালী ঃ চলিট দেখা পাই বাইপাকে গতাই পাৰহিএ মেলীঘৰ নাচালাক, দুৱাৰ নাচালাক, আপীটুক দেউ বুলি ঘপকে কলাক। ইতা সকলে দুখ কৰে চলিতু মুৰ্খ বুলি। আহক বাপে নেটা খাবা আইভাৰ দিনা চলিক পৰীক্ষা কৰিম।

ওজা ঃ ভিনদেউ অহা পৰহি নেতা খাবা যোৱাৰ কথা কৈ পঠিয়াইছে। মাৰে অলপ সোনকাৰে যোৱাৰ কথা কৈছে।

ডাইনাপালী ঃ হয় দিয়া। নিয়মৰ কথা আছে যেতিয়া যাব লাগিব দিয়া। তুমি আজি থাকিবা।

ওজা ঃ নাই নোৱাৰিম। গৰু কেইটা আছে নহয়। কেতিয়াবা পিছত আহিলে থাকিম দিয়ক।

ডাইনাপালী ঃ অ খুৰা ঘৰত আছে?

ওজা ঃ কুনি অঃ, মানিক দুখু এ পুৰাই পুৰাই আহিলি দুখনি বহ।

ডাইনাপালী ঃ মই নবহু খুৰা। কথা এটা কবা আহিলু।

ওজা ঃ কি কথাৰে?

ডাইনাপালী ঃ আজি শহুৰথেৰ নেতা কাব মাতিছে। আপুনি মোৰ লগত যাবা লাইগবো।

ওজা ঃ মই হেই বেয়া দেখি। তই তোৰ লগৰ সখী বন্ধু নিব লাগে।

ডাইনাপালী ঃ নেনাও। আপুনি যাবা লাইগো।

ওজা ঃ মই নাযাও যা।

ডাইনাপালী ঃ আপুনি নাযে যদি ময়ো নাযাওঁ।

ওজা ঃ প্ৰথম প্ৰথম বৰ বৈয়া কথা হব।

ডাইনাপালী ঃ যি হৱে তাকে হব। আপনি নেগলি মই নাযাওঁ।

ওজা ঃ বৰ মুস্কিলত ফেললিএ। যা অগত্যা নেৰা যদি যাম যা অলোনি।

ডাইনাপালী ঃ তে অলে আহা মই অলংগে।

ওজা ঃ ইমান পলম হ'ল ইতাকলেগি দুখু জাৱেৰ দেখা দেখিয়ে নাই।

ডাইনাপালী ঃ বলা খুৰা বলা। ঘৰ পাবাৰে হৈছি।

ওজা ঃ বি এ আইছি, বাপা আহা। আকালাগে ভৰি দুখন ধুই ল। ৰাস্তাততো আকো অসুবিদা হনাই বিয়ে।

ডাইনাপালী ঃ নাই আকো অসুবিধা হোৱা নাই।

ওজা ঃ বি এ আপুনি আহাই মই বৰ ভাল পাইচু।

ডাইনাপালী ঃ কি কৰিব, ই মানিকে নেৰে নহয়।

ওজা ঃ ভাল হৈছি দক আহাই ভাল হৈছি। এটা কাম কৰক বি এ। চাহ তাহ খাই হেৰি কৰক। তুলসিৰ গুৰত নাউমান ঠগি ধুই দিছু জৱে আকআধ্যা পুথি পঢ়ক। ভাত কেতাও হক।

ডাইনাপালী ঃ খুৰা মই টো পঢ়িব নাজানু।

ওজা ঃ হবোদে মই আছোটো। চিন্তা কৰিব নালাগে।

ডাইনাপালী ঃ মোৰ ভয় লাইগচি খুৰা।

ওজা ঃ মনে মনে থাক। ঠগিৰ কাষক লগি যো। প্ৰথমে এটা হৰিদ্ধানী দব লাইগব।

ডাইনাপালী ঃ জয়ো ভেলা।

ওজা ঃ হেয় কৃষ্ণ বুলে হৰি বোল হৰিবোল।
পুথিখন খুল।

ডাইনাপালী ঃ এটু হবনা খুৰা।

ওজা ঃ অ এটু শান্তি পৰ্ব। ভাল ভাল এতে পহৰ।

ডাইনাপালী ঃ শুইনচা ভেদো খুৰা আগৰ দিনৰ ক

আছিল অতি বৰো

আজি কালি ক সৰু হৈ গেল

মই মাতিবকে নৰো।

ওজা ঃ শুনিছে বিয়েনী কি সুন্দৰ কথা ক মানে কৃষ্ণ, বৰ তেৰে জগতৰ শ্ৰেষ্ঠ। সেই ভগৱান কৃষ্ণক মাতিবকে নৰো, মানুহে তেওঁৰ মহিমা কি বুজি পাম। মাত বাপা।

ডাইনাপালী ঃ এ ৰাম শুইনচনা ভেদে খুৰা

ভীম মহাবলী

শিলে দি সাগৰ বান্ধি

লঙ্কাক গৈলা চলি।

ওজা ঃ এনেকুৱা বলবান ভীম, ৰামে যি শিলেদি সাগাৰ বান্ধি সাগাৰ বান্ধি লঙ্কাক গেছিল সেই গতাই শিল ডাইঙবা পাৰা বলবান ভীম কি সুন্দৰ কথা। পঢ়া।

ডাইনাপালী ঃ এ ৰাম।

ওজা ঃ বি. এ. বেলাও গেছি ভাতো হৈছি আৰ আধ্যা ফেলে দেক।

ডাইনাপালী ঃ খুৰা মইতো সেইতু নাজনু।

ওজা ঃ হব আধ্যাতু মইয়ে ফেলাও দে।

মহাভাৰতৰ কথা অমৃত সমান।

ডাইনাপালী ঃ তুমি আজি নাহা হলি খুৰা
মোৰ সন্মান ৰাখা হলহৈ তান।।

ওজা ঃ ঐ নাক কাতি হাত, হে গজমুৰি হাত, মোক এনাই কাইমৰে আচলি। মোৰ জাৰে আকো নাজনে। ইটা চাহি মাহাভাৰত উল্টা পাল্টা কৰি ফেললাক। বাপে আজিহে বিকাৰ পলচি।

ডাইনাপালী ঃ ভেদো গাউবুঢ়াৰ বুদ্ধিত মহামুৰ্খ মানিকে জ্ঞানীৰ পৰিচয় দি আহিল।

*** *** ***

## আহু বামুন

ওজা ঃ বাৰু ডাইনাপালী, তুমি যি কলা ব্ৰাহ্মণৰ দুটা জাত।

ডাইনাপালী ঃ জাত দুটা। এটা আহু আৰু এটা শালী।

ওজা ঃ ধানৰ আহু, শালী থাকে। এওঁ আৰু ব্ৰাহ্মণৰ আহু, শালী পালক।

ডাইনাপালী ঃ আছেতো নহলি কওনা।

ওজা ঃ তুমি বুজে কব পাৰিবা। চাবা কিন্তু ইয়াত বহু ব্ৰাহ্মন আছে।

ডাইনাপালী ঃ সেইতু কি ডাঙৰ কথা। মই বৈয়া কতা কলেহে বৈয়া পাব।

ওজা ঃ নকবাও বেয়া কথা।

ডাইনাপালী ঃ ইটা তোমাক কোনটো বামুনৰ গুণ লাগে।

ওজা ঃ আগে আহুটোকে কোৰাচোন।

ডাইনাপালী ঃ ৰাম অৱতাৰত বামুনৰ

নউতা আছিল গুন।

কৃষ্ণ অৱতাৰত বামুনৰ

কান্ধত নগুন।।

কান্ধত লৈ বামুনে

মুখত কৰে ৰাম ৰাম।

বাটে বাটে সুধি ফুৰে

কাৰ ঘৰত আছে কাম।।

মই আছিলো তাচ খেলে

খচকৈ আহিলু উঠি।

বাটতে বামুনক পাই

সুধিলো পিতাৰ কামৰ তিথি।।

আজি আছিল হবিচ তোৰ

কালি পিতেৰ কাম।

দাউৰা দাউৰি যোগাৰ কৈনি

মই পুৱাই উঠি যাম।।

বামুন মাতি আহোতে মোৰ

গাটু আহিল হেলে।

তিনদাল আইঠা কল কাতি

চতলোত দিলু ফেলে।।

ৰাতিপুৱাই বামুন আহি
চতালত দিলাক থিয়া।
বামুন আহি পালুৱে
বৈহবা নেদা কিয়া।।
মই দিলু ঢাৰা পাৰি
বামুন বহিল ঢাৰাত।
বামুনে বোলে যযমান
আন দুৱা তুলসী পাত
বৈভাৰ সময়ত বামুনে
আলে থলাক মনা।
দুই হাত তিন হাত কৰি
বামনে নটা শিলাক দনা।।
দনা পাটিলাক খালি পাতিলাক
ঠগীৰ কৈৰলাক শাৰী।
দেৰি কৰিবা নালগে
তাতে পাট খান লৌ পাৰি।।
লেঙটিটু টানকে বান্ধ
আঙুলিত কুহৰ গাঠি লৌ
তুলশীৰ পানী গাত চিতে
আগে শুদ্ধি হৌ।।
নমঃ নমঃ কৰি বামনে
মুখৰ ভিতৰত মন্ত্ৰ দিলাক মাতি।

বাইপেৰ পিণ্ড সানি তই
থৌ ভাগ পাতি।
ভাগ পাতা হল যদি
হাতত তুলি লৌ
পানীৰ যদি শুবিধা নাই
বাহৰ তলত থৌ।
পিণ্ড থৈ আহি মই
চতালত দিলো থিয়া।
গিৰাতেনী উঠি বোলে
মাত নেদেনু কিয়া।
মোৰ কথাত গীৰাতেনি
কৰে হুৰা মুৰা।
ঢেকীৰ পৰা খুন্দি আইনাক
আধা খুণ্ডা গুৰা।
দৈ গাখীৰ আঠিয়া কলে
বামুনক দিলু পিঠাগুৰি।
সোৱাদ পাই বামুনে
পিঠাগুৰি খাই লুৰালুৰি।
খাই লৈ উঠি বামুনৰ
পেট টু হ'ল তান।
হেৰ হেৰ যযমান তাই
ভাল চাই ধাৰা এখন আন।

মই দিলো ধাৰা পাৰি
বামুন পৰিল ধাৰাত।
অনুমান কৰো বামুনৰ
বাজনা দোতাৰাত।
বামুনে বোলে যযমান
মোৰ হাগা লাগিল তান।
তাৰাতাৰি কৰি তই
পানী একঘটি আন।
পানী ঘুটি লৈ বামুনে
ঠেং দিলাক দাঙি।
দেউনা বেৰা পাৰ হওঁতে
মঠাউৰী গেল ভাঙি।
পিঠা গুৰি খাই বামুনে
কৰে হৰি হৰি।
তিনিদিন মান পাচত শুনু
বামুন আছে মৰি।

ওজা : তোমাৰ ঘৰত গুৰাৰ জলপান খুৱাই বামুন তুক মাৰিলা।

ডাইনাপালী : শালি বামুনৰ এনাই খখ নাই হা ওজা।

*** *** ***

# জ্ঞানীপক্ষী

ডাইনাপালী ঃ শাল্ব ৰজা বৰ প্ৰজাবৎসল ৰজা আছিল। দেশৰ প্ৰজাৰ যদি কোনো জতিল ৰোগ হয় ?

ওজা ঃ ৰজা শাল্বৰ ৰাজ ভাণ্ডাৰৰ ধনেৰে ৰোগী সকলক চিকিৎসা কৰা হয়।

ডাইনাপালী ঃ তাৰ বাবে ৰজাই ৰাজ্যৰ সীমাৰ বাহিৰত চিকিৎসালয় নিৰ্মাণ কৰি থৈছে।

ওজা ঃ ইয়াৰ কাৰণ প্ৰজাৰ মাজত যাতে ৰোগ বিয়পিব নোৱাৰে তাৰ বাবে ৰাজ্যৰ সীমাৰ বাহিৰত।

ডাইনাপালী ঃ বেমাৰী প্ৰজাসকলক চিকিৎসা প্ৰদান কৰা হয়। সম্পূৰ্ণ আৰোগ্য হোৱাৰ পাছত নিজৰ ঘৰলৈ যাবলৈ অনুমতি দিয়া হয়।

ওজা ঃ দুৰ্ভাগ্য বশত এবাৰ ৰজাৰ কুষ্ঠ বেমাৰ আৰম্ভ হ'ল।

ডাইনাপালী ঃ ৰজাই ভাবিলে প্ৰজাৰ বেমাৰ হ'লে মইৰাজ্যৰ বাহিৰত চিকিৎসা দান কৰো।

ওজা ঃ এতিয়া যদি মোৰ বেমাৰত ৰাজ্যৰ ভিতৰত থাকি চিকিৎসা কৰা হয় ......

ডাইনাপালী ঃ এই কথাটো নীতি বিৰুদ্ধ হ'ব। নহয় মই প্ৰজাৰ মনত হেয় হোৱা কাম কৰিব নোৱাৰো। নানান চিন্তা কৰি এদিন ৰাতি ...

ওজা ঃ ৰজাই হাতত সাৰে ভৰিত সাৰে ঘৰৰ পৰা ওলাই গ'ল। ৰাতিৰ পিছত দিন দিনৰ পিছত ৰাতি কেইবা দিন অৰণ্যৰ মাজে মাজে গৈ .....

ডাইনাপালী ঃ ৰজা বৰ ভাগৰি পৰিল। এজোপা ডাঙৰ গছৰ তলত বহি পৰিল। ভোগে পিয়াহে দুৰ্বল হৈ পৰিছে ৰজাৰ দেহ।

ওজা ঃ উঠি গৈ পানী বা খোৱা বস্তু বিচৰাৰ ক্ষমতা ৰজাৰ শৰীৰত নাই।

ডাইনাপালী ঃ ৰজাই ওপৰ ফালে মুখ কৰি চাই দেখে যে তেওঁ আওজি বহি থকা গছ ডালৰ ওপৰৰ পৰা গা গছ ডালেৰে ....

ওজা ঃ বগা পনীয়াধৰণৰ পদাৰ্থ বৈ আহি আছে। ৰজাই উপায়ন্তৰ হৈ বৈ অহা বগা পদাৰ্থবোৰ জিভাৰে চেলেকি খাবলৈ ধৰিলে।

ডাইনাপালী ঃ একেৰাহে ৰজাই গছ জোপাৰ তলতেই কেইবাদিন বহি থাকিল। কিন্তু আচৰিত ধিনা চিকিৎসাত ৰজাৰ দেহৰ দুৰাৰোগ্য ঘাবোৰ শুকাবলৈ আৰম্ভ কৰিছে।

ওজা ঃ ৰজা বৰ আচৰিত হ'ল। গছৰ ওপৰৰ পৰা বগা পদাৰ্থবোৰ কি, কৰ পৰা আহিছে।

ডাইনাপালী ঃ ৰজাৰ চাবৰ মন গ'ল। ৰজাই অনুমান কৰিলে দেহৰ দুৰ্বলতা নাই ঘাবোৰো শুকাইছে। নিশ্চয় এইয়া .....

ওজা ঃ মই চাব লাগিব বুলি ৰজা গছৰ ওপৰলৈ উঠি গ'ল। ই কি এইয়া দেখোন এটা প্ৰকাণ্ড চৰাই।

ডাইনাপালী ঃ তাৰ বিষ্টাবোৰে গা গছেৰে বৈ আহিছিল। ইয়াৰ বিষ্ঠাত যদি ইমান গুণ, মঙহত নিশ্চয় শতগুণ থাকিব।

ওজা ঃ এই বুলি ৰজাই চৰাইটো ধৰি তললৈ নমাই আনিলে। পক্ষীক বধ কৰাৰ উদ্দেশ্যে হাতত খৰ্গ লোৱাৰ লগে

লগে পক্ষীয়ে .....

ডাইনাপালী ঃ ৰজাক কলে। হে ৰজা মোক বধ কৰাৰ আগত আপুনি মোক কেইটামান প্ৰশ্নৰ উত্তৰ দিব লাগিব।

ওজা ঃ যদি প্ৰশ্নকেইটাৰ উত্তৰ দিব পাৰে তেতিয়া আপুনি মোক বধ কৰিব পাৰিব।

ডাইনাপালী ঃ মোৰ প্ৰশ্ন কি জানে

ৰাম মূৰ্খ, ৰাৱন মূৰ্খ

মূৰ্খ দুৰ্যোধন

তাতকৈ মহামূৰ্খ

শাল্বৎ ৰাজন।

এই প্ৰশ্নকেইটাৰ উত্তৰ দি মোক বধ কৰক।

ওজা ঃ আৰু যদি উপযুক্ত উত্তৰ দিব নোৱাৰে মোক যথা স্থানত থৈ আহক।

ডাইনাপালী ঃ হে পক্ষীবৰ, মই আপোনাক শতকৌতি প্ৰণাম জনাইছো। এনেকুৱা গুঢ়াৰ্থৰ অৰ্থ মই বুজাই কব নোৱাৰিম। দয়াকৰি পক্ষীবৰ এই প্ৰশ্নৰ তত্ব আপুনি মোক বুজাই দিয়ক।

ওজা ঃ হে পক্ষীবৰ, আপুনিয়ে কলে ৰাম মুৰ্খ। যি জগত পতি ৰাম। এই ৰাম কেতিয়া কিয় মুৰ্খ হৈছিল এই কথাখিনি মোক বুজাই কওঁক।

ডাইনাপালী ঃ হে ৰজা। বিশ্বশ্ৰষ্টা জগদিশ্বৰ ৰাম ভুত ভবিষ্যত অতীত বৰ্তমান যাৰ নখ দৰ্পনত। সেই প্ৰভু ৰামৰ এটা সৰু ভুলৰ বাবে তেওঁ মুৰ্খৰ পৰিচয় দিছিল। অৰ্থাৎ

ওজা ঃ যেতিয়া পঞ্চবতী বনত মায়াবী মাৰিছে সোণৰ হৰিণ ৰূপেৰে সীতাক মোহিত কৰিছিল। সীতা দেৱীৰ কাতৰ অনুৰোধত ৰামে জীয়াই জীয়াই সোণৰ হৰিণ ধৰিবলৈ হৰিণৰ পাচে পাচে খেদি গৈছিল সেই অৱস্থা প্ৰভু ৰামে নাজানিছিল নেকি যে এইটো মৰিচৰ মায়া।

ডাইনাপালী ঃ সেই সময়তে ৰামে কিয় সীতাক বুজাব নোৱাৰিলে। সোণৰ হৰিণ মায়াবী হৰিণ।

ওজা ঃ ভাৰ্য্যা সীতাক উপেক্ষা নকৰি হৰিণৰ পাছে পাছে খেদি গ'ল।

ডাইনাপালী ঃ সেই সময়খিনিত ৰামে মূৰ্খৰ পৰিচয় দিছিল।

ওজা ঃ ৰাৱন মূৰ্খ হৈছিল দুটা কাৰণত। এটা হ'ল ৰাৱনে অহঙ্কাৰত অন্ধ হৈ স্বৰ্গলৈ যোৱা পথ নিৰ্মাণ কৰিব খুজিছিল। দ্বিতীয় যেতিয়া ৰামে ৰাবন বধৰ বাবে দূৰ্গা পূজা পাতি, ৰাবনক পুৰোহিত হিচাবে নিমন্ত্ৰণ দিয়াত ৰাবন পুৰোহিত হৈ ......

ডাইনাপালী ঃ সংকল্পৰ সময়ত নিজৰ মৃত্যুৰ সংকল্প নিজেই লৈছিল।

ওজা ঃ এই সময়ত ৰাবণে মুৰ্খৰ কাম কৰিছিল।

ডাইনাপালী ঃ মুৰ্খ দুৰ্যোধন। পঞ্চপাণ্ডব বনবাসৰ পৰা আহি দুৰ্যোধনৰ ওচৰত পাচ ভাইৰ বাবে পাচখন গাঁৱৰ অধিকাৰ বিচাৰিছিল।

ওজা ঃ সেই কথাত অহঙ্কাৰী দুৰ্যোধনে কৈছিল পাঁচখন গাওঁতো দূৰৰ কথা বিনাযুদ্ধে বেজিৰ আগত উঠা মাটিয়ো পাণ্ডবক

দিয়া নহ'ব।

ডাইনাপালী ঃ তাৰ ফলত কুৰুক্ষেত্ৰ যুদ্ধত কৌৰৱ সবংশে ধ্বংস হ'ল।

ওজা ঃ যি সময়ত এই বাক্য দুৰ্যোধনে প্ৰকাশ কৰিছিল। সেই সময়ত দুৰ্যোধনে মুৰ্খৰ পৰিচয় দিছিল।

ডাইনাপালী ঃ মহা মুৰ্খ শালবৎ ৰাজন।

ওজা ঃ যি পক্ষীৰ বিষ্ঠা খাই দুৰাৰোগ্য গলিত কষ্ঠ বেমাৰ ভাল হৈছিল। সেই পক্ষীক ....

ডাইনাপালী ঃ হত্যা কৰি তাৰ মাংস খাব বিচৰাতো কেনেধৰণৰ কথা।

ওজা ঃ তাৰ উপৰি পক্ষীৰ বিষ্ঠাত যি ৰোগ নিৰাময় গুণ আছে মাংসত সেই গুণ নাই।

ডাইনাপালী ঃ গতিকে ৰজাই এইয়া মহাভুল কৰিবলৈ ওলাইছিল। সেইবাবে কোৱা হৈছে ৰজা হৈয়ো শাল্বৎ মহামুখ।

*** *** ****

## মেলেকী গৰু

ডাইনাপালী ঃ ঐ আতা, এই গৰু পালটো কাৰ।

ওজা ঃ এই গৰু পালটো মোৰ নিজৰ গৰু।

ডাইনাপালী ঃ বাৰু আতা। তোৰ গৰুৰ পালটোৰ মেলকি গৰু কোনটো?

ওজা ঃ ই পাগল নে কি?

ডাইনাপালী ঃ এই ধান দোবলা কাৰ খাইছি না খাব?

ওজা ঃ কি কথা কৈছা ধান পকাই নাই। ধান পকিব, কাটিব

তাৰ পিছত হে খাব।

ডাইনাপালী : আতাএ আজি ৰাতিটো তোৰ ঘৰতে মই থাকিম দে।

ওজা : তই ইয়াতে বহ, গৰু কেইটা বান্ধি আহো। অ' আই এটা চলি আহিছে তাক ভৰি ধুব পানী দে, মই আহো।

ডাইনাপালী : হবদে পিতে।

ওজা : ভৰি ধুৱা পানী দিলি

ডাইনাপালী : কাৰ চলি এ পিতে।

ওজা : কবই নৰো ৰহ পাগলে নে চাগলে মই গৰু লৈ আহি থাকোতে মোৰ লগ লাগিল, কথাও নাই বতৰাও নাই সি মোক সোধে হে আতা এই গৰুৰ পালটু কাৰ।

ডাইনাপালী : তই কি কলি?

ওজা : মই কলো মোৰ। সি আৰু সুধিলাক আতা তোৰ গৰু পালৰ মেলকী গৰু কোনটু।

ডাইনাপালী : তই উত্তৰ দিলি না।

ওজা : গৰুৰো কবাত মেলেকি গৰু থাকেনা?

ডাইনাপালী : পিতে এ চলি বৰ জ্ঞানী হান পাউদে। ইমান জানা চলি তইয়ে তাৰ কথাৰ উত্তৰ দিবা পাৰা নাই।

ওজা : কি উত্তৰ দিবিএ পাগালৰ কথাত।

ডাইনাপালী : নহয় পিতে তই ভুল ভাইবচা, চলি পাগলা নহয়, বৰ জানা চলি। মেলকি গৰু যি কৈছি সি ঠিকেই কৈছি। বাৰু পিতে তই কৌ আমাৰ গৰু মাখাৰ আগত কোনটো গৰু যায়।

ওজা ঃ আমাৰ মুগা হাইলাতু।

ডাইনাপালী ঃ সেতুৰে মেলকি গৰু। যেনেকে এটা ডাঙৰ মানুহে এখন সমাজ চলৈ। আমাৰ মুগা হাইলাই গৰুৰ পালতু চলাই। মুগা যহয় যায় বাকী গৰুও সহয় যায়।

ওজা ঃ তই থিকে কৈছা দে মাই, মই হে বুজি পনাই। ৰহচুন ই পাগল যদি নহয় চিৰকান্তথেৰ ৰাস্তাৰ কাষৰ ধান ডবলা দেখা পাই মোক সুধে আতা ধান দবলা কাৰে।

ডাইনাপালী ঃ তই কিবা কলি না?

ওজা ঃ কলু চিৰকান্তৰ ধান। সি কৰে খাইচিনা খাব। ধান নাকাতাতে খাবা পাৰে?

ডাইনাপালী ঃ নহয় পিতে চলিতুই বৰ জ্ঞানৰ কথা সুধিছে।

ওজা ঃ তইয়ো পাগলা হলি নে কিএ? ধান নাকাতাকে খাবা পাৰে?

ডাইনাপালী ঃ পাৰে। তাৰ মানে চলিতুই সুধিছে গৃহস্থে ধান দবলা কাবাক দেইখে, ধান কাইটলি দিম বুলি ধৰাক লাগি ধান আনি খাইছি নেকি, না ধান কাতাৰ পিছত নিজে খাব।

ওজা ঃ এ, এহ মাই কথাটু মই দক লাগি ভাবিয়ে চনাই এ, হৈ দে চলিটু বৰ জনা চলি দে।

ডাইনাপালী ঃ দে, মই চলিতুক চাহ তাহ দেউদে, তই কথা বাৰ্ত্তা পাত।

ওজা ঃ বাপা তই কোৰে, কোক যাবা আইছা।

ডাইনাপালী ঃ মই বিয়া কৰাবা এটা তিৰি বিচাৰি ফুৰিছো। মই ৰজাৰ

ঘৰত কাম কৰো।

ওজা ঃ বাপ পাৰে কি কহে। ৰাজাৰ ঘৰত চাকৰি কৰা।

ডাইনাপালী ঃ অ, মই ৰজাৰ ঘৰত চাকৰি কৰু।

ওজা ঃ পাচে তই যি কলি তিৰি বিয়া কাৰাৰ কথা, মানুহে আপীহে বিয়া কৰৈ।

ডাইনাপালী ঃ মই আপী বিয়া নকৰাও।

ওজা ঃ আমাৰ ঘৰত আপীতুহে আছে।

ডাইনাপালী ঃ আটচা আতা আপী আৰু তিৰীৰ পাৰ্থক্য কি এ?

ওজা ঃ তই আকৌ নাজানা হে পিতে, শিৰত সেন্দৰ নেদাক লাগি আপী, শিৰত সেন্দুৰ দিয়াৰ পিছত তিৰী।

ডাইনাপালী ঃ ইতা বুজি পালী না আতা। তইয়ো তিৰীয়ে বিয়া কৰাইচ।

ওজা ঃ ধেত নাই কৰ মই আপী বিয়া কৰেছু।

ডাইনাপালী ঃ বাৰু আতচা তোৰ বিয়াত তেলৰ ভাৰ দিছিল না?

ওজা ঃ দিছুটো আগদিনা তেলৰ ভাৰ পিচদিনা বিয়া।

ডাইনাপালী ঃ তেলৰ ভাৰৰ দিনা কইনাৰ শিৰত সেন্দুৰ দিছিনা?

ওজা ঃ দিছি

ডাইনাপালী ঃ তোৰ জিয়েৰাই কোৱা হিচাপে শিৰত সেন্দুৰ দিয়াৰ পিছত তিৰী হল না।

ওজা ঃ হৈ দে, সেই হিচাবে মইয়ো তিৰী বিয়া কৰৈছু।

ডাইনাপালী ঃ বাৰু আতা তোৰ আপীতু দিয়া যদি মই বিয়া কৰাম।

ওজা ঃ ধুম ধামেৰে বিয়াখন শেষ হ'ল।

*** *** ***

# হাইলা গৰুৰ ঘিউ

ডাইনাপালী ঃ মহাৰাজ এটা ডাঙৰ কথা হ'ল। আপোনাৰ চাকৰজন যে মধু তিৰী বিয়া কৰিম বুলি গৈছিল।

ওজা ঃ কি হ'ল তাৰ।

ডাইনাপালী ঃ মহাৰাজ আচৰিত, সচাঁকৈ সি যিজনী তিৰোতা বিয়া কৰাই আনিছে, তিৰোতাজনী তাৰ যজ্ঞৰ নহয়, তিৰোতাজনী আপোনাৰ বাবেহে উপযুক্ত।

ওজা ঃ হলেও সি বিয়া কৰাই আনিছে।

ডাইনাপালী ঃ নহয় মহাৰাজ, মধুৰ তিৰোজীজনীৰ ওচৰত আপোনাৰ ৰাণী একেবাৰে নগণ্য।

ওজা ঃ আপুনি...

ডাইনাপালী ঃ চিন্তা নকৰিব মহাৰাজ, যিকোনো বুদ্ধিৰে তিৰোতাজনী ৰাজৰাণী কৰিব লাগিব।

ওজা ঃ কিন্তু কেনেকৈ?

ডাইনাপালী ঃ চিন্তা নকৰিব মহাৰাজ, আপুনি ৰাজসভালৈ মাতি আনক। আৰু তাক কওক

ওজা ঃ মধু এই কেইদিন তমি নোহোৱাতেই মই এখন যজ্ঞৰ আয়োজন কৰিলো। বাকী সকলো বস্তু যোগাৰ হৈছে।

ডাইনাপালী ঃ কেৱল তোমাৰ কাৰণে এটা বস্তু বাকী আছে। সেইখিনি বস্তু একেবাৰে সাধাৰণ যজ্ঞৰ বাবে পাচ পোৱা হাইলা গৰুৰ ঘি তুমি যোগাৰ কৰি দিব লাগে।

ওজা ঃ মই কত পাম কেনেকৈ?

ডাইনাপালী ঃ নাজানো

ওজা ঃ এইটো সম্ভৱ নহব মহাৰাজ।

ডাইনাপালী ঃ এইটো তুমি আনি দিব লাগিব। শুনা যদি তুমি হাইলা গৰুৰ ঘি আনি দিব নোৱাৰা তেনেহ'লে, তুমি বিয়া কৰাই অনা তিৰোতাজনী মোক দিব লাগিব।

ওজা ঃ বাৰু মই ঘৰলৈ যাওঁ মহাৰাজ।

ডাইনাপালী ঃ আৰু চাৰিদিন।

ওজা ঃ হেৰা, মোৰ কপাল বেয়া

ডাইনাপালী ঃ কি হল, আপুনি ইমান দুখ মনেৰে আহিছে।

ওজা ঃ হয় ৰজাই এটা বৰ টান কাম দিছে।

ডাইনাপালী ঃ টান কাম কি টান কাম?

ওজা ঃ ৰজাই হেনো যজ্ঞ পাতিছে, যজ্ঞত হাইলাগৰুৰ ঘি লাগে। দিব নোৱাৰিলে ৰজাই তোমাক লৈ যাব।

ডাইনাপালী ঃ ৰজা ইমান নিচ, পৰৰ বিবাহিত তিৰোতা নিব। আপুনি চিন্তা নকৰিব। নিচিন্ত মনে বহি থাকক।

ওজা ঃ হেৰা আজি চাৰিদিন ৰজাই ঘিউ নিবলৈ আহিব, মই কি কৰিম এতিয়া।

ডাইনাপালী ঃ বাৰু আপুনি একোচা ধানখেৰ আনক।

ওজা ঃ এই ধানখেৰ।

ডাইনাপালী ঃ কাঠিত পাৰক, চিৰা বস্তাখন তাৰ ওপৰত পাৰক, তামোল খাওক পিকখিনি বস্তাতে খেৰত পেলক। তাতে বহি থাকক।

ওজা ঃ ৰজা আহিলে।

ডাইনাপালী ঃ যি কবা লাগে মই কম। আপুনি মনে মনে থাইকবো।

ওজ ঃ অ' মধু আছা।

ডাইনাপালী ঃ আহক মহাৰাজ, আমাৰ কি ভাগ্য মহাৰাজ, আজি আমাৰ ভঙা পজাত বহিবলৈ কি দিম।

ওজা ঃ নাই নাই নবহো মধু ক'ত?

ডাইনাপালী ঃ আছে লাজতে ওলাই অহা নাই। কথাতো কি মোক কক।

ওজা ঃ মোৰ যজ্ঞৰ কাৰণে পাচপোৱা হাইলা গৰুৰ ঘিউ আনি দিয়া কথা আছিল।

ডাইনাপালী ঃ হয় মহাৰাজ কথাটো মোক কৈইছিল। কিন্তু কি কৰিব আপোনাৰ পৰা আহাৰ পিছতে তেওঁৰ মাহেকীয়া হৈছে।

ওজা ঃ তুমি কি আচৰিত কথা কৈছা।

ডাইনাপালী ঃ নহয়, মহাৰাজ বিশ্বাস কৰা নাই যদি সেইয়া বাৰাণ্ডাত চাওক।

ওজা ঃ তুমি কি আচৰিত কথা কৈছো, মতা মানুহৰ মাহেকীয়া হোৱা কথা কত শুনিছা?

ডাইনাপালী ঃ মহাৰাজ, যদি মতা মানুহৰ মাহেকীয়া নহয়, হাইলা গৰুৰ পোৱালী বা গাখীৰ দিয়া কেতিয়াবা শুইনছিনা।

ওজা ঃ তুমি সাধাৰণ তিৰোতা হৈ মোক বহুত কথা কৈছা।

ডাইনাপালী ঃ পৰৰ তিৰোতাক মাতৃ জ্ঞান কৰিব নজনা ৰজা হলেও ঘৃণাৰ পাত্ৰ।

*** *** ***

# মুৰ্খ ৰজা

ওজা ঃ মহাৰাজ মোৰ এখন বিচাৰ আছে।

ডাইনাপালী - কি বিচাৰ?

ওজা ঃ লঙ্কেৰ ওৱালখন ভাঙি মোৰ ছাগলীটো মাৰিছে।

ডাইনাপালী ঃ লঙ্কে তোৰ ফাচী হব, তোৰ ওৱাল ভাঙি ভেন্দাৰ ছাগলী মাৰিছে?

ওজা ঃ মহাৰাজ ওৱালখন মিস্ত্ৰীহে বনাইছে, তাৰ ফাচী হ'ব।

ডাইনাপালী ঃ তই থিকে কৈছা, মিষ্ট্ৰীক মাতি আন।

ওজা ঃ মোক মাইতছি মহাৰাজ।

ডাইনাপালী ঃ তই মিষ্ট্ৰী, তই বনোৱা ওৱাল ভাঙি ভেন্দাৰ ছাগলী মাৰিছে, তোৰ ফাচী হব।

ওজা ঃ মহাৰাজ মোৰ দোষত ওৱাল ভাঙা নাই, মই যিটো কলহেদি ওৱালৰ মচলাত পানী দিছো, কলহৰ দোষত মচলা পাইনা হৈছে।

ডাইনাপালী ঃ ঠিকে কৈছা, তোৰ দোষ নাই, লঙ্কে তই কলহটো কৰ পৰা আনিছ?

ওজা ঃ সৰ্থেবাৰীৰ কহাৰৰ ঘৰৰ পৰা আইনচু।

ডাইনাপালী ঃ কাহাৰৰ ফাচী হ'ব, তাক লৈ আহ।

ওজা ঃ মহাৰাজ কি দেওক হলি, মোক কিয় মাতলাক দেওক।

ডাইনাপালী ঃ তোৰ ফাচী হ'ব, তই বনোৱা কলহেদি মচলাত পানী দিয়া কাৰণে মচলা পাইনা হৈ ওৱাল খহি গেছি, মুখখান ইমান বহল কৰিছিল কিয়? ঐ কোন আছ ফাচীৰ জৰী

ইয়াৰ গলত সুমাই দিয়া।

ওজা : মহাৰাজ জুইৰ দাক খাই খাই ইয়াৰ দেহাত একো নাই, ফাচীৰ জৰী গলৰ পৰাই ওলাই গ'ল।

ডাইনাপালী : হুকুম কেতিয়াও নলৰে। কাবাৰ ফাচী হবই লাগিব, জৰীদাল যাৰ গলত ফিট হয় তাক লৈ আহ।

ওজা : হব মহাৰাজ।

ডাইনাপালী : পাইছানে নাই?

ওজা - মহাৰাজ এই সন্যাসীটোৰ গলত ৰচীডাল ফিট হৈছে।

ডাইনাপালী : সন্যাসী দুজন কিয় আনিছ?

ওজা : নহয় মহাৰাজ, মই নিজেই আহিছো। আপুনি তাক এৰি দিয়ক, মোক ফাচী দিয়ক।

ডাইনাপালী - নহয় মহাৰাজ, মোক ফাচী দিয়ক।

ওজা : নহয় মহাৰাজ, মোক দিয়ক।

ডাইনাপালী : চুপ, মানুহে মৰিব ভয় কৰে। কিন্তু তহঁতৰ মৰিবলৈ ইমান হেপাঁহ।

ওজা : আজিৰ এই তিথিটোৰ বাবে বাৰ বছৰ তপস্যা কৰিছো, পলম নকৰিব, মোক ফাচী দিয়ক।

ডাইনাপালী : এই তিথিৰ বাবে বাৰ বছৰ তপস্যা।

ওজা : হয় মহাৰাজ, আজি এই শুভক্ষণ।

ডাইনাপালী : শুভক্ষণ মানে?

ওজা : মহাৰাজ আজি এই তিথিত যাৰ মৃত্যু হ'ব সি লগে লগে স্বৰ্গপ্ৰাপ্তি হব।

ডাইনাপালী ঃ সচানে?

ওজা ঃ সচা মহাৰাজ, পলম নকৰিব নহলে তিথি পাৰ হৈ যাব।

ডাইনাপালী ঃ এই সুযোগ মই আনক দিব নোৱাৰো। ৰচিডাল মোৰ গলত লগাই দে।

*** *** ***

## ভকৰ ভকৰ

ওজা ঃ কালিদাস তুমি ইমান ডাঙৰ পণ্ডিত, তোমাৰ পিতা কিমান ডাঙৰ?

ডাইনাপালী ঃ মহাৰাজ, মোৰ পিতা মোতকৈ দহ গুণ ডাঙৰ পণ্ডিত।

ওজা ঃ দহ গুণ ডাঙৰ। কালীদাস তেনেহ'লে মই অহা বৃহস্পতিবাৰে তোমাৰ পিতাক দৰ্শন কৰিবলৈ যাম।

ডাইনাপালী ঃ মহাৰাজ।

ওজা ঃ তুমি আজি ঘৰলৈ যোৱা আৰু মই যোৱা বাৰ্ত্তা তোমাৰ পিতাক দিবা।

ডাইনাপালী ঃ হব মহাৰাজ, তেনেহলে মই ঘৰলৈ যাও।

ওজা ঃ বোপা কালীদাস আদি ৰাজসভাৰ পৰা অসময়ত...

ডাইনাপালী ঃ হয় পিতা মই এটা খবৰ লৈ আহিছো। অহা বৃহস্পতিবাৰে ৰজাই তোমাক দৰ্শন কৰিবলৈ আহিব।

ওজা ঃ সৰ্বনাশ ৰজাই যদি মোক কিবা প্ৰশ্ন কৰে।

ডাইনাপালী ঃ তুমি একো চিন্তা কৰিব নালাগে। মই কোৱা মতে কৰি যাবা।

ওজা ঃ মোৰ ভয় লাগিছে বোপা।

ডাইনাপালী ঃ একো ভয় নাই। তুমি ৰাতিপুৱা গা পা ধুই মন্দিৰত সোমাবা আৰু ভগৱান ভগৱানকৈ থাকিবা। ৰজাই মাতিলেও তুমি নেমাতিবা, বাকীখিনি মই কৰিম।

ওজা ঃ ভগৱান ভগৱান কওঁতে কওঁতে বেলি ন মান বাজিল।

ডাইনাপালী ঃ কালিদাসৰ পিতাকৰ ভোক লাগিছে। তাৰ ফলত...

ওজা ঃ ভগৱানৰ গটো গল ভোকৰ কটো লগ হৈ ভকৱান ভকৱান কৈ আছে।

ডাইনাপালী ঃ উপাই নাই ৰজা আহিব, ভোকক ৰব কব লাগিব।

ওজা ঃ ভোক ৰ, ভোক ৰ

ওজা ঃ ৰজা আহিছে।

ডাইনাপালী ঃ ভকৰ ভকৰ ভকৰ।

ওজা ঃ কালিদাস তুমিটো কৈছিলা তোমাৰ পিতা তোমাতকৈ দহ গুণ ডাঙৰ পণ্ডিত।

ডাইনাপালী ঃ হয় মহাৰাজ।

ওজা ঃ তেনেহলে তোমাৰ পিতাই মন্দিৰত সোমাই কি ভকৰ ভকৰ কৰি আছে।

ডাইনাপালী ঃ মহাৰাজ চাওক পিতাই তিনিটা দেৱতাক একেলগে পূজা কৰি আছে।

ওজা ঃ তিনিটা দেৱতা।

ডাইনাপালী ঃ হ মহাৰাজ।
ভ মানে ভগৱান

ক মানে কৃষ্ণ

ৰ মানে ৰাম ৰূপে অৱতাৰ দশৰথৰ ঘৰে।

তিনিটা দেৱতাক লগ লগাই মোৰ পিতাই ভকৰ ভকৰ কৰে।

ওজা ঃ ধন্য কালীদাস ধন্য তোমাৰ পিতা।

*** *** ***

## চইতান বুঢ়ী

ডাইনাপালী ঃ হে আই ভগৱতী ঘৰমধ্যে মোৰ এটা চলি। চলিতুৰ বেমাৰ ভাল কৰি দি আই তোক এক হাল মুইহ দি মই পূজা কৰিম।

ওজা ঃ যা তোৰ চলি ভাল হ'ব।

ডাইনাপালী ঃ আই ভগৱতী তোক সেৱাহে।

ওজা ঃ কি এ বুৰি তোৰ চলি দুখু ডেকা হ'ল। মোক পূজা নেদা।

ডাইনাপালী ঃ হে আই যোগাৰ কৰিব পাৰা নাই আই। মুইহৰ বহুত দাম, তোক এক হাল পাঠা দিম যা।

ওজা ঃ যা হব যা। সোনকালে পাঠা হাল দি পূজা কৰিবি।

ডাইনাপালী ঃ হব দে আই, মই যোগাৰ কৰু।

ওজা ঃ কিয়ে বুৰি পঠা দিম বুলি দুখু দুই বছৰ গেল।

ডাইনাপালী ঃ পাৰা নাইয়ে আই, ভাত নিমলা দিন। হে আই পাঠাৰ

পইচা মিলাব় পৰা নাই। মই তোক এক হাল মতা হাঁহ দি ধাৰতু মাৰো দে আই।

ওজা : যা সোনকাৰে হাঁহ জোৰা এ দি।

ডাইনাপালী : হব দে আই।

ওজা : বুৰি তই পাহৰিলি মহৰ পৰা হাহ পেলালি, এতিয়াও দেখো পূজাখন নিদিলি।

ডাইনাপালী : মই এটা কথা ভাবিছো আই, তইতো মোক বহুত দয়া কৰিছা আৰু অলপ দয়া কৰ।

ওজা : আৰু কি কচোন।

ডাইনাপালী : হে আই মই ধাৰখেনি মাৰিবা পৰা নাই। দিনে-ৰাতি সেয়ে চিন্তা।

ওজা : মহৰ পৰা হাহক আনিলি আৰু কি চিন্তা।

ডাইনাপালী : আই বাহাত একযোৰা পাৰ ওলাইছে। সেইযোৰা দি ধাৰটো মাৰো দে।

ওজা : যা হবো যা। সোনকালে ধাৰতো মাৰ।

ডাইনাপালী : হব দে আই, পাৰ যোৰ মকমৈকা হৈছিদে।

ওজা : কিয়ে বুৰি পাৰ দেউ বুলি ছয় মাহ গ'ল।

ডাইনাপালী : হে আই, তানত পৰি বৰিতুই পাৰযোৰ বিক্ৰী কৰি ফেলচি। ইতা মই কি কৰো দেচোন আই।

ওজা : তাৰ মানে তই মোক পূজা নেদা।

ডাইনাপালী : হে আই এক হাল দিবা খুজিছিলো এক হাল শব্দটো ৰওক দে, তোক মই এক হাল ফৰিং দিউ দে।

ওজা : যা আন ফৰিংএ আন ধৰাটু মৰক যা।

ডাইনাপালী : হে আই সন্তুষ্ট হৈছাই যেতিয়া মোক নো আৰু কিয় কষ্ট দিয়া, কৈঠাতুইলাত নিজে ধৰি খাই নাজা কিয়।

*** *** ***

## হৰিমল বৈস্তব

ডাইনাপালী : আই হাত অহাকালি মহাভাৰত বৰ দুখৰ আধ্যা পৰিব।

ওজা : কেনাইনু বৈস্তব।

ডাইনাপালী : কালি অভিমান্য বধ। সপ্তৰথী কালি অভিমান্যক বেহুৰ ভিতৰথ বধ কৰিব।

ওজা : বৰ দুখৰ কথা বৈষ্টব।

ডাইনাপালী : আই হাত কালি অলপ পৰ্বতু দিঘল সময় অলপ বেছি যাব। সেইকাৰণে যুনি যিপাৰে চেনী চাহপাত গাখীৰ অলপ আইনব।

ওজা : হ্‌ব দক্। যি পাৰু আনিম দক।

ডাইনাপালী : ও আই হাত আই চি না, বহক সকলে বহক। আৰম্ভ কৰু দক।

কান্দে বীৰ অভিমন্যু বেহুৰ ভিতৰে
সপ্তৰথী বেৰি মাৰে অন্যায় সমৰে।
কৈত ৰৈলা জেষ্ঠ্য পিতা বীৰ বৃকোদৰ
অন্যায় সমৰে অভি যাও যমঘৰ।

কৈত বৈলা পিতা মোৰ বীৰ ধনঞ্জয়
সুভদ্ৰা জননী মোৰ যাও যমালয়।।

ওজা : বৰ দুখৰ কথা। বাপপাৰে চলি এটাক এনকে মাননাই মাৰাহাতে মাইৰবা লাগেনা।

ডাইনাপালী : অ হা বাই, ভেটাকানা গহয় এগলাখানক দেখা না পৈ। হো বাই কৃষ্ণ বুলি চলিতুৰ মাইমাক হা?

ওজা : অ তুমি নাজন কৃষ্ণৰ বৈনাকৰ পুতাক মৰণনহ হাতে এনকে চলিতুক মাইৰলাক।

ডাইনাপালী : হবো দে আই হাত কিমান কান্দ। আৰু না কেইনবা।

ওজা : অ হবো দে আৰ।

ডাইনাপালী : হেৰা পেহী তুমি দুখু কান্দিয়ে আচহা। সকলে কাইনলু ইতা হবোদা।

ওজা : অহা পেহী নাকাইনবা।

ডাইনাপালী : তুহুন বা কান্দা কিয়া মই বা কান্দে কিয়া।

ওজা : অভিমান্য মহা দুখত আমি সকলে কন্দিছো।

ডাইনাপালী : মই সেই কাৰণে কান্দা নাই।

ওজা : কিয় কান্দিচতে।

ডাইনাপালী : মোৰ পাঠীটু হৰাবৰে আজি আঠ দিন হল বিচৰি বিচৰি মই এখনি পালু।

ওজা : এতে ছাগাল হৰ দুখত এতেহে কাইনবা পনা এ।

ডাইনাপালী : এতে ছাগল হৰ দুখত কান্দা নাই।

ওজা : তে কিয় কাইনচ

ডাইনাপালী ঃ কিয় কান্দিছু জান বাপা হৈৰমলে পুথিপঢ়াতে ডাৰি কচা যেনকে লৰে মোৰ পাঠীটু ঘাহ খতে ডাৰি কচা সেনকে লৈৰছিল।

ওজা ঃ আজি এটা নতুন ভকত আইছি দুখুন।

ডাইনাপালী ঃ বহক কৃষ্ণ।

ওজা ঃ কিষ্ণ কথা আকাশাাৰ সুধিব পাৰু না।

ডাইনাপালী ঃ সুধক কিষ্ণ।

ওজা ঃ ঐ ৰাম নাকাতিলে বাঢ়ে ডাৰি চুলি
সাগৰ বাৰে ফেনে।
আগে আছিল মিত্র লটো পটো
ইতা মিত্র কেনে।
ঐ ৰাম সাৰত বাঢেঞ, গছে পাতে
আখৈত বাঢ়ে লাৰু।
ভাল সঙ্গি পাওঁ যদি মই
ইতাও যাবা পাৰু।।

ডাইনাপালী ঃ তে বৈষ্টব আজিক লগি এইৰবা পাৰি

ওজা ঃ ঔ ৰাম ঔ হৰি গধুলী লগ ধৰাৰ অর্থে
ও ৰাম।

*** *** ***

# আকো নহকা

ওজা : ডাইনাপালী কি ভাবি আছহা।

ডাইনাপালী : ভাবিছো ভগবান কেনে নিষ্ঠুৰ।

ওজা : কিয় ভগবানক নিষ্ঠুৰ বুলি কৈছা?

ডাইনাপালী : আকৌ নহকাৰ কথাটোৱে চোৱাচোন

ওজা : কোন আকৌ নহকা।

ডাইনাপালী : নলবাৰীৰ হা

ওজা : কি হ'ল তেওঁৰ।

ডাইনাপালী : মানুহজনৰ মাটি বাড়ী নাই, খাবাৰ ভাত নাই। বেটা পুত্ৰ নাই, চকুৰে নেদেখে কাণেৰে নুশুনে। নাইনা নাই আকৌ না।

ওজা : পিচত কি হ'ল?

ডাইনাপালী : বৰ দুখৰ কথা দে শুনা।

ওজা : ঐ বঢ়া আজি নুঠা নেকি?

ডাইনাপালী : ঐ বুৰী বৰষুণ এৰিছে নে?

ওজা : ভালকে এৰা নাই।

ডাইনাপালী : তে ইথান নুঠু দে, তোৰ কাঠাখানো মোক জাপি দি।

ওজা : যদি নুঠা ভিক্ষা কৰিব নাজা নেকি?

ডাইনাপালী : চকুই দি দেখা নাপা মানুহ কবাত পৰি মৰিম। আজি নাযাও দে।

ওজা : তে আজি খাম কি?

ডাইনাপালী : আজি লঘোনে থাকিম দে।

ওজা : তই বুঢ়া লঘোনে থাক মই কিয় থাকিম।

ডাইনাপালী : অ মৰদ লঘানে থাকিলি তিৰিতুই খাবি নেকি?

ওজা : অ খাম।

ডাইনাপালী : যা নাযাও যা ভিক্ষাক।

ওজা : নাযা এনাই মৰদ বাচি থাকি লাভ নাই। অলে যা কৰবাত মৈন্নি।

ডাইনাপালী : কি এনে কথা মই মৈৰলি তই ভাল পা।

ওজা : নদীক যা তাতে পৰি মৰ যায়।

ডাইনাপালী : হবদে তোৰ দৰে তিৰিৰ কথা শুনি বাচি থাকাত কে মই আজি মৰিম।

ওজা : যা মৰগে। মই খুজি খাম যা।

ডাইনাপালী : মই গেলু আৰ মোৰ বিচাৰ নলবি আজিৰ পৰা আকো নহ মৰিল। নদীৰ পাৰ পালু নেকি? হে ভগবান জীৱনত খালি দুখে দিলি নাইনা নাই আকো নাই। তিৰিটো পালো সিও দিনে ৰাতি গালি মাত। আজি মই নদীত জাপ দি মৰিম। যত পাপ লাগে গহয়ৰ গাত লাগক।

ওজা : ঐ আকো নহ ৰবা মৰিব নেলাগে।

ডাইনাপালী : কুনিনু।

ওজা : মই গহয় তোমাক কি বৰ লাগে এটা বৰ লৈ তুমি ঘৰলৈ যোৱা।

ডাইনাপালী : তুমি ভগৱান। মোক বৰ দিবা। এটা কাম কৈৰবা না গহয় বৰতু মই বুৰিক সুধি কালি লম দা। তুমি কালি

আইভা না?

ওজা ঃ য আহিম য। পিছে এটা কথা বুঢ়ী বোলে তোমাক বেয়া পাই মৰিব কৈছে হা?

ডাইনাপালী ঃ হলিও মই তাইক পাহৰিবা নৰু। মই কেইতাবাই নদীত জাপ দিলু হৈ। বুঢ়িক লেগি মনত পৰি জাপ দিবা পাৰা নাই।

ওজা ঃ য নালাগে যোৱা মৰিব। বুঢ়ীৰ লগত আলোচনা কৰি আহা। বৰ এটা হে দিম।

ডাইনাপালী ঃ কালি আইভা তে।

ওজা ঃ য আহিম য।

ডাইনাপালী ঃ বুঢ়ী ও বুঢ়ি এটা ভাল খবৰ .....

ওজা ঃ মাননাই মাৰা মৰণ নহ মৈৰবা গেচলি দুখুন তোক যমে দেখা নাপাই। মোক লাৰি চাৰি খাবা আইছা।

ডাইনাপালী ঃ ঐ বুঢ়ী ৰ চোন মোৰ কথা শুন। মই নদীত মৰিবা খুজাতে ভগবানগহয় মোক মৰিবা হাক দিলাক। এটা বুলে বৰ দেই।

ওজা ঃ বৰটু ললি নেকি?

ডাইনাপালী ঃ তোক নুশুধাকে মই বৰ টু ল নাই।

ওজা ঃ বুঢ়া তই ইমান ভাল।

ডাইনাপালী ঃ ঐ বুঢ়ী, তোৰ এটা চলিক লাগি বৰ হাউছ। এটা আপাৰ কথা কও দে।

ওজা ঃ খুৰাবি কি? তাতকে এটা কাম কৰ। আমাক বেলেগ

আকো নালগে। তই গহয়ক কবি মোৰ বেমাৰত যি মাইঠেৰ দিয়া সোনাখেনি বিক্রি কৰিছা সেইখিনি দিবা কবি।

ডাইনাপালী ঃ নকাও।

ওজা ঃ কবি মোক সোনাখিনি লাগে।

ডাইনাপালী ঃ ভিক্ষাৰীৰ তিৰীৰ সোনাৰ চখ। মই নকাও।

ওজা ঃ কবা লাগিব।

ডাইনাপালী ঃ নকাও।

ওজা ঃ নকাহ তে মৰ মৰ

ডাইনাপালী ঃ মোক মাৰা কিয়, বাপাহাত ঐ মোক বুঢ়ি মাৰিলাক এ আই ঐ ওহ ওহ

ওজা ঃ অ আকো নহ ঘৰত আছ? কিহৰ গন্দগোল হা।

ডাইনাপালী ঃ দত্ত বাপু নেকি হা?

ওজা ঃ হয় দা মই দত্ত। কি হ'ল কিহৰ কান্দাকাতা।

ডাইনাপালী ঃ কি কবা বাপু। আজি ভিক্ষা কৰিব যাবা নৰা কাৰণে মোক মৰি যাবা কৰে। মইয়ো বিকাৰতে নদীত জাপ দি মৈৰবা গেলু।

ওজা ঃ পাচে তুমি কান্দা কাতা কৰিছা কিয়?

ডাইনাপালী ঃ মই মৰিম বুলি ভাবাৰ লগে লগে ভগৱান গহয় মোক মৰিবা হাক দিলাক। কলাক মৰিবা নালাগে এটা বৰ দিউ লোৱা। মই বুঢ়ীৰ লগত আলোচনা কৰি বৰটো লম বুলি ঘৰক আইলু।

ওজা ঃ এইটো তুমি ভাল কাম কৰিছ। তেনেহলে গণ্ডগোল কিহৰ।

ডাইনাপালী ঃ থাকিবৰ ঘৰ নাই, খাবাৰা ভাত নাই, বংশত এটি চলি নাই চকুৰে নেদেখু, কানেৰে নুশুনু। বুঢ়ীকক এইৰোৰ নালগে। বুঢ়ীকক সোণা লাগে।

ওজা ঃ হব। ইটা কান্দা কাতা নকবিৰা। কালি বৰ লব যাওঁতে মোৰ ঘৰেদি যাবা কি বৰ লাগে মই শিকাই দিম। পুৱা যাবা।

ডাইনাপালী ঃ হবো দে দত্ত বাপু।

ওজা ঃ আহা আকো নহকা ৰুমৰ ভিতৰত তোমাক শিকাই দিও। মই কোৱা বুলি নকবা।

ডাইনাপালী ঃ বুজিছো।

ওজা ঃ কথাখিনি মনত আছে।

ডাইনাপালী ঃ আছে দে দত্ত বাপু।

ওজা ঃ গোসাই সুধিব পাৰে কোনে শিকাই দিছি তুমি মই কোৱা বুলি নকবা। এতিয়া যোৱা।

ডাইনাপালী ঃ ও গহয় আইছ, আহা মই বৰ লব আইচু।

ওজা ঃ আকো নহ আইছ। তে এটা বৰ লোৱা।

ডাইনাপালী ঃ বৰ সচাই দিবাতো।

ওজা ঃ দিম দিয়া।

ডাইনাপালী ঃ তুমি ধৰ্মৰ নামত শপত খ নহলে মই বৰ নলউ নদীত জাপ দিম।

ওজা : বাৰু যদি বিশ্বাস কৰা নাই সত্য সত্য তিনি সত্য তোমাক মই এটা বৰ দিম।

ডাইনাপালী : তেনেহ'লে গহয় মোক এটু বৰ দিয়া
মই যেন দেখি, শুনি,
মাজুটো, বোৱাৰীৰ হাতেৰে
সোণৰ থালত সদায়
ভাত খাব পাৰো

ওজা : বাহ ... আকোনহ কি বৰ ললা।
দেখি চকুৰে দেখা পাব লাগিব
শুনি কানেৰে শুনিব লাগিব
মাজু বোৱাৰী কমেও তিনিজন পুত্ৰ বোৱাৰী হব লাগিব।
সোণৰ থালাত খাবলৈ কৌটি পতিৰ মালিক হব লাগিব।
সদায় খাব মানে এই সকলোবোৰ স্থায়ী হব লাগিব।
বাৰু আকোনহ তোমাক মই বৰতো দিলো। কিন্তু এটা কথা মোক কব লাগিব। বৰটো লব তোমাক কোনে শিকালে তোমাৰ বুঢ়ী?

ডাইনাপালী : বুঢ়ী ইমান জানা নহয়।

ওজা : তোমাৰ বুদ্ধি?

ডাইনাপালী : মই জানিলেতো কালিয়ে কলু হৈ।

ওজা : তে তোমাক কোনে শিকালে?

ডাইনাপালী : নকও।

ওজা : কব লাগিব।

ডাইনাপালী ঃ কলে বেয়া পাব।

ওজা ঃ কোনে বেয়া পাব।

ডাইনাপালী ঃ আপুনি বাৰে বাৰে সুধিলেও মই নকওঁ দত্ত বাপুই বাৰে বাৰে নাম কবা হাক দিছি মই দত্ত বাপুৰ কথা মৈৰলিও নকও।

ওজা ঃ দত্তৰ ইমান বুদ্ধি আজিৰ পৰা দত্তৰ বুদ্ধি পচিশ শতাংশ কাটি দিলো।

*** *** ***

## টুকুৰা

ডাইনাপালী ঃ অ বাপাহাত চাহ পানী খাইছ।

ওজা ঃ খাইছো আইতা।

ডাইনাপালী ঃ মই কৈনাতুৰ আউবাক হং। পাচে আমাৰ নাতিনীক কুনটোক লেগি চাবা খুজিছ।

ওজা ঃ আইতা মাজৰ জনৰ কাৰণে।

ডাইনাপালী ঃ তুমাৰ কি হবে?

ওজা ঃ মোৰ ভাগিন হবে।

ডাইনাপালী ঃ থৌগা দে তোমাৰ দৰে আকে থৌগা। তে মই নাইতা বুলি মাতিবাই পাৰো।

ওজা ঃ মাতক ভালহে।

ডাইনাপালী ঃ মায়ে বাইপে আছে?

ওজা ঃ আছে।

ডাইনাপালী ঃ ভায়ে বইনে কেইটা ?

ওজা ঃ ভাই চাৰিজন, বৈনী তিনিজনী।

ডাইনাপালী ঃ গিৰাষ্টেলী ডাঙাৰ দে। তুমাৰ পঢ়াশুনা।

ওজা ঃ বি. এ. পাচ কৰিছোঁ।

ডাইনাপালী ঃ এটু কথাত দুখ পাইচু। ভালকে নপঢ়া হামপাং। ভালকে বঢ়া হলি আগ হবা পাইলা হৈ।

ওজা ঃ আইতা ...........

ডাইনাপালী ঃ ঘৰত খেতি কৈৰবা মাটি আছে না ?

ওজা ঃ মাটি আছে। সময় হে নাই। খেতি কইৰবাক লেগি।

ডাইনাপালী ঃ ইটা কি কৰি আছ ?

ওজা ঃ মাষ্টৰ

ডাইনাপালী ঃ উঠা, মোৰ নাটিনী দে নহল। আমাৰ পঢ়া আপি মই চাকৰী আল্লাত তাতে দিবা খুজিছো।

ওজা ঃ আইতা মাষ্টৰ

ডাইনাপালী ঃ মই আকৌ কথা নুহন তুনহায় য মই চাকৰী কৰা চলিতেহে নাতিনীক দিম।

*** *** ***

# টুকুৰা

ওজা ঃ ভৰলু ভৰলু

ডাইনাপালী ঃ যাৰে ভৰ তাৰে ভৰো মোৰ মনাৰ পৰা একো নভৰাবি।

ওজা ঃ নামক নামক।

ডাইনাপালী ঃ কথা ভালকে কবি, গাড়ী এনাই উঠা নাই। দস্তুৰমত পইচা দিছু।

ওজা ঃ মাছখোৰা মাছখোৰা

ডাইনাপালী ঃ সর্বনাস মাকে আপাতুক লাগি শুখা মাছ মোনা খনত ভৰে দিছিল, কুমবাই উইলে নি খালাক নেকি? মাছ নাখাবা মাছ নাখাবা

ওজা ঃ মাছ খোৰা মাছ খোৰা

ডাইনাপালী ঃ নাখাবা নাখাবা

ওজা ঃ পান বজাৰ পান বজাৰ

ডাইনাপালী ঃ চলিতুল লগি আনা পান মুঠাও নিলাক হান পাও। কি জাগাক আহিলুৰে গতাই লুটি পুতি নিলাক এ।

ওজা ঃ কাচাৰী কাচাৰী

ডাইনাপালী ঃ কাক কচাৰী কহে, তোৰ মাৰে কচাৰী, বাইপে কচাৰী, তোৰ চৈধ্য পুৰুষ কচাৰী। এৰ গাড়ীত নাযাও। বেলেক গাড়ীত যাম।

*** *** ***

# টুবুৰা

ওজা ঃ ৰাণী ৰাণী

ডাইনাপালী ঃ কাক মাতিছা ৰাণী বুলি

ওজা ঃ তোমাক

ডাইনাপালী ঃ তোমাৰ চকুৰ কিবা দোষ হৈছে নেকি? তুমি মোক দেখা নাই।

ওজা ঃ কিয় নেদেখিম, দেখিছো।

ডাইনাপালী ঃ দেখা হলি ইমান ভুল নহল হৈ।

ওজা ঃ কি ভুল হ'ল।

ডাইনাপালী ঃ ৰাণী মতা না মাইকী।

ওজা ঃ কি কথা বিলাক যে সোধ। ৰাণী মাইকী।

ডাইনাপালী ঃ মোক সেনাই হান পাইছ নেকি? তিৰীৰ একো লক্ষণ দেখোন মোৰ গাত নাই।

ওজা ঃ তুমি কথা বিলাক ভুল ভাবিছ। আমি অভিনয় কৰি আছো নে নাই?

ডাইনাপালী ঃ আছো।

ওজা ঃ পদত ৰজা ৰাণীৰ কথা ওলাইছে নে নাই।

ডাইনাপালী ঃ ওলাইছে

ওজা ঃ সেইকাৰণে মই ৰজা হৈ তোমাক..

ডাইনাপালী ঃ সেইটোৱে ভুল।

ওজা ঃ সেইটো কি ভুল হ'ল।

ডাইনাপালী ঃ মোক ৰজা কৰি তুমি ৰাণী নহ কিয়া।

ওজা ঃ মই ৰাণী হলে

ডাইনাপালী ঃ ভাল দেখা হ'ব।

ওজা ঃ কিয়?

ডাইনাপালী ঃ কাৰণ তুমি ডাড়ি গোফ নহ তিৰীমুৰা মানুহ।

*** *** ***

## টুকুৰা

ওজা ঃ বাপা পিঙ্কু

ডাইনাপালী ঃ মামী মামী

ওজা ঃ তুমি একেবাৰে সৰুই থাকোতে দেউতা বাহিৰলৈ গৈছিল। আজি আহিছে। তুমি...

ডাইনাপালী ঃ বৰষুণ দিব মামী

ওজা ঃ কত আকাশ দেখো ফৰ্চা হৈ আছে। বৰষুণ নিদিয়ে।

ডাইনাপালী ঃ বৰষুণ নিদিয়ে যদি দেউতা কিয় আহিল।

ওজা ঃ কি দেউতাৰ কথা কৈছা তুমি।

ডাইনাপালী ঃ আকাশত থকা।

ওজা ঃ সেই দেউতা নহয়, তোমাৰ পিতা...

ডাইনাপালী ঃ মই পিঠা খাব ভালপাওঁ মামী, দুই তিনিখন খাম।

ওঝা ঃ পিঠা নহয়, পিতা। পিতাও বুজা নাই। তাৰমানে তোমাৰ ফাদাৰ।

ডাইনাপালী ঃ ইনল

ওজা ঃ ছি কি যে কোৰা। তোমাৰ পাপা আহিছে। তুমি পাপাৰ লগত চিনাকী হ'ব লাগিব।

ডাইনাপালী ঃ মামী মই পাপাৰ ওচৰলৈ এনেয়ে নেযাও, এক পাপ চাহ, এটা কুকুৰ দে, মই পাপাৰ লগত পৰিচয় হবলৈ যাম।

ওজা ঃ এক পাপ নহয়, এক কাপ কুকুৰ নহয়, কুকিজ বিস্কুট।

ডাইনাপালী ঃ নমস্কাৰ আপুনি মোৰ পাপা।

ওজা ঃ নমস্কাৰ আপুনি মোৰ পাপা।

ওজা ঃ হয় সোণ মই তোমাৰ পাপা।

ডাইনাপালী ঃ আপুনি অকলে আহিল যে

ওজা ঃ অ মই অকলে আহিলো।

ডাইনাপালী ঃ আপোনাৰ ল'ৰা-ছোৱালী, পাপীক কিয় নানিলে।

ওজা ঃ ছি পিঙ্কু, পাপাক তুমি কেনে কথা কৈছা। পাপাৰ ল'ৰা ছোৱালী মানে ল'ৰা তুমি আৰু মইতো আছোই।

ডাইনাপালী ঃ বাৰু বাকীখিনি বুজিলো, পাপী নহাৰ কাৰণটোৰে নুবুজিলো।

ওজা ঃ মই

ডাইনাপালী ঃ তুমি মামীহে।

*** *** ***

# টুকুৰা

ওজা ঃ নমো নমো নাৰায়ণ, প্ৰসন্ন হৈয়কো হৰি, কৰিওক মায়াক নিৰ্জন। আপোনাৰ মহিমা আপুনি বেকত কৰি জীৱক কৰা পৰিত্ৰান।

ডাইনাপালী ঃ জয়ো কৃষ্ণ বুলে।

ওজা ঃ কি হ'ল?

ডাইনাপালী ঃ নাৰায়ণ আহা বুলি সেৱা কৰি আছো।

ওজা ঃ নাৰায়ণ এনেকে আহিব নেকি?

ডাইনাপালী ঃ খাবা কিবা পাইছনা।

ওজা ঃ ঘোষা গালি কি খাবা পাবা।

ডাইনাপালী ঃ তোমাৰ ঘোকা, শুখনা খোকা।

ওজা ঃ ঘোকা নহয় ঘোষা। আটচা ডাইনাপালী তুমি যি কলা মোৰ শুখনা ঘোষা। তাৰমানে তোমাৰো ঘোষা আছে নেকি?

ডাইনাপালী ঃ কিয় নহব।

ওজা ঃ বাৰু তোমাৰ ঘোষা একবাৰ শুনু।

ডাইনাপালী ঃ আমাৰ ঘোষা খাবা প ঘোষা।

ওজা ঃ দে গ ৰাইজেও শুনক, মইয়ো শুনো।

ডাইনাপালী ঃ বাৰু

নমো নমো নাৰিকল

বাকাল শুকাই গছত ৰল।

পাৰি আনি কৰোহো নিৰ্জল

দা কতাৰি ধৰি

টুকুৰা টুকুৰি কৰি

জীৱে খাই পাওঁক পৰিত্ৰাণ।

ওজা : এই নাৰিকল খ ঘোষা। হেৰা এই ঘোষা কোনে লিখিছিল জানা?

ডাইনাপালী : কিয় নাজানিম।

ওজা : কোনে লিখিছিল।

ডাইনাপালী : আমাৰ কাকাই।

ওজা : হেৰা অসম্ভৱ কথাবিলাক সমাজৰ মাজত ক'ব নালাগে।

ডাইনাপালী : মই একো অসম্ভৱ কোৱা নাই।

ওজা : নাজানিলে সুধিব লাগে। ঘোষা শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰিয় শিষ্য মাধৱদেৱে লিখিছে।

ডাইনাপালী : মাধৱদেৱ মোৰ কাকা হয়।

ওজা : আগৰ দিনত ডাঙৰ ভাইক কাকা বুলিছিল।

ডাইনাপালী : ময়ো সেই কাৰণে কাকা বুলিছো।

ওজা : মাধৱদেৱ তোমাৰ ডাঙৰ ভা।

ডাইনাপালী : সেই কাৰণেতো।

ওজা : কেনেকৈ? কি সম্বন্ধ, বুজাই কোৱা।

ডাইনাপালী : শ্ৰীমন্ত শঙ্কৰদেৱ জগতৰ গুৰু।

ওজা : জগত গুৰু

ডাইনাপালী : পিতাৰ সমান জন্মদাতা, জ্ঞানদাতা

ওজা : হয়

ডাইনাপালী : তেখতৰ প্ৰিয় আৰু প্ৰধান শিষ্য মাধৱদেৱ।

ওজা : মাধৱদেৱ।

ডাইনাপালী : শিষ্যই পুত্ৰই সমান, মোৰ কাকা নহৈ কি হ'ল।

—ঃঃ সমাপ্ত ঃঃ—



# লিখকৰ অন্য গ্ৰন্থসমূহ—

১। ১৯৭৯-৮০ চনৰ ৰক্তাক্ত ইতিহাস

২। বিল্বেশ্বৰ দেৱালয়ৰ আদিকথা

৩। বিল্বেশ্বৰ

৪। সৰাপাত

৫। সৰাপাহি

৬। জীৱন যুদ্ধৰ সংবাদ

৭। মা দুৰ্গা

৮। জ্ঞান মঞ্জুৰী

৯। আধাৰশিলা

১০। নীতি কথা

১১। অলেখ ঢৌ

১২। স্মৃতিৰেখা

১৩। ধৰ্মপক্ষী

১৪। পূৰ্ণাহুতি

১৫। আত্মহত্যাৰ জীয়া কাহিনী

১৬। এটা কবিতা

১৭। প্ৰতিবিম্ব

১৮। বন্দনামালা

১৯। লোক কলাৰ সাঁঙী

২০। লোককলা ওজাপালী আৰু সমাজ

২১। হাহিৰ টোপোলা

২২। সাহিত্য কলা প্ৰকাশৰ পথত

২৩। বংশমালা প্ৰকাশৰ পথত

২৪। পদমঞ্জুৰী প্ৰকাশৰ পথত

২৫। পুৰাণৰ সাধু প্ৰকাশৰ পথত

২৬। নতুনৰ সাধু প্ৰকাশৰ পথত

২৭। পোহৰৰ যাত্ৰা প্ৰকাশৰ পথত

২৮। বুৰবুৰণি (কবিতা পুথি)